অতুলনীয় শিক্ষক অতুল চন্দ্ৰ দত্ত

# প্ৰান্তিক

ষষ্ঠ বছৰ ২৪শ সংখ্যা ১৬—৩০ নৱেম্বৰ '৮৭



## চৰকাৰী আয়- ব্যয়ৰ পৰিকল্পনা



## ইউকেলিপটাছৰ সপক্ষে

OKDISCD

# এই মুহূৰ্ত্তত আপুনি যেতিয়া এইখন পঢ়িছে...আপোনাৰ মুখৰ অত্যাৱশ্যক ছাল-কোমলকাৰক আৰ্দ্ৰতা হেৰাই গৈছে!



ইয়াৰ প্ৰতিকাৰৰ আপুনি কি ব্যৱস্থা কৰিছে ?

যদি কয় একো কৰা নাই...তেতিয়াহলে জানিম, হয়তো আপুনি নাজানে যে আৰ্দ্ৰতা হ'ল আপোনাৰ দেহত্বক-কোষৰ একান্ত আৱশ্যক, জীৱনদায়িনী অংশ যি ছাল কোমল আৰু নিমজকৈ ৰখাত সহায় কৰে। নহলে আপোনাৰ ৰূপ-লাৱণ্য শুকান, প্ৰাণহীন বা ক্লান্ত দেখালেও আপুনি কোনো কেৰেপ নকৰে।

অৱশ্যে যেতিয়ালৈকে কৈশোৰ থাকে, আপোনাৰ দেহত্বকৰ হেৰোৱা আৰ্দ্ৰতা লগে লগে ঘূৰি আহে। সেয়ে কম বয়সীয়া ছাল কোমল আৰু নমনীয় হৈ থাকে। পিছে কৈশোৰ পাৰ হৈ যোৱাৰ লগে লগে ছালৰ আৰ্দ্ৰতা যিমান শীঘ্ৰে হেৰাই যায়, তিমান শীঘ্ৰে ঘূৰি নাহে ... আৰু ঠিক সেই সময়তে এনে এটি কিবাৰ প্ৰয়োজন, যি আপোনাৰ ছালৰ আৰ্দ্ৰতা ভালদৰে অক্ষুন্ন ৰাখি ইয়াক কোমল আৰু নিমজ কৰে।

আপোনাৰ প্ৰয়োজন লেক্‌মে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যন। ই হ'ল পানী আৰু কিছুমান বিশিষ্ট কোমলকাৰক পদাৰ্থৰ এটি সূক্ষ্ম সংমিশ্ৰণ যি সঁচাকৈয়ে মৃদুভাৱে আপোনাৰে ছালৰ গভীৰৰ কোষত প্ৰবেশ কৰি তাত আৰ্দ্ৰতা আৰু পুষ্টি ঘূৰাই আনে। আপোনাৰ ছাল কোমল আৰু নিমজ কৰি ৰখাত সহায় কৰে। তদুপৰি ই অতি পাতল অথচ তেলেতীয়া নহয়। আপুনি সানিছে বুলি অনুভৱেই নহব, অথচ আপোনাৰ ছাললৈ আহিব এক সজীৱ, স্নিগ্ধ অনুভূতি।

লেক্‌মে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যনত আছে এবিধ অনন্য নিজে নিজে নিয়ন্ত্ৰণ কৰিব পৰা গুণ যি তাৰ শোষণ মাত্ৰা ব্যক্তি বিশেষৰ প্ৰয়োজন অনুসৰি কম-বেছি কৰে। অৰ্থাৎ আপোনাৰ মুখৰ অধিক শুকান অংশসমূহত অধিক কাম কৰে।

যেনে ধৰক চকু আৰু ঠোঁটৰ চাৰিওকাষৰ অংশসমূহক বেছিকৈ শোষণ কৰিবলৈ দিয়ে। আকৌ তেলেতীয়া অংশসমূহক, যেনে— নাক, ঠুতৰি আদিক কমকৈ শোষণ কৰিবলৈ দিয়ে। ফলত আপোনাৰ ছাল যি ধৰণেৰেই হওক ... শুকান বা তেলেতীয়া, স্বাভাৱিক বা সমন্বয় — লেক্‌মে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যনে আপোনাৰ কাৰণে ভালদৰে কাম কৰে।

**লেক্‌মে মেক্সিমাম মইশ্চাৰাইজিং লোশ্যন। কোমল, সুন্দৰ ছালৰ বাবে।**




অপৰূপ ৰঙ-ৰূপ, সুন্দৰ অনুভূতি
লেক্‌মেৰ সান্নিধ্যত।

Rediffusion/L/5226 a AM



ষষ্ঠ বছৰ ২৪শ সংখ্যা ১৬—৩০ নৱেম্বৰ '৮৭ | মূল্য চাৰি টকা

# প্ৰান্তিক

যোগাযোগৰ ঠিকনা : পোঃ শিলপুখুৰী, গুৱাহাটী-৭৮১০০৩


## অহা সংখ্যাত

১৮৪৯ চনত চাবুৱা চাহ বাগিচাখন চৰকাৰে এজন চীনদেশীয় মানুহক ৯৫২ টকা ১৪ অনাত বিক্ৰি কৰিছিল। চলাব নোৱাৰি দুবছৰৰ পাছত মানুহজনে সেইখন জেমছ ৱাৰেনক ৪৭৫ টকাত বেচি দিছিল। অসমৰ এই চাহ গছৰ সঁচবোৰ ক'ৰ? চীনদেশৰ নে অসমৰে? ১৭৮০ চনত ইষ্ট ইণ্ডিয়া কম্পেনিৰ কেপ্টেইন কেইজনমানে চীন দেশৰ পৰা চাহগছৰ গুটি কিছুমান ভাৰতলৈ অনাৰে পৰা ১৮৫৯ চনত যোৰহাট টি কম্পেনি স্থাপিত হোৱালৈকে,—মাজৰ সময়ছোৱাৰ **চাহখেতিৰ ইতিহাসৰ** কৌতুহলোদ্দীপক আভাস দিছে **হৰেশ্বৰ গোস্বামীয়ে।**

১৯৮৭ চনত চাৰ্লক হ'মছৰ জন্ম শত বাৰ্ষিকী পালন কৰা হৈছে। যোৱা ৬ জানুৱাৰীত ইংলণ্ডৰ পাৰ্লিয়ামেণ্ট ভৱনত বৃটিছ কমনছ সভাৰ সদস্যসকলে এই শতবাৰ্ষিকী পালন কৰে। কিন্তু চাৰ্লক হ'মছৰ স্ৰষ্টা কনান ডয়লৰ কি হ'ল?

**সুধীৰ চন্দ্ৰ বৰুৱাৰ** ৰচনা : **চাৰ্লক হ'মছৰ শতবাৰ্ষিকীত কাক সুঁৱৰিম?**

৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথত দেখিব,— বহু ট্ৰাকে ট্ৰেইলৰ লগাই বা নলগোৱাকৈ বিৰাট-বিৰাট আকাৰৰ কাঠৰ টুকুৰা পশ্চিমৰ পৰা পূবলৈ কঢ়িয়াই আছে। এইবোৰ কাঠ ক'ৰপৰা কলৈ নিয়া হৈছে?

**জীৱন দাসৰ** প্ৰবন্ধ : **প্লাইউড কাৰখানালৈ মালয়েছিয়াৰ কাঠ**

**ডঃ শৈলেন ভৰালীৰ** পৰ্যালোচনা : **নাট্যসংস্কৃতি : ভাৰতীয় শৈলীৰ অন্বেষণ**

## এই সংখ্যাত

ৰাজহুৱা ধনৰ অপচয় ৰোধ কৰিবৰ নিমিত্তে স্বাধীনতাৰ পাছৰে পৰাই কাকতে-পত্ৰে সদায়ে চৰকাৰী কাম-কাজৰ প্ৰতিটো পৰ্যায়তে উপযুক্ত পৰিকল্পনাৰ ওপৰত গুৰুত্ব দি অহা হৈছে যদিও কাৰ্যক্ষেত্ৰত আমি তাৰ ওলোটাহে দেখিবলৈ আৰম্ভ কৰিছোঁ। ...বিভাগীয় দৈনন্দিন পৰিকল্পনাৰ কাম-কাজবিলাকো সময়মতে নকৰি পেলাই থৈ মুখা-মুখি সময়ত জধে-মধে কৰাটোও আজিকালি প্ৰায় নিয়মতে পৰিণত হৈছে।

**পৰাগ কুমাৰ দাসৰ** অনুসন্ধানমূলক প্ৰবন্ধৰ প্ৰথম অংশ :


**চৰকাৰী আয়-ব্যয়ৰ পৰিকল্পনা, ৩১ মাৰ্চ আৰু অন্যান্য** ।১৩।


প্ৰায় ৪৬ নিযুত সদস্য থকা চীনা কমিউনিষ্ট দলৰ অলপতে সামৰণি পৰা ত্ৰয়োদশ কংগ্ৰেছৰ বিষয়ে তাৎপৰ্যপূৰ্ণ কথাটো হ'ল—প্ৰায় এক দশক জুৰি বিশ্বৰ বৃহৎ সাম্যবাদী দেশখনত পৰীক্ষা-নিৰীক্ষা চলোৱা বিতৰ্কমূলক অৰ্থনৈতিক সংস্কাৰৰ ওপৰত দৃঢ় আস্থা প্ৰকাশ আৰু ঐতিহাসিক লং মাৰ্চ্চৰ লগত জড়িত চীনা কমিউনিষ্ট দলৰ আশীৰ দেওনা পাৰ হোৱা, সৰ্বোচ্চ পদত অধিষ্ঠিত নেতৃবৃন্দৰ অনুষ্ঠানিক প্ৰস্থান।

বিশ্বপৰিক্ৰমাত **ডঃ সুনীল পৱন বৰুৱাৰ** প্ৰবন্ধ :


**চীনত ত্ৰয়োদশ কংগ্ৰেছ : সংস্কাৰবাদৰ জয়লাভ** ।১১।


"খুব পৰিশ্ৰম কৰিব লাগে। জীৱনত এটা লক্ষ্য থাকিব লাগে। ছাত্ৰসকলক মই এই উপদেশকে দি আহিছোঁ।" —এয়া গুণী শিক্ষক অতুল চন্দ্ৰ দত্তৰ কথা। অসমৰ বৰ্তমানৰ ভালেমান ন্যায়াধীশ, ৰাজনীতিজ্ঞ, সাংবাদিক, শিক্ষক, আমোলা অতুল দত্তৰ ছাত্ৰ আছিল। মুঠৰ ওপৰত অসমৰ মধ্যম বৰ্গ গঠন আৰু বিকাশৰ ক্ষেত্ৰত তেওঁৰ বৰঙণি যথেষ্ট।

**ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ** বাটৰ বাৰমিহলিৰ সপ্তম প্ৰবন্ধ :


**অতুলনীয় শিক্ষক অতুল চন্দ্ৰ দত্ত** ।২৬।

পত্ৰালাপ ।৪। ঘটনা-প্ৰবাহ ।৭। কুলদীপ নায়াৰৰ প্ৰবন্ধ ।৯। বিশ্ব-পৰিক্ৰমা ।১১। আয়-ব্যয়ৰ পৰিকল্পনা ।১৩। ইউকেলিপটাছৰ সপক্ষে ।১৯। আমেৰিকাৰ চিঠি ।২৪। বাটৰ বাৰমিহলি ।২৬। অসমীয়া ভাষা লিখা-কোৱা ।৩১। ভূমিকম্পৰোধী গৃহ ।৩৩। গল্প ।৩৮। কবিতা ।৪১। উপন্যাস ।৪৩। কলা-সংস্কৃতি ।৪৭। ক্ৰীড়াংগন ।৪৮। শেষ পৃষ্ঠা ।৫০।



**মুখ্য সম্পাদক : ডঃ ভাবেন্দ্ৰনাথ শইকীয়া**

**নিবন্ধকাৰ :** কুলদীপ নায়াৰ * বদন বৰুৱা * ডঃ নিৰোদ কুমাৰ বৰুৱা * পুলক লাহিড়ী * ডঃ দিলীপ কুমাৰ দত্ত * পূৰ্ণ বৰা * ডঃ কৃষ্ণগোপাল ভট্টাচাৰ্য * ডঃ সুনীল পৱন বৰুৱা * ডঃ কুলেন্দু পাঠক * গণেশ দাস * পৰাগ কুমাৰ দাস * দিলীপ কুমাৰ মহন্ত * ধীৰেন বেজবৰুৱা * সমুদ্ৰ গুপ্ত কাশ্যপ

**সহকাৰী সম্পাদক :** ইমৰান হুছেইন

**অংগ সজ্জা :** দেবানন্দ উলুপ, সীমান্তজ্যোতি বৰুৱা **আলোকচিত্ৰ :** দীপক বেজবৰুৱা



**মুদ্ৰাংকন :** ট্ৰিবিউন প্ৰেছ আৰু শৰাইঘাট অফছেট প্ৰেছ
**প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত

*Prantik*
*The Assamese Fortnightly*

Vol VI No. 24. 16—30 November '87

P.O. Silpukhuri, Guwahati—781003 Phone: 28751



OKDISCD

## অসমীয়াই কিয় ব্যৱসায় কৰিব নোৱাৰে ?

শোণিতপুৰ জিলাৰ বিহালী মৌজাৰ, বিহমাৰী মধুপুৰ গাঁৱৰ যুবক শ্ৰীঅৰুণ শইকীয়াই 'আগৰ' বা 'অগৰু' তেল উলিওৱা শিল্প এটি স্থাপন কৰাৰ উদ্দেশ্যে মনত সাহ বান্ধি ককায়েক শ্ৰীথুলেশ্বৰ শইকীয়াৰ লগত আলোচনা কৰি উদ্যোগ স্থাপনত মনোনিবেশ কৰিলে। তেতিয়া ১৯৮২ চনৰ শেহভাগ।

শ্ৰীথুলেশ্বৰ শইকীয়া তেওঁৰ ঘৰৰ ওচৰৰে এখন বিদ্যালয়ৰ শিক্ষক। তেওঁ বৰগাঙত থকা ৰেঞ্জ অফিছৰ কৰ্মচাৰী এজনৰ লগত কথা-বতৰা হওঁতে কৰ্মচাৰীজনে 'আগৰ' তেল উলিওৱা পদ্ধতি সম্পৰ্কে কিছু কথা ক'লে। কৰ্মচাৰীজনে এসময়ত হোজাইৰ ফালে কাম কৰি আহিছে আৰু হোজাইত চলি থকা 'আগৰ উদ্যোগ' সম্পৰ্কে কিছু কথা জানিছিল।

শ্ৰীশইকীয়াই স্কুল বন্ধৰ দিনত হোজাইত ফুৰি আহিলগৈ আৰু তাত তেনে ব্যৱসায় কৰা লোকসকলক লগ ধৰি সকলো কথা বুজি ল'লে। তাত থকা ব্যৱসায়ীসকল আটায়ে অনা-অসমীয়া। তেনে উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰৰ অনুমতি ল'ব নালাগে। বন বিভাগক জনাব লাগে আৰু বন বিষয়াৰ পৰামৰ্শ অনুসৰি বছেৰেকীয়া খাজনা পৰিশোধ কৰাৰ উপৰিও T. P. ল'ব লাগে। এই সকলো কথা জানি-শুনি শ্ৰীশইকীয়াই ভায়েক শ্ৰীঅৰুণ শইকীয়াৰ নামত নিজা ঘৰত 'আগৰ' তেল উলিওৱা শিল্প এটি গঢ়ি তুলিলে।

দৰং সংমণ্ডল তেজপুৰৰ বন বিষয়াৰ পৰা T. P. No. 47 অনুসৰি ৯৫৩·৫ কেজি আগৰ কাঠ তেওঁলোকে নিলামত কিনি ল'লে তাৰ বাবে দিব লগীয়া মাচুলো দিলে। তাৰ পাছত যাৱতীয় তামৰ বাচন, নিৰ্গম নলী, পানী সংগ্ৰহ পাত্ৰ আদি কিনি 'আগৰ' তেল উলিওৱা শিল্পৰ কাম জনা মঃ আলি নামৰ এজন যুবকক নিয়োগ কৰিলে। পিছে লাভ-লোকচানৰ মুখ নৌ দেখোঁতেই ২৪/৬/৮৪ তাৰিখে শ্ৰীশইকীয়াৰ ঘৰলৈ গৈ Darrang East Division অৰ A. C. F. পি. পি. চাংকাকতি Protection Range Officer, এ. ৰহিমে সমুদায় তামৰ বাচন, নিৰ্গম নলী, পানী সংগ্ৰহ পাত্ৰ আদি, আৰু কেই গ্ৰাম মান আগৰ তেল জব্দ কৰি মঃ আলি আৰু শ্ৰীথুলেশ্বৰ শইকীয়াক গ্ৰেপ্তাৰ কৰিলে। শ্ৰীশইকীয়া ঘৰত নথকাত তেওঁক পাছদিনা বনবিষয়াৰ কাৰ্যালয়ত উপস্থিত হ'বলৈ ভায়েক শ্ৰীঅৰুণ শইকীয়াৰ হাতত চিঠি দিলে আৰু সমুদায় বাচন-বৰ্তন সহ মঃ আলিক হাত কেৰেয়া লগোৱা অৱস্থাত কৰ্মচাৰী কেইজনৰে সৈতে ফটো তুলি সেই দিনাৰ কাৰণে লৈ গ'ল। ৮/৭/৮৪ তাৰিখে Assam Tribune কাকতত খবৰটো ফটো সহ প্ৰকাশ পালে। কেছ হ'ল। কেছ নং. ৬৯৪/৮৪, ছেকছন ২৪/২৫ এ. এফ. এক্টৰ অধীনত। প্ৰথমে তেজপুৰ আদালতত তাৰ পাছত বিশ্বনাথ চাৰিআলি আদালতত। সুদীৰ্ঘ তিনি বছৰ কাল প্ৰতি তিনি মাহত এদিনকৈ আদালতত হাজিৰ হৈ অবৰ্ণনীয় লটি-ঘটি হোৱাৰ পাছত (অৰ্থৰ ফালৰ পৰা) যোৱা ৮/৯/৮৭ তাৰিখে মোকৰ্দমাৰ ৰায় দান হ'ল। ৰায়দান অনুসৰি "...আচামী দুজনক খালাচ দিয়া হ'ল। জব্দ বস্তু যাৰ পৰা জব্দ কৰিছে তেওঁক ফিৰৎ দিয়ক।" স্বাঃ বি. কে. শৰ্মা, S. D. J. M. বিশ্বনাথ চাৰিআলি।

'প্ৰান্তিক'ত শ্ৰীবদন বৰুৱাৰ প্ৰবন্ধত পঢ়িবলৈ পালোঁ,—"আগৰ তেল উলিওৱাটো চোৰাং কাম নহয়। কাৰণ ইয়াৰ কাৰণে কোনো অনুমতি নালাগে।" (১৬/৩/৮৬)। আকৌ, শিৱসাগৰৰ বেঙেনাবাৰীৰ শ্ৰীউমা খাখলাৰীয়ে লিখিছে,—"মই সপ্তাহত এক কুইণ্টলতকৈও বেছি এই মাল সোণাৰী টাউনৰ এজন বঙালী মহাজনক দিওঁ। তেওঁ ...কুইণ্টলত এহেজাৰ টকাহে দিয়ে। আমি অন্য ঠাইলৈ নি বিক্ৰি কৰিব নোৱাৰোঁ। তাকো বাটে-পথে পুলিছৰ জুলুম। মই জনাত এই ব্যৱসায় অসমীয়া মানুহতকৈ অইন মানুহেহে বেছিকৈ কৰে। এই বজাৰৰ ওপৰত আমাৰ কোনো হাত নাই। এতিয়া দেখিছোঁ আমি কষ্ট কৰি কাটি মেলি অন্যকহে ধন্য কৰিছোঁ।"

এতিয়া, মোকৰ্দমাটোৰ ৰায়দানে আৰু 'প্ৰান্তিক'ত প্ৰকাশ পোৱা বক্তব্যবোৰে প্ৰমাণ কৰিলে যে ব্যৱসায়-বাণিজ্য কৰি অসমীয়া মানুহক দু-পইচা অৰ্জন কৰিবলৈ অসমীয়াই নিদিয়ে।

**—ৰূপৰাম বৰুৱা**, বেদেতী, শোণিতপুৰ

## উচ্চতৰ মাধ্যমিক স্তৰত "অসমীয়া বিষয়

বাতৰি কাকতৰ যোগেদি ইতিমধ্যে জানিব পৰা গৈছে যে অসমৰ উচ্চতৰ মাধ্যমিক শিক্ষা পৰিষদে অলপতে এটা নতুন পাঠ্যক্ৰম প্ৰবৰ্তন কৰিব। সেই পাঠ্যক্ৰমত কি কি থাকিব- নাথাকিব এতিয়াই ক'বপৰা নাই যদিও জানিবপৰা গৈছে যে, এইবাৰ এই পাঠ্যক্ৰমত "অসমীয়া" বিষয়টো মাহী আইৰ সন্তানত পৰিণত হ'ব। সংবাদমতে বৰ্তমান উচ্চতৰ মাধ্যমিক স্তৰত থকা ঐচ্ছিক অসমীয়া বিষয়টোৰ চিন-চাবেই নাথাকিব আৰু আৰু ভাৰতীয় ভাষা বা বাধ্যতামূলক ভাৰতীয় মাতৃভাষাৰ (M.I.L.) বিষয়টোৰ অংগচ্ছেদ ঘটাই মাত্ৰ এশ নম্বৰৰ এখন প্ৰশ্ন কাকতহে কৰা হ'ব। এইবোৰ কথা সঁচানে ? যদি সঁচা, তেনেহলে ক'ব লাগিব, উচ্চতৰ পৰ্যায়ৰ চিন্তাশীল গৱেষক পণ্ডিতসকলে এইবাৰহে যেন আচল শিক্ষাৰ পৰিকল্পনাটোত হাত দিলে : ভাষাবিদ, ভাষাৰ ছাত্ৰ এইসকলে ভালকৈ জানে মাতৃভাষাৰ প্ৰতি মানুহৰ (সংস্কৃতিবান)— কি অপৰিসীম শ্ৰদ্ধা আৰু ভালপোৱা। গতিকে, সকলো মানুহৰ মাতৃভাষাই উচ্চতৰ মাধ্যমিক স্তৰত স্থানচ্যুত হওক বুলি— তথাকথিত পাঠ্যক্ৰম গৱেষকসকলৰ দৰেই আমিও মানি লমনে ?

পাঠ্যক্ৰম নবীকৰণ কৰা আৰু এটা বিষয় উচ্ছেদ কৰা একে কথা নহয়। বৰ্তমানৰ বাধ্যতামূলক অসমীয়া আৰু ঐচ্ছিক অসমীয়াৰ প্ৰচলন হৈ থকা পাঠ্যক্ৰম কিছু বাস্তৱমুখী আৰু প্ৰয়োগমুখী কৰাটো অপৰিহাৰ্য। কিন্তু বিষয় হিচাপে একেবাৰে বাদ-দিয়া বা অংগছেদ কৰা কেনে কথা ? পাঠ্যক্ৰম নবীকৰণৰ বাবে পুনৰীক্ষণ কৰোঁতে অভিজ্ঞ শিক্ষকবৃন্দৰপৰা মতামত গ্ৰহণ কৰা হয়নে ? পাঠ্যক্ৰমে- তৈয়াৰ কৰোঁতাসকলৰ পাঠদানৰ অভিজ্ঞতা আছেনে ? বিশ্ববিদ্যালয় শিক্ষা পৰিষদ সকলোৱেই অভিজ্ঞ শিক্ষকসকলৰপৰা কেনেকৈ মতামত গ্ৰহণ কৰে, জনাবনে ? দেখা গৈছে, অসমীয়া বিষয়ত সকলো পণ্ডিত বিশ্ববিদ্যালয়ত নাইবা শিক্ষা পৰিষদ বিলাকতে আছে। গতিকে, তেওঁলোকে "দহ বুলিলে দহ, পঁচি বুলিলে পঁচি।"

উচ্চতৰ মাধ্যমিক পৰিষদক এতিয়াই সকিয়াই থওঁ,— গজালি মেলাৰ আগতেই এই বিষাক্ত গুটিটো পচন সাৰৰপৰা তুলি লওক। অসমীয়া ভাষা শিকাওঁতে, পৰীক্ষা লওঁতে যদি কিবা অসুবিধা হৈছে, তেনেহ'লে মাধ্যমিক পৰিষদৰ কৰ্মকৰ্তা আৰু পাঠ্যক্ৰম প্ৰণেতাসকলে পলম নকৰি সমগ্ৰ অসমৰ এই বিষয়ৰ অভিজ্ঞ শিক্ষকশ্ৰেণীৰ সৈতে আলোচনা কৰি, পাঠ্যক্ৰম নবীকৰণ কৰি, বাস্তৱ আৰু প্ৰয়োগমুখী কৰক। অসমীয়াক "ঐচ্ছিক বিষয়"ৰ পৰা অপসাৰণ কৰিব খুজি জটিলতাৰ সৃষ্টি নকৰিব।

**—হেম বৰা,**
ৰমা বৰুৱা পথ, গোলাঘাট

## "ও" আৰু "আৰু"

আজিকালি বহু ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আদিয়ে তেওঁলোকৰ লিখনিত; বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁলোকৰ জাননী পত্ৰ, বিজ্ঞাপন, নাম ফলক আদিত "আৰু"ৰ ঠাইত "ও" ব্যৱহাৰ কৰে। এইটো প্ৰকৃততে ভুল। "ও"ৰ প্ৰচুৰ প্ৰয়োগ সহায়িকাবোৰতো পোৱা যায়। উদাহৰণ,— মৰম ও শুভেচ্ছা, খাদী ও গ্ৰাম্য-উদ্যোগ, শিশু ও মাতৃমংগল আঁচনি, শিশু ও স্ত্ৰী-ৰোগ বিশেষজ্ঞ, কুটিৰ ও ক্ষুদ্ৰ-উদ্যোগ ইত্যাদি। এই ভুল আঁতৰাব লাগে।

**—সত্যৰঞ্জন শৰ্মা,**
তেজপুৰ

## অসমীয়া

এবাৰ বাছেৰে এঠাইলৈ যাওঁতে এজন সহযাত্ৰী অসমীয়া উকীলৰ লগত গোটেই বাটছোৱা নানান ধৰণৰ আলোচনা কৰি গৈছিলো। যাত্ৰাৰ অন্তত তেখেতে মোৰ নামটো সুধিলে। ময়ো কলো। উকীল ডাঙৰীয়াই তপৰাই মাত লগালে, "অ' আপুনি বিহাৰী!" অসমত তিনি পুৰুষ বসবাস কৰিও, আৰু মোৰে নহয় মোৰ দেউতাৰো মাতৃ-ভাষা অসমীয়া হোৱা সত্ত্বেও কেৱল মোৰ অনা-অসমীয়া উপাধিটোৰ বাবেই তেখেতে মোক বিহাৰী বুলি কৰৰ প্ৰয়াস কৰিলে। উপাধি সলাই অসমীয়া হোৱা দুই-চাৰিটা পৰিয়ালৰ কথাও জানো। এই লোকসকলকো ওচৰ-চুবুৰীয়া থলুৱা লোকে যে বৰ ভাল চকুৰে নাচায় আমি তাৰ প্ৰমাণ পাইছো। বৈবাহিক সূত্ৰেও এওঁলোক অসমীয়া মানুহৰ লগত মিলি যোৱাৰ চেষ্টা কৰিছে।

আজিৰ পৰা প্ৰায় এশ বছৰৰ আগতে আমাৰ ককা সৈন্য বিভাগৰ চাকৰিত অসমলৈ আহি ইয়াতে বিয়া-বাৰু কৰাই থাকি যায়। তেওঁৰে নাতি এই পত্ৰ-লেখকক এদিন এজন স্থানীয় সাহিত্যিকে প্ৰশ্ন কৰিছিল, "হেৰা তেৱাৰী, তোমালোকে ঘৰত কি ভাষাত কথা পাতাহে ?"

ইয়াৰ বিপৰীতে আন এটা উদাহৰণ দিওঁ। এতিয়াৰ পৰা প্ৰায় চল্লিছ বছৰ আগতে পত্ৰ লেখক শ্বিলঙত থাকোঁতে তেওঁ কাম কৰা অফিচৰ ওপৰৱালা জন আছিল এজন খাঁটি চাহাব। কিন্তু তেওঁৰ জন্ম হৈছিল অবিভক্ত বংগদেশৰ বৰিশাল জিলাত। চাহাবে বাংলা ভাষা সলসলীয়াকৈ কব পাৰিছিল। এদিন অফিচৰ এজন বাঙালী কেৰাণীয়ে আন এজনক সুধিছে, "ওহে, আমাদেৰ সায়েবতো বেশ বাংলা বলতে পাৰেন; বোঝায় যায় না তিনি যে বাঙালী নন।" ইজনে তেতিয়া কলে, "ব'লবে না ? তিনি যে বাঙালী। ঐ যে বৰিশাল জেলায় ত তাৰ বাড়ি।" হায় ! শ্বেতকায় খাঁটি ইংৰাজৰ সন্তান হৈও বাংলা ভাষা কব পৰা বাবেই তেওঁ বাঙালীৰ মানত বাঙালী, আৰু আমাৰ মাতৃ-ভাষা অসমীয়া, অসমীয়াৰ লগত আমাৰ তেজৰ সংশ্ৰৱ, তথাপি আমি অনা-অসমীয়া ! ভাগ্যৰ কি বিড়ম্বনা !

এতিয়াৰ পশ্চিম বংগতো বহু দুবে, চৌবে, তেৱাৰী, শুক্ল আৰু নানান অনা-বাঙালী উপাধিধাৰী লোক আছে। সেই-সকলৰ ভাষা বাংলা আৰু বাঙালীয়ে তেওঁলোকক আকোঁৱালি লৈছে। অসমত কিন্তু কাকতে পত্ৰইহে আমি তেওঁলোকক অসমীয়া হ'বলৈ কওঁ, কাৰ্যতঃ আঁতৰাই থওঁ।

এইখিনিতে আৰু এটা কথা মনলৈ আহিছে। উজনি অসমৰ পৰা ওলোৱা এখন আলোচনীত এজন "সিং" (সিংহ) উপাধিধাৰী লোকে গড়কাপ্তানি বিভাগত ঠিকা পোৱা বুলি ওলাল আৰু তেওঁ অনা-অসমীয়া হৈ কেনেকৈ তেওঁ ঠিকা পালে সেই প্ৰশ্নও উত্থাপিত হ'ল। পাছত দেখা গ'ল,— এই "সিংহ" উপাধিধাৰী লোকজনৰ আইতাক আলোচনীখনৰ সম্পাদক মণ্ডলীৰ এজনৰ সম্পৰ্কীয়।

কথা আৰু নবঢ়াওঁ। আমি এটা বৃহৎ অসমীয়া জাতি গঠন কৰিবলৈ ওলাইছোঁ। অতীততো বহু জাতি উপজাতি, আৰ্য-অনাৰ্যৰ সংমিশ্ৰণত এটা অসমীয়া জাতি, অসমীয়া ভাষাই গঢ় লৈ উঠিছিল। এতিয়াও যি সকল নবাগত লোকে অসমীয়া ভাষাক নিজ মাতৃ-ভাষা ৰূপে ঘৰে-বাহিৰে গ্ৰহণ কৰিছে সেইসকলক সামৰি লৈ বৃহৎ অসমীয়া জাতি তথা সমাজ গঠন কৰোঁহঁক।

**—কেশৱ প্ৰসাদ তিৱাৰী,**
ডিব্ৰুগড়

## শিক্ষা ক্ষেত্ৰত দুৰ্যোগ

যোৱা কেই বছৰত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণৰ শতকৰা হাৰ এনেকুৱা : ১৯৮৪—৩৩·৮২, ১৯৮৫—২৯, ১৯৮৬—২২·৪৭ আৰু ১৯৮৭—২৪·০৪। উত্তীৰ্ণৰ হাৰৰ এই নিম্নমুখী গতিয়ে আমাক যিমান চিন্তাত পেলাব লাগিছিল সিমান চিন্তান পেলাব পৰা নাই। পশ্চিমবংগত এই পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ১৯৮৬ চনত আছিল ৫৭ শতাংশ, ১৯৮৭ চনত ই ৪১·০২ শতাংশলৈ নামে। এই নিম্নগামিতাত তাৰ শিক্ষাৰ লগত জড়িত সংগঠনসমূহে যথেষ্ট সজাগতাৰ ইংগিত দিছে। তাৰ শিক্ষক ফ'ৰামে উত্তীৰ্ণৰ হাৰৰ এই নিম্নগামিতাৰ বাবে তদন্তৰ দাবী জনাইছে, অন্যথায় আন্দোলনৰ ভাবুকি দিছে। এটা ছাত্ৰ সংগঠনেও এই বিষয়ত বিক্ষোভ প্ৰদৰ্শন কৰিছে। পৰীক্ষা নিয়ন্ত্ৰণ কৰা ব'ৰ্ডেও পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ কমাৰ কাৰণ ব্যাখ্যা কৰি বিবৃতি দিছে আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে কিছু ব্যৱস্থা লৈছে। কিন্তু অসমত এনে কোনো তৎপৰতা চকুত পৰা নাই। শিক্ষাৰ লগত জড়িত সংগঠনবোৰেও যথোচিত চিন্তা চৰ্চা কৰা বা কিবা কাৰ্যব্যৱস্থা হাতত লোৱা পৰিলক্ষিত হোৱা নাই। অসম চৰকাৰেও এই বিষয়ে কোনো কাৰ্যব্যৱস্থা লোৱা নাই যেনেই লাগে। পৰিষদৰ আৰু বিশ্ববিদ্যালয় কেইখনৰ অধীনৰ পৰীক্ষাসমূহৰ অৱস্থাও তথৈবচ বা ততোধিক বেদনাদায়ক। ছাত্ৰ, শিক্ষক, চৰকাৰ আৰু চিন্তাবিদসকলে আগবাঢ়ি আহি এই এই জাতীয় দুৰ্যোগটোৰ নিৰাময়ৰ ব্যৱস্থা হাতত ল'ব লাগে। তাকে নকৰিলে এই দুৰ্যোগটোৱে বানপানীৰ দৰেই বছৰে-বছৰে অসমক কোবাই যাব আৰু অপূৰণীয় ক্ষতি কৰিব।

**—হিৰণ্য কুমাৰ চলিহা,**
ডিব্ৰুগড় বিশ্ববিদ্যালয়

## আছাম ট্ৰিবিউন কাকত আৰু গোপীনাথ বৰদলৈ

ড° অনিল ফুকনে 'আলাঙ্কু' প্ৰবন্ধ সম্পৰ্কত এই কথা লিখিছে : (১/৯/৮৭) "... তাতে ক্ষুব্ধ হৈ মন্ত্ৰী গোপীনাথ বৰদলৈয়ে আছাম ট্ৰিবিউন কাকতলৈ চৰকাৰী বিজ্ঞাপন দিয়া বন্ধ কৰি দিছিল।" যিহেতু ড° ফুকনে "বৰদলৈ চৰকাৰ" বুলি নিলিখি "মন্ত্ৰী গোপীনাথ বৰদলৈয়ে" বুলি লিখিলে, গতিকে ই আমাৰ চকুত নতুন কথা যেন লাগিছিল। আমি ইমান দিনে,— হয়তো আমাৰ অসম্পূৰ্ণ অনুসন্ধান আৰু আধৰুৱা জ্ঞানৰ দোষতেই,— এই ঘটনাটো ১৯৪৮ চনত প্ৰচাৰ মন্ত্ৰী মৌলানা তৈয়বুল্লা আৰু প্ৰচাৰ বিভাগৰ তেতিয়াৰ সচিব সুৰেশ চন্দ্ৰ ভট্টাচাৰ্যৰ বিবেচনাতেই হোৱা বুলি বুজি আহিছো। ড° ফুকনে নিশ্চয় তথ্যৰ জোৰতেই উক্তিটো কৰিলে। তেওঁ অলপ বিতংকৈ এই চূড়ান্ত উক্তিটো সাব্যস্ত কৰিলে আমাৰ সকলোৰে উপকাৰ হ'ব।

**—নিৰোদ কুমাৰ বৰুৱা,**
ক'লন, পশ্চিম জাৰ্মেনি

**দুই**

ড° অনিল ফুকনে তেতিয়াৰ 'প্ৰধান মন্ত্ৰী' স্বৰ্গীয় গোপীনাথ বৰদলৈয়ে চৰকাৰী বিজ্ঞাপন বন্ধ কৰি ১৯৪৯ চনত আছাম ট্ৰিবিউন মাৰিবলৈ চেষ্টা কৰাৰ প্ৰসংগত এটা ভুল খবৰ আৰু তথ্য পঢ়ুৱৈৰ আগত দাঙি ধৰিছে। তেখেতে আছাম ট্ৰিবিউনত কেতিয়াও কাম কৰা মোৰ মনত নপৰে। গতিকে কিহৰ ওপৰত ভিত্তি কৰি কথা কেইষাৰ লিখিলে মই বুজিব নোৱাৰিলো।





OKDISCD

চৰকাৰৰ ব্যৱস্থাৰ পৰা আছাম ট্ৰিবিউন প্ৰায় বন্ধ হৈ যাব লগীয়া হৈছিল। সম্পাদকীয় শাখাটোত আমি মাত্ৰ ৪-৫ জনমানহে সাংবাদিক ৰলোঁগৈ। বাকীবোৰ চাকৰি এৰি গলগৈ, কাৰণ তেওঁলোকে ভৱিষ্যতটো বৰ উজ্বল নেদেখিলে। আমি দৈনিক ১৮ ঘণ্টালৈকে কাম কৰি কাগজ নিয়মিত ৰূপে উলিয়াই আছিলো। কিন্তু সেইটো ২-১ দিন সম্ভৱ হব পাৰে। তদুপৰি আছাম ট্ৰিবিউনৰ আৰ্থিক অৱস্থা বৰ বেয়া হৈ গ'ল। আমি বিভিন্ন নেতাক লগ ধৰি কাগজখনৰ সপক্ষে এটা ৰাজহুৱা মত গঢ়ি তুলিবলৈ চেষ্টা কৰিছিলো; কিন্তু বহুতে আমাৰ প্ৰতি কোনো সহানুভূতি নেদেখুৱালে। কিছুমানেতো দেখদেখকৈ চৰকাৰৰ ব্যৱস্থা সমৰ্থন কৰিলে। কোনো সৰ্বভাৰতীয় নেতাই ফুকনৰ অনুৰোধত বিবৃতি দি আমাক সমৰ্থন কৰা মনত নপৰে। যদি ড° ফুকনে এই বিষয়ে জানে, তেনেহলে আমাক জনালে ভাল পাম।

ড° ফুকনে লিখিছে যে আমাৰ ওপৰত "power corrupts, absolute power corrupt absolutly" বোলা উদ্ধৃতিৰ কাৰণে চৰকাৰে ব্যৱস্থা লৈছিল। কথাটো সম্পূৰ্ণ ভুল। আমাৰ ওপৰত চৰকাৰে লোৱা ব্যৱস্থাৰ কাৰণ হ'ল সেই কালৰ বিত্ত আৰু ৰাজহ মন্ত্ৰী স্বৰ্গীয় বিষ্ণুৰাম মেধিক লৈ লিখা এটা সম্পাদকীয়ৰ কাৰণেহে। সেই সময়ত অসমীয়া-বাঙালীৰ এটা বিৰোধ চলি আছিল। মেধি ডাঙৰীয়াই গুৱাহাটীলৈ আহোঁতে আগে-পিছে দুখন সশস্ত্ৰ পুলিছৰ ট্ৰাক লৈ অহা কথাৰ চোকা সমালোচনা কৰাৰ কাৰণেহে ঘটনাটো ঘটিছিল।

শেহত আমাৰ আৰ্থিক অৱস্থা এনে শোচনীয় হলগৈ যে দৰমহা দিবলৈও পইচা নাইকিয়া হ'ল। চৰকাৰৰ ক্ৰোধৰ কথা গম পাই আৰ্থিক সহায় কৰা লোকৰ সংখ্যাও কমি গ'ল। এদিন সন্ধিয়া স্বৰ্গীয় ৰাধাগোবিন্দ বৰুৱাৰ ঘৰত এটা গুৰুত্বপূৰ্ণ আলোচনা হ'ল। তাত স্বৰ্গীয় বৰুৱা, স্বৰ্গীয় লক্ষীনাথ ফুকন শ্ৰীগণেশ ফুকন আৰু ময়ো উপস্থিত আছিলো। ময়ে বৰ জোৰেৰে যুক্তি দেখুৱাইছিলো যে আমি আৱশ্যক হলে এখোজ তললৈ গৈ হ'লেও এটা মিটমাট কৰা উচিত হ'ব। বৰুৱাই ইতিমধ্যে যথেষ্ট ধন খটুৱাইছে। যথেষ্ট লোকচান ভৰিছে; এনে অৱস্থাত যদি আমি আঁকোৰগোজ হৈ থাকোঁ, তেন্তে কাগজখন বন্ধ হৈ যাব আৰু বহু দিনলৈ কোনেও এখন কাগজ উলিয়াবলৈ সাহ নকৰিব।

শেহত মোৰ পৰামৰ্শই কাম দিলে। ফুকনে এটা মনোৰম সম্পাদকীয় লিখিবলৈ সন্মত হ'ল আৰু সেইমতে লিখাত চৰকাৰী বিজ্ঞাপন পনৰ আহিবলৈ আৰম্ভ কৰিলে। উল্লেখযোগ্য যে স্বৰ্গীয় গোপীনাথ বৰদলৈৰ সেই সময়ত সৰ্বভাৰতীয় নেতাৰ ওপৰত যথেষ্ট প্ৰভাৱ আছিল। তেখেতৰ নিৰ্দেশতে ভাৰত চৰকাৰ আৰু ৰাজহুৱা প্ৰতিষ্ঠানবোৰেও আমাৰ বিজ্ঞাপন আৰু subscription বন্ধ কৰি দিছিল।

ইয়াৰ পৰা এইটো কথা স্পষ্ট হৈ পৰে যে ৰাধা গোবিন্দ বৰুৱাই ফুকনৰ পিছ ফালেৰে গৈ চৰকাৰৰ পৰা বিজ্ঞাপন গোটোৱা নাছিল। ড° ফুকনৰ এই উক্তিটো অকল সত্যৰ অপলাপেই নহয় ই বৰুৱাৰ প্ৰতি অসন্মানজনকো। মই ইয়াৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰোঁ।

এই গোটেই চৰকাৰী ব্যৱস্থাটোৰ পিছত এজন সেই সময়ৰ জন সম্পৰ্কৰক্ষী বিভাগৰ এছিষ্টেণ্ট ডাইৰেক্টৰ আছিল। সেই সময়ত তেখেতে কোৱা মনত আছে "কাগজৰ সম্পাদক আৰু ৰিপোৰ্টাৰেই সকলো কথা জানে বুলি ধৰি লব নালাগে। চৰকাৰেও কেনে ব্যৱস্থা লব লাগে জানে।"

চৰকাৰৰ লগত মিটমাট হৈ যোৱাৰ পাছত তেখেত সন্তৰ্পণে এটা সময়ত আছাম ট্ৰিবিউনৰ সহকাৰী সম্পাদক হয়হি। তাৰ পাছত তেখেত বাতৰি কাকতৰ স্বাধীনতাৰ ভব্য-গব্য পৃষ্ঠপোষক হল'গৈ!

ৰাধা গোবিন্দ বৰুৱাৰ নিচিনা এজন সিংহ পুৰুষ অসমত কুৰি শতিকাত নোলাব। মই তোষামোদকাৰী নহওঁ। সঁচা কথাহে কৈছোঁ।

—নৰেশ ৰাজখোৱা, গুৱাহাটী

## অতিশ্ৰী হতশ্ৰী

কাণ্ডজ্ঞানহীন এচাম যুৱ-ছাত্ৰক আজি ক্ষমতাৰ সোৱাদে মাতব্বৰ কৰিছে। তেওঁলোক এতিয়া প্ৰচলিত আইন-কানুনৰ বাহিৰত। 'ৰজাই ভুল কৰিব নোৱাৰে' বুলি বিলাতৰ ফালে এষাৰ কথা আছে, এতিয়া সেইষাৰ কথা অসম মুলুক পালেহি। ছাত্ৰসন্থাই ভুল কৰিব নোৱাৰে, নোৱাৰে অ.গ.প.ই, নোৱাৰে ছাত্ৰসন্থা অ.গ.পৰ স্তাৱক শ্ৰেণীয়ে।

অসমীয়া মাধ্যমৰ প্ৰত্যেকখন বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰত সেই সকল একো একোজন সিংহপুৰুষ, একো একোজন মাতব্বৰ প্ৰশাসক। প্ৰত্যেকেই মুখ্যমন্ত্ৰী, গৃহমন্ত্ৰী, শিক্ষামন্ত্ৰী। নিৰীহ ছাত্ৰ-ছাত্ৰী, শিক্ষক, কৰ্মচাৰীৰ ওপৰত উঠি-ৰজা বহি-ৰজা। কেইজনমান অধস্তন ছাত্ৰই ছাত্ৰৰ নাম লৈ সমগ্ৰ পৰিবেশটো কলুষিত কৰিছে। এনেবোৰ ধুৰন্ধৰেই কিন্তু এসময়ত তাপ মাৰি আছিল, আৰু কাগজৰ যোগেদি বিবৃতি দি আন্দোলন চলাই কিছুমান সৎ, সাধু, নিষ্ঠাবান ব্যক্তিক মৃত্যুৰ মুখলৈ ঠেলি দি, শ্বহীদ ঘোষণা কৰি জীয়াই থকাসকলক সান্ত্বনা দিছিল। তেওঁলোকৰ কোনো ৰাজ্যবাটলৈ ওলাই অহা নাছিল। ডকাহকা দি টকা সংগ্ৰহ কৰি দিব পৰা সকল নেতা হৈছিল। প্ৰতিবাদ কৰোঁতাসকলক নাম দিছিল বদন, বিভীষণ ইত্যাদি।

আজি দাবীৰ পাছত দাবী। বন্ধবোৰৰ সীমা ৰাজ্যৰ পৰা জিলা, জিলাৰ পৰা মহকুমা, মহকুমাৰ পৰা উন্নয়ন খণ্ড, উন্নয়ন খণ্ডৰ পৰা চুবুৰী পালেহি। নহলে এটা কাম কৰক। মুঠতে কিছুদিন ধৰি বন্ধকে ৰাখক; নেতা, উপনেতাসকলে বাটে ঘাটে কিছু সংগ্ৰহ কৰি জমা কৰি লওক, বাকীখিনি মৰিলেও মৰক।

হাতত হাতঘড়ি পিন্ধি সময়ৰ মূল্য নুবুজা, নম্ৰতা আৰু ভদ্ৰতাৰ মাপ কাঠী চিনি নোপোৱা, কামত ফাঁকি দিয়া, কাৰো মানসম্ভ্ৰমৰ ভু নোপোৱা এচাম তথাকথিত নেতাই কিন্তু অসমৰ যিকণ আছিল সেইকণো শেষ কৰিব। ১৯৯০ চনলৈ বাট চাওক। অতি শ্ৰী হ'লে হতশ্ৰী হয় বুলি এষাৰ কথা আছে। সোণৰ অসম গঢ়াৰ আগতে তামপিতলেৰে অসমৰ গঢ দিয়ক।

—হৰকান্ত দুৱৰা,
নামতিআলি, শিৱসাগৰ

## ৰাইজৰ পদধূলা

আজি কিছুদিন আগতে অসমৰ এখন ঠাইত এখন আদ্যশ্ৰাদ্ধৰ প্ৰত্যক্ষদৰ্শী বন্ধু এজনৰ অভিজ্ঞতা এনে ধৰণৰ: দেউতাক ঢুকাল। চুলি খুৰাব নে নুখুৰায়, সেই লৈ দুটা পক্ষ থকা সত্ত্বেও মেডিকেল কলেজৰ ছাত্ৰ হ'লেও পুতেকে চুলি খুৰালে। কিন্তু চুলি খুৰোৱাৰ পাছতো ৰাইজৰ এটা 'নিয়ম' বান্ধি দিয়া আছে। আদ্যশ্ৰাদ্ধৰ দিনা পদুলিমুখত এখন গামোছা পাৰি থোৱা হয়; সেইখনৰ ওপৰেদি খোজকাঢ়ি গৈ ৰাইজ মৃতকৰ চোতালত উপস্থিত হয়। এতিয়া সেই নিয়মটো হ'ল— গামোছাখনত ৰাইজে এৰি যোৱা পদধূলা অলপ মৃতকৰ পুতেকে তপামুৰত সানি ল'ব লাগে। যদিহে কোনোবাই লবলৈ অস্বীকাৰ কৰে তেন্তে ৰাইজেও আদ্যশ্ৰাদ্ধত খোৱা-বোৱা নকৰিব। আমি কাৰো নীতি-নিয়মলৈ কটাক্ষপাত কৰিব খোজা নাই; মাথোন ক'ব খুজিছোঁ,— এনেধৰণে আক্ষৰিক অৰ্থত 'পদধূলা' লোৱাটো কেতিয়াও বিজ্ঞানসম্মত পদ্ধতি নহয় আৰু এনে নিয়মৰ অবসান ঘটাব লাগে। মেডিকেল পঢ়া বিজ্ঞানৰ ছাত্ৰজনক এই বিষয়ে সোধাত ক'লে,— "দেউতাৰ আত্মাৰ শান্তিৰ বাবে নহ'লেও ৰাইজৰ সন্তুষ্টিৰ বাবেই এই নিয়ম মানিব লগা হৈছে।"

—ড° ধৰণীধৰ দাস, নিজ-জুলুকী, বৰমা





# নগালেণ্ডৰ নিৰ্বাচন আৰু অসম-নগালেণ্ড সীমা বিবাদ


আহোম ৰজাৰ শাসন কালতো অসমৰ সীমাত নগাই উপদ্ৰৱ কৰাৰ কথা পোৱা যায়। বৃটিছ শাসন কালত নগা পাহাৰ অসমৰে এখন জিলা হৈ পৰে। তেতিয়াও এচাম নগাই অবিভক্ত শিৱসাগৰ জিলাৰ সীমামূৰীয়া অঞ্চলসমূহত মাজে-মাজে উপদ্ৰৱ কৰাৰ ঘটনা ঘটিয়েই থাকিল।

১৯৬১ চনৰ জানুৱাৰী মাহত কেন্দ্ৰীয় চৰকাৰে পৃথক ৰাজ্যৰ মৰ্যাদা দিয়া আৰু ১৯৬৩ চনৰ ১ ডিচেম্বৰত পৃথক নগাৰাজ্যৰ উদ্বোধনৰ পাছৰে পৰা অসম-নগালেণ্ডৰ মাজৰ সীমা সমস্যাটোৱে মূৰ দাঙি উঠে। তেতিয়াৰে পৰা নগালেণ্ডে অসমৰ সীমাত অবিৰতভাৱে বেদখল চলাই আহিছে। ১৯৭৯ চন আৰু ১৯৮৫ চনত নগালোকে সেইৰাজ্যৰ পুলিছৰ সহযোগত সীমামূৰীয়া অসমৰ মেৰাপানী অঞ্চলৰ গাঁওসমূহত ব্যাপক হত্যা, লুটপাত অগ্নিকাণ্ড আদি সংঘটিত কৰে। তাৰ পাছত তেওঁলোকে অসমৰ সীমাৰ ভিতৰলৈ প্ৰৱেশ কৰি হাবি-বন কাটি খাস্তাং কৰা আৰু আনকি ঘৰ-দুৱাৰ, অফিছ আদিও পতাৰ অভিযোগ অধিক প্ৰকট হৈ উঠিল। দৈয়াং অঞ্চলত অসমৰ ভিতৰত পতা সেই ৰাজ্যৰ নিউলেণ্ড নামৰ মহকুমাটোৱেও এনেবোৰ কামত যে নগালেণ্ড চৰকাৰে সম্পূৰ্ণ পৃষ্ঠপোষকতা কৰি আহিছে তাৰ স্পষ্ট প্ৰমাণ দাঙি ধৰিছে।

নগালেণ্ডৰ ১৮ নৱেম্বৰত অনুষ্ঠিত হ'ব লগীয়া নিৰ্বাচনৰ বাবে বিবদমান অঞ্চলৰ সাতখন গাঁৱত ভোট কেন্দ্ৰ পতা লৈয়েই বৰ্তমানৰ গণ্ডগোলৰ সৃষ্টি হৈছে। অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই যোৱা ২৭ অক্টোবৰ দিনা নতুন দিল্লীত অনুষ্ঠিত ত্ৰিপাক্ষিক বৈঠকত নগালেণ্ডৰ মুখ্যমন্ত্ৰী হোকিছে ছেমাৰ উপস্থিতিত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীবুটা সিঙক স্পষ্টভাৱে জনাই দিছে যে নগালেণ্ডে দাবী কৰা বিবদমান অঞ্চলবোৰত ভোটকেন্দ্ৰ স্থাপন কৰিবলৈ অনুমতি দিয়াত তেওঁ কোনোমতেই সন্মতি জনাব নোৱাৰে। ইয়াৰ উপৰিও যোৱা ৯ নৱেম্বৰত মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত যোৱা অসমৰ তেৰজনীয়া সৰ্বদলীয় প্ৰতিনিধিদলটোৱেও শ্ৰীবুটা সিঙক লগ ধৰি উক্ত অঞ্চলসমূহত নগালেণ্ডৰ নিৰ্বাচনী প্ৰক্ৰিয়া বন্ধ ৰাখিবলৈ দাবী জনায়। নিৰ্বাচনী আয়োগে অসমৰ এই দাবীৰ বিপৰীতে সেই অঞ্চলসমূহত পূৰ্বৰ স্থিতাৱস্থা অব্যাহত ৰাখিবলৈহে নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় চৰকাৰেও নিৰ্বাচনী আয়োগৰ নিৰ্দেশ মানি চলিবলৈহে অসম চৰকাৰলৈ আহ্বান জনাইছে। ইয়াৰ অৰ্থ হ'ল সেই অঞ্চলত ভোট কেন্দ্ৰ স্থাপন কৰিবলৈ অসমে দিব লাগে।

এতিয়া এই পৰিপ্ৰেক্ষিতত উত্থাপিত হ'ব লগীয়া প্ৰশ্নটো হ'ল— অসমৰ সীমাৰ ভিতৰত নগালেণ্ডে চলোৱা এনেবোৰ বে-আইনী কাম-কাজ আৰু সীমান্তবাসী অসমৰ ৰাইজৰ ওপৰত চলোৱা অত্যাচাৰৰ প্ৰতি নগালেণ্ডৰ সকলো জনসাধাৰণৰ সমৰ্থন আছেনে? ১২ নৱেম্বৰৰ আছাম ট্ৰিবিউনত প্ৰকাশিত ই. ষ্টেফৰ্ড নামৰ এজন লোকৰ চিঠিখনৰ কথা এই সন্দৰ্ভত উল্লেখযোগ্য। চিঠিখনত তেওঁ লিখিছে,

দি হিন্দুৰ সৌজন্যত






OKDISCD

—"নগালেণ্ডৰ জনসংখ্যাৰ অধিকাংশই খৃষ্টান ধৰ্মী হোৱা বাবে ৰাজ্যখনক প্ৰায়ে খৃষ্টান ৰাজ্য হিচাপে উল্লেখ কৰা হয়। আৰু মুখ্যমন্ত্ৰী হোকিছে ছেমাকে ধৰি নগালেণ্ড চৰকাৰৰ অধিকাংশ বিষয়ববীয়ায়েই খৃষ্টান। নগালেণ্ডত অনেক খৃষ্টান গীৰ্জাও আছে। গতিকে মই ভাবোঁ, সীমান্তৰ দুয়োফালৰ জনসাধাৰণ মাজত শান্তি-সম্প্ৰীতি বজাই ৰখাৰ অৰ্থে এক বিশিষ্ট ভূমিকা পালন কৰাৰ ক্ষেত্ৰত ৰাজ্যখনৰ খৃষ্টান নেতাসকল আৰু গীৰ্জাসমূহৰ এক নৈতিক দায়িত্ব আছে।"

"আমাৰ উমৈহতীয়া প্ৰভু যিচুখৃষ্টই উপদেশ দিছে: "তোমাৰ ওচৰ চুবুৰীয়াক নিজৰ দৰেই মৰম কৰা।" (মেথিউ-২২:৩৯; মাৰ্ক ১২:৩১) আৰু আৰু "ইজনে সিজনক মৰম কৰা।" (জন ১৫:১২, ১৭)। গতিকে আমি যদিহে প্ৰকৃত খৃষ্টান আৰু যিছুখৃষ্টৰ অনুসৰণকাৰী হওঁ তেন্তে আমি ইজনে সিজনক আৰু ওচৰচুবুৰীয়াক নিজৰ দৰেই ভাল পাব লাগিব। ই স্পষ্টভাৱে বুজাইছে যে নগালেণ্ডৰ জনসাধাৰণে অসমৰ জনসাধাৰণক ভাল পোৱা উচিত আৰু অসমৰ লোকেও তাকেই কৰা উচিত। যদিও অসমৰ ভিতৰৰ কেতবোৰ অঞ্চল লৈ অসম আৰু নগালেণ্ডৰ মাজত বিবাদ চলি আছে ইতিমধ্যে বেয়াৰ ফাললৈ যোৱা পৰিস্থিতিক অধিক বেয়া কৰিবলৈ একোৱেই কৰা অনুচিত।"

"…কেইবছৰ মানৰ আগতে কিছুমান নিৰীহ লোকক হত্যা কৰা আৰু বৰ্তমান আকৌ অশান্ত হৈ উঠা মেৰাপানী অঞ্চলৰ একেবাৰে গাতে লাগি নগালেণ্ড সীমাৰ সিপাৰে লোথা নগাসকলৰ বসতি। গতিকে মই লোথা গীৰ্জা আৰু মোৰ লোথা ভাই-ভনীসকলক অঞ্চলটোত যাতে পুনৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ প্ৰতি চকু দিবলৈ গোহাৰি জনাওঁ।"…

আনহাতে আমি ব্যক্তিগতভাৱে লগ পোৱা অনেক নগা লোকৰপৰা আৰু নগালেণ্ডৰ ভূতপূৰ্ব মন্ত্ৰী স্বৰ্গীয় আনোৱাৰ হুছেইনৰ মুখে শুনামতে সীমান্তৰ এনেবোৰ কাৰ্যকলাপৰ প্ৰতি অনেক নগালোকৰে কোনো সমৰ্থন নাই।

এতিয়া আহোঁ স. অ. ছা. স.ৰ অৱৰোধ আৰু অসম বন্ধৰ কাৰ্যসূচীলৈ। অসম বন্ধৰ দিনা শিলপুখুৰী অঞ্চলৰ অসম আন্দোলনৰ সক্ৰিয় কৰ্মী কেইজনমান যুৱকে কোৱাকুই কৰিছে, —"স. অ. ছা. স.ই ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰিব খোজা ঠাইত পিকেটিং নকৰেগৈ কিয়? এনেদৰে অসম বন্ধ দিয়াৰ কিবা জানো অৰ্থ আছে?" অৰ্থনৈতিক অৱৰোধ কাৰ্যসূচীৰো প্ৰতিকূল সমালোচনা কৰা হৈছে। যিহেতু নগালেণ্ডৰ সৰ্বসাধাৰণ ৰাইজৰ সৈতে অসমৰ ৰাইজৰ কোনো বিৰোধ নাই, গতিকে এনেদৰে অৱৰোধ কাৰ্যসূচী লোৱাটো নীতি-বিগৰ্হিত কথা হৈছে বুলিয়েই মত প্ৰকাশ কৰা হৈছে। এই পৰিপ্ৰেক্ষিতত নগা ছাত্ৰ ফেডাৰেশ্যনৰ সৈতে আলোচনাত বহি সীমা বিবাদৰ নিষ্পত্তিৰ অৰ্থে চৰকাৰৰ ওচৰত হেঁচা দিয়াটোহে ছাত্ৰ সন্থাৰ বাবে বুদ্ধিমানৰ কাম হ'লহেতেন বুলি এই লোকসকলে ক'ব খোজে।

## চিয়াচিনত পুনৰ গুলীয়াগুলী

যোৱা ২৩, ২৪, ২৫ ছেপ্টেম্বৰৰ দিনা পাকিস্তানী সেনা বাহিনীয়ে চিয়াচিন গ্লেছিয়াৰৰ ভাৰতীয় অঞ্চলৰ ওপৰত পুনৰ গুলী বৰ্ষণ কৰে। পাকিস্তানী বাহিনীয়ে ছাল্টৰো প্ৰান্তৰেখাত (Saltoro Ridge) থকা ভাৰতীয় সেনাৰ ঘাটিলৈকে আৰোহন কৰিবলৈ চেষ্টা চলায় যদিও ব্যৰ্থ হয়। পাকিস্তানী পক্ষৰ ক্ষয়ক্ষতিও ব্যাপক হয়।

যোৱা কেইবা বছৰো ধৰি পাকিস্তানে ১৯,০০০ ফুট উচ্চতাত অৱস্থিত চিয়াচিন গ্লেছিয়াৰৰ ভাৰতীয় অৱস্থানৰ ওপৰত আক্ৰমণ চলাই আহিছে। ভাৰতীয় পক্ষৰ পৰাও প্ৰতিবাৰেই দৃঢ় প্ৰত্যুত্তৰ দি অহা হৈছে।

চিয়াচিন গ্লেছিয়াৰক নিজৰ দখললৈ আনিবলৈ পাকিস্তানে সঘনে চলোৱা আক্ৰমণৰ মূল কাৰণটো হ'ল— পাকিস্তান অধিকৃত অঞ্চলপৰা চীন অধিকৃত আকচাই চীন অঞ্চললৈ যাবলৈ এই গ্লেছিয়াৰেদি একেবাৰে চমু হয়।

অৱশ্যে যোৱা ছেপ্টেম্বৰত ভাৰতীয় অৱস্থানৰ ওপৰত কৰা গুলী বৰ্ষণক অনেকে ৰাজনৈতিক বুলিহে ক'ব খোজে। ৰাষ্ট্ৰপতি জেনেৰেল জিয়াউল হকে চিয়াচিন অঞ্চলটো ভাৰতৰপৰা পুনৰ অধিকাৰ কৰিব নোৱৰা বুলি দেশৰ ভিতৰত ব্যাপক সমালোচনাৰ সন্মুখীন হৈছে। এই সমালোচকসকলৰ ভিতৰত শ্ৰীমতী বেনজিৰ ভূট্টো আৰু ভালেমান প্ৰাক্তন সেনা বাহিনীৰ জেনেৰেলো আছে। এটা সফল আক্ৰমণে জীয়াৰ ভাবমূৰ্তি উজ্জ্বল কৰিব পাৰে বুলি ভাবিয়েই এই আক্ৰমণটো চলোৱা হয় বুলি কোৱা হৈছে। কিন্তু আক্ৰমণটো বিফল হোৱাৰ লগতে পাকিস্তানী পক্ষৰ হতাহতৰ সংখ্যাও ব্যাপক হোৱা বাবে জেনেৰেল জিয়া অধিক সমালোচনাৰহে সন্মুখীন হ'বলগীয়া হৈছে।

এই সম্পৰ্কত দেশ দুখনৰ মাজত দুবাৰকৈ আলোচনাও অনুষ্ঠিত হয়। প্ৰথম বাৰৰ আলোচনা ১৯৮৫ চনৰ ডিচেম্বৰ মাহত ইছলামবাদত অনুষ্ঠিত হয়। আলোচনাত ভাৰতীয় পক্ষৰ নেতৃত্ব কৰিছিল প্ৰতিৰক্ষা সচিব এছ. কে. ভাটনগৰে। আলোচনাত ভৱিষ্যতে কোনো আলোচনা নহয় বুলি ঠিক কৰাৰ বাহিৰে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নগ'ল। অৱশ্যে ১৯৮৬ চনৰ জুন মাহত নতুন দিল্লীত পুনৰ আলোচনা অনুষ্ঠিত হয়। এইবাৰো কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নগ'ল। দেশ দুখনৰ মাজত তাৰ পাছত আৰু বিষয়টো লৈ কোনো আলোচনা অনুষ্ঠিত হোৱা নাই।

—ইমৰান হুছেইন



# কুলদীপ নায়াৰ

## পলৰীয়া "পঞ্জাব সূত্ৰ"

সিদ্ধাৰ্থশংকৰ ৰায় মূলতঃ এজন ৰাজনৈতিক লোক। গতিকে তেওঁৰ আটাইবোৰ মন্তব্য মুখৰ কথাতে মানি ল'ব নোৱাৰি। কিন্তু তেওঁ যিহেতু পঞ্জাবৰ ৰাজ্যপাল, গতিকে তেওঁৰ বিবৃতিসমূহ উপেক্ষাও কৰিব নোৱাৰি। সেই কাৰণেই পঞ্জাবৰ সমস্যাৰ সমাধানৰ অৰ্থে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ হাতত এক "নিখুঁত সূত্ৰ" আছে আৰু সেইটো তেওঁ (শ্ৰীগান্ধীয়ে) উপযুক্ত সময়ত প্ৰকাশ কৰিব বুলি শ্ৰীৰায়ে কৰা দাবীৰ কিমানখিনি যুক্তিযুক্ততা আছে, নতুনদিল্লীত তাকে জানিবৰ কৈ মই চেষ্টা কৰিছিলো।

মোৰ প্ৰথম অনুসন্ধানৰ স্থান আছিল গৃহ মন্ত্ৰণালয়। মই লগ ধৰা বিষয়াসকলৰ নামবোৰ প্ৰকাশ কৰাটো সুবিবেচনাৰ কাম নহ'ব। কিন্তু প্ৰধানমন্ত্ৰীৰ মনতনো কি আছে তাৰ কোনো শুংসূত্ৰই তেওঁলোকৰ হাতত নাই। শ্ৰীৰায়ৰ মন্তব্যৰ ব্যাখ্যা হিচাপেও তেওঁলোকে একো ক'ব নোৱাৰিলে।

গৃহমন্ত্ৰী বুটা সিঙৰ সৈতে ঘনিষ্ঠ মহলটোৱে ক'লে যে প্ৰধান মন্ত্ৰীৰ মনত যদিহে কিবা আছে সেই বিষয়ে তেওঁ গৃহমন্ত্ৰীক এতিয়াও একো কোৱা নাই। প্ৰধান মন্ত্ৰীয়ে তেওঁক যি কৰিবলৈ কয় তেওঁ মাত্ৰ তাকে কৰি যায়। তেওঁৰ মন্ত্ৰণালয়ত কোনেও "প্ৰস্তাৱ" বা "সূত্ৰ" এটা উদ্ভাৱন কৰাৰ "অনুশীলন" কৰা নাই। কিন্তু গোটেই বিষয়টো প্ৰধানমন্ত্ৰীৰ সচিবালয়েই চোৱাচিতা কৰি আছে বুলি যে তেওঁলোকৰ ধাৰণা, সেইটো তেওঁলোকৰ কোনেও লুকুৱাই নাৰাখিলে।

গতিকে কিবা "নিখুঁত সূত্ৰ" আছে নেকি তাৰ খবৰ লবলৈ মই তালৈকে গ'লো। পিছে ক'তো নিশ্চিত উত্তৰ নাপালো। তাত মই গোটোৱা একমাত্ৰ খবৰটো হ'ল, ৰাজীৱ গান্ধীয়ে সন্ত্ৰাসবাদ ৰোধ কৰাৰ অৰ্থে ৰায়-ৰিবেইৰোৱে চলোৱা অভিযানটো সম্পূৰ্ণ হোৱালৈকে অপেক্ষা কৰিব খোজে। ৰাষ্ট্ৰপতিৰ শাসনকালো বঢ়োৱা হ'ব পাৰে।

বিদেশলৈ যোৱাৰ আগেয়ে কোনোবা এজনে ৰাজীৱ গান্ধীক পঞ্জাবত এটা সমাধান সম্ভৱ নে বুলি সোধোঁতে তেওঁ সম্ভৱ বুলিয়েই কৈছিল। "উপযুক্ত সময়ত আপোনালোকক জানিবলৈ দিম।" —প্ৰধান মন্ত্ৰীয়ে কৈছিল। প্ৰধানমন্ত্ৰীয়ে তেনেকৈ কোৱাটো অৱশ্যে একো ডাঙৰ কথা নহয়। পঞ্জাবক প্ৰধান মন্ত্ৰীয়ে এতিয়াও আইন-শৃংখলাৰ সমস্যা বুলিয়েই বিবেচনা কৰে। শ্ৰীৰায়েও তেনেকৈয়ে ভাবে। পশ্চিম বংগত শ শ নক্সালপন্থীক হত্যা কৰি "নক্সালপন্থী সমস্যা" নোহোৱা কৰা কথাটোৱে শ্ৰীৰায়ক এই পদ্ধতিৰ কাৰ্যকাৰিতা সম্পৰ্কে পতিয়ন নিওৱা যেন লাগিছে।

সন্ত্ৰাসবাদ এটা কাৰণ নহয়, ই পঞ্জাব সমস্যাটোৰ ফলহে। চৰকাৰে সমস্যাটোৰ মূল কাৰণটো, আৰু শিখসকলৰ বিচ্ছিন্ন হোৱাৰ অনুভূতিৰ কথা উপলব্ধি কৰাৰ সময় হৈছে। বাস্তৱিকতে এতিয়াৰ দৰে আগেয়ে কেতিয়াও পঞ্জাবখন ৰাজনৈতিক আলোচনাৰ বাবে ইমান উপযুক্ত আৰু সুবিধাজনক হৈ উঠা নাছিল। খালিস্তানৰ দৰে বাগাড়ম্বৰপূৰ্ণ কথাত কোনো লোকেই ভুল পথে পৰিচালিত হোৱা অনুচিত।

প্ৰথমবাৰৰ বাবে শিখ সম্প্ৰদায়ে সন্ত্ৰাসবাদ আৰু যুক্তিহীন হত্যাবোৰৰ বিৰোধিতা কৰিবলৈ লৈছে আৰু গুলীয়ে সমাধান দিব নোৱাৰে বুলি আকাল তথতৰ অস্থায়ী প্ৰধান দৰ্শন সিঙে প্ৰকাশ কৰা মতৰ সপক্ষে মত পৰিবৰ্তন কৰিবলৈ লৈছে। অবিৰাম ভাৱে চলি থকা হিংসাত্মক কাৰ্যৰ ফলত শিখসকল সাধাৰণভাৱে অতিষ্ঠ হৈ পৰিছে। চৰকাৰে এই বাতাবৰণৰ সুযোগ গ্ৰহণ কৰা উচিত।

কিন্তু ৰাজনৈতিক সূত্ৰৰ কথা কোৱাৰ কোনো অৰ্থ নাই। ইয়াৰ বাবে প্ৰথমে পৰিবেশো গঢ়ি তুলিব লাগিব। চৰকাৰে দুটা কামৰ জৰিয়তে শিখসকলৰ ক্ষেত্ৰত নিজৰ সৎ উদ্দেশ্যৰ প্ৰমাণ দিব লাগিব: প্ৰথমতে, ১৯৮৪ চনৰ নৱেম্বৰৰ হত্যাকাণ্ডবোৰত লিপ্ত থকাসকলক শাস্তি বিহিব লাগিব; আৰু দ্বিতীয়তে, যোধপুৰত থকা সকলকে ধৰি প্ৰমাণসিদ্ধ অভিযোগ নথকা শিখসকলক মুকলি কৰি দিব লাগিব।

যদি শিখসকলক তেওঁলোকৰ নিজৰ দেশৰ মানুহেই হনা আঘাতৰ উপশম অকল সময়েই ঘটালেহেঁতেন, তেন্তে হত্যাকাণ্ডবোৰ (অকল দিল্লীতে তেওঁলোকৰ প্ৰায় ৩,০০০ জনক হত্যা কৰা হয়) সংঘটিত কৰাৰ পাছৰ এই আঢৈ বছৰেই যথেষ্ট হ'লহেঁতেন। কিন্তু এজন শিখৰ লগত কথা পাতিলেই ঘাটুকুৰা এতিয়াও কিমান কেঁচা হৈ আছে— সেই কথা গম পোৱা যায়। অপাৰেশ্যন ব্লুষ্টাৰ তেওঁলোকৰ বাবে এক মৰ্মান্তিক অভিজ্ঞতা আছিল; কিন্তু ইন্দিৰা গান্ধীৰ হত্যাৰ পাছত তেওঁলোকৰ সম্প্ৰদায়টো নিৰ্বিচাৰ হত্যাকাণ্ডৰ বলি হোৱা ঘটনাই শিখ মানসিকতাক তাতোকৈ বেছি আঘাত দিলে!

মই ভাবোঁ, চৰকাৰ নামৰ যোগ্য যি কোনো চৰকাৰে দিল্লীৰ হত্যাসমূহৰ বাবে দায়ীসকলক বিচাৰি উলিয়াই কামটো আৰম্ভ কৰিলেহেঁতেন। কিন্তু হত্যাসমূহৰ বাবে কাকো ধৰা নহ'ল, কাকো আদালতত অভিযুক্ত কৰা নহ'ল। প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীয়ে দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবীটো গুৰুত্বৰে নললে; কাৰণ তেওঁৰ প্ৰথম ৰাজহুৱা বিবৃতিটো আছিল, এজোপা ডাঙৰ গছ বাগৰি পৰিলে মাটি কঁপিবই। (ডাঙৰ গছ জোপা মানে ইন্দিৰা গান্ধী।)

ইয়াৰ পাছত ৰাইজ আৰু বাতৰিকাকতৰ ব্যাপক সমালোচনাৰ সন্মুখীন হৈ তেওঁ কলে যে তেওঁ তদন্তৰ বিৰোধী, কাৰণ তদন্তই ঘাবোৰৰ আকৌ মুখ খুলিব। এইটো এটা আচৰিত ধৰণৰ প্ৰতিক্ৰিয়া; কাৰণ অপৰাধবোৰ নিশ্চিত কৰিবলৈ কৰা এক তদন্তইহে



OKDISCD

আঘাতৰ উপশম ঘটাব পাৰিলেহেঁতেন। হিন্দু জনমতৰ ব্যাপক অংশয়ো এই দাবীটো সমৰ্থন কৰিছিল। অৱশেষত যেনিবা প্ৰধান মন্ত্ৰীয়ে এখন আয়োগ গঠন কৰিবলৈ আগ বাঢ়ি আহিল।

এনে এটা তদন্তৰ ক্ষেত্ৰত চৰকাৰে ইচ্ছাকৃতভাৱে হোহঁকা-পিছলা কৰি থকাটো ভুল হৈছে। পলম কৰা কথাটোৱে ভালেমান সন্দেহৰ উদ্ৰেক কৰিবই, আৰু মুকলিভাৱেই কোৱা হ'ব যে শাসকদলে ইয়াৰ কেতবোৰ দোষী সদস্যক সুৰক্ষা দিব খোজে অথবা প্ৰমাণসমূহ নোহোৱা কৰিবলৈ তেওঁলোকক সময় দিব খোজে। নৃশংস হত্যাকাণ্ডসমূহত জড়িত থকা বুলি উচ্চ পৰ্যায়ৰ কেইজনমান লোকৰ নামো উল্লেখ কৰা হৈছে।

আনকি যেতিয়া ন্যায়াধীশ ৰংগনাথ মিশ্ৰৰ নেতৃত্বত এখন আয়োগ নিযুক্তিৰ কথা অনিচ্ছাৰে ঘোষণা কৰা হ'ল আৰু প্ৰক্ৰিয়াটো আৰম্ভ হ'ল, তেতিয়াও সাক্ষীসকলক প্ৰভাৱান্বিত কৰিবলৈ আৰু অশান্তিৰ বলি হোৱা পৰিয়ালসমূহক তেওঁলোকৰ হলফনামা দাখিল কৰাৰ পৰা বিৰত কৰিবলৈ ব্যাপক হেঁচা প্ৰয়োগ কৰা হৈছিল। দুষ্কৰ্মত সহায় কৰা বুলি অভিযোগ থকা চৰকাৰ আৰু ই-কংগ্ৰেছ দলৰ কিছুমান লোকে তেওঁলোকৰ অনুকূলে প্ৰমাণ পত্ৰ গোটাবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিছিল। আয়োগৰ প্ৰতিবেদনখন যে মানুহক দেখুউৱা বিধৰহে হ'ল তাত আচৰিত হ'বলগীয়া একো নাই।

বহুতো শিখক, হয় ৰাষ্ট্ৰীয় সুৰক্ষা আইন, সন্ত্ৰাসবাদী আৰু ধ্বংসাত্মক কাম-কাজ (প্ৰতিৰোধ) আইন অথবা আন ব্যৱস্থাসমূহৰ অধীনত বিনা বিচাৰে আটক কৰি ৰখা হৈছে। যোধপুৰত আটক হৈ থকাসকলৰ ভিতৰত কিছুসংখ্যক মহিলা আৰু শিশুও আছে। কল্পনাতো সন্ত্ৰাসবাদী বুলি ধৰিব নোৱৰা প্ৰকাশ সিং বাদল আৰু গুৰুচৰণ সিং তোহৰাৰ দৰে লোককো আটক কৰি ৰখা হৈছে। তেওঁলোকৰ আটাইৰে বিচাৰ কৰা উচিত আৰু তেওঁলোকৰ বিৰুদ্ধে চৰকাৰৰ হাতত যি প্ৰমাণেই নাথাকক, তাক এক বিশেষ আদালত দাখিল কৰা উচিত,— যাতে তেওঁলোকৰ গোচৰসমূহ শীঘ্ৰেই নিষ্পত্তি হয়।

কিছু সংখ্যক হিন্দু পঞ্জাবী আৰু অন্যান্য লোকে দুটা দাবী কৰি প্ৰধান মন্ত্ৰীলৈ লিখিছে: (১) নৱেম্বৰৰ হত্যাৰ ঘটনাসমূহত লিপ্ত থকাসকলৰ বিচাৰ হ'ব লাগে, আৰু (২) অপাৰেশ্যন ব্লু ষ্টাৰৰ সময়ৰপৰা আটক কৰি ৰখা শিখসকলৰ বিচাৰ লাগে অথবা তেওঁলোকক মুকলি কৰি দিব লাগে। আবেদনকাৰীসকলে প্ৰধানমন্ত্ৰীক সঁকিয়াই দিছে অহা ১৫ নৱেম্বৰৰ ভিতৰত দাবী দুটা মানি নললে অন্যান্যসকলৰ সৈতে তেওঁলোকে নিজকে গ্ৰেপ্তাৰৰ বাবে আগবঢ়াই দিব। হিন্দুসকলে এনেদৰে আগভাগ লোৱা কাৰ্যই চৰকাৰৰ মনত ৰেখাপাত নকৰিব পাৰে, কিন্তু ইয়াৰ দ্বাৰা শিখসকলে অনুভৱ কৰা উচিত যে অনেক হিন্দুৱে তেওঁলোকৰ (শিখসকলৰ) এভাগে কৰা ভুলৰ বাবে গোটেই সম্প্ৰদায়টোক দোষী সাব্যস্ত নকৰে।

অনেকে ভাবে যে পঞ্জাবীৰ আত্মিক বৈশিষ্ট্যৰ সপক্ষে কৰা দৃঢ় ঘোষণাই হয়তো পঞ্জাবৰ শিখ আৰু হিন্দুসকলৰ মাজৰ ব্যৱধান কমাব পাৰে। কিন্তু ধৰ্মীয় আৰু সংকীৰ্ণ ৰাজনীতিৰ ওপৰত দিয়া অধিক গুৰুত্বই ব্যৱধান বৃদ্ধি কৰিছে। পঞ্জাবীসকলে (শিখ আৰু হিন্দু উভয়ে) এদিন কোনো দ্বিতীয় শ্ৰেণীৰ নাগৰিক নথকা আৰু নিজকে পঞ্জাবী বুলি গৌৰৱ কৰিব পৰা এখন ধৰ্মনিৰপেক্ষ পঞ্জাব নতুনকৈ গঢ়ি তুলিব লাগিব। কিন্তু প্ৰথমে ইতিমধ্যে আঘাত পোৱা শিখ মানসিকতাৰ প্ৰতি মনোযোগ দিব লাগিব।

কাৰাগাৰৰপৰা লিখা এখন চিঠিত বাদলে ঠিকেই কৈছে যে পঞ্জাব সমস্যাটো "জটিল" কৰি পেলোৱা বাবে কেন্দ্ৰই দায়ী। অতীতে এই কথা নিশ্চিত কৰিছে, কাৰণ শ্ৰীমতী গান্ধীয়ে বহু কম খৰচতে ইয়াৰ সমাধান কৰিব পাৰিলেহেঁতেন। ৰাজীৱ গান্ধীয়ে স্বৰ্গীয় হৰচান্দ সিং লংগোৱালৰ সৈতে চুক্তিত উপনীত হৈ ইয়াৰ প্ৰায় সমাধান কৰিছিলেই। কিন্তু তেওঁ চুক্তিখনৰ ৰূপায়ণ নকৰিলে।

১৯৮৬ চনৰ ২৬ জানুৱাৰীৰ দিনটোৱেই বোধহয় সমগ্ৰ পৰিস্থিতিৰ বাবে চৰম মুহূৰ্ত আছিল। কাৰণ চুক্তিৰ দাবী অনুসৰি কেন্দ্ৰই সেই দিনা চণ্ডীগড় পঞ্জাবলৈ হস্তান্তৰ নকৰিলে। সময় বাগৰাৰ লগে-লগে সমস্যাটো অধিক জটিল হৈ পৰিল, আৰু ১৯৮৩ চনত সমাধান কৰিব পৰা যেন লগা সমস্যাটোৱে এতিয়া আন্তঃৰাষ্ট্ৰীয় বিস্তৃতি লাভ কৰিলে।

পঞ্জাবৰ এক বাতৰি কাকত গোষ্ঠীৰ এজন সম্পাদকে মোলৈ লিখিছে: "সন্ত্ৰাসবাদ এতিয়াৰ দৰে আগেয়ে ইমান সুস্পষ্ট কেতিয়াও নাছিল। বিপথে পৰিচালিত যুবকসকলক ৰাষ্ট্ৰীয় ঘাইসুঁতিলৈ ওভতাই অনাৰ সকলো প্ৰচেষ্টাই এতিয়া নিষ্ফল কচৰত যেনহে অনুভৱ হৈছে। যোৱা কেইমাহত আৰক্ষী আৰু অৰ্ধ-সামৰিক বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত মাজে মাজে কেইজনমান সন্ত্ৰাসবাদী নিহত কৰা অথবা কেতবোৰ কুখ্যাত সন্ত্ৰাসবাদীক গ্ৰেপ্তাৰ কৰা সত্ত্বেও দিনে-দিনে সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ভৰবেগ বাঢ়ি গৈছে। উল্লেখযোগ্য শিখ নেতা আৰু বুদ্ধিজীৱীসকল প্ৰকাশ্যে বা গোপনে যুৱকসকলৰ ফলীয়া হৈছে; তেওঁলোকৰে কিছুসংখ্যকে যুৱকসকলৰ হাতত লাকাম তুলি দিবলৈ সাজু আছে।"

চৰকাৰে যদিহে সন্ত্ৰাসবাদীসকলক হত্যা কৰাৰ পাছত একেবাৰে চাফা পৰিবেশ এটাত কামবোৰ আৰম্ভ কৰিব পাৰিব বুলি ভাবিছে, তেন্তে ভুল কৰিছে। কাৰণ সন্ত্ৰাসবাদীসকলৰ পথেৰে আৰু অধিক যুৱক আগবাঢ়ি আহিছে আৰু আগেয়ে B দলত থকাসকল এতিয়া A দললৈ উত্তীৰ্ণ হৈছে। ইয়াৰ এটা ৰাজনৈতিক সমাধান বিচাৰি উলিওৱাৰ অৰ্থে এক প্ৰচেষ্টাৰ আৰম্ভ হ'বই লাগিব; আৰু এই প্ৰচেষ্টা অতি শীঘ্ৰেই আৰম্ভ হ'ব লাগিব।





# চীনত ত্ৰয়োদশ কংগ্ৰেছ: *সংস্কাৰবাদৰ জয়লাভ*

ড° সুনীল পৱন বৰুৱা

চীনৰ অভ্যন্তৰীণ আৰু বৈদেশিক নীতিক বিশেষভাৱে প্ৰভাৱান্বিত কৰাৰ প্ৰচুৰ সম্ভাৱনাযুক্ত চীন কমিউনিষ্ট দলৰ ত্ৰয়োদশ কংগ্ৰেছৰ সামৰণি পৰিছে। প্ৰায় ৪৬ নিযুত সদস্য থকা কমিউনিষ্ট দলৰ ত্ৰয়োদশ কংগ্ৰেছৰ তাৎপৰ্যৰ কথা হ'ল— প্ৰায় এক দশক জুৰি বিশ্বৰ বৃহৎ সাম্যবাদী দেশখনত পৰীক্ষা-নিৰীক্ষা চলোৱা বিতৰ্কমূলক অৰ্থনৈতিক সংস্কাৰৰ ওপৰত দৃঢ় আস্থা প্ৰকাশ, আৰু ঐতিহাসিক লং মাৰ্চৰ লগত জড়িত চীনা কমিউনিষ্ট দলৰ আশীৰ দেওনা অতিক্ৰম কৰা, সৰ্বোচ্চ পদত অধিষ্ঠিত নেতৃবৃন্দৰ আনুষ্ঠানিক প্ৰস্থান। মাও জে দুঙৰ পৰৱৰ্তী চীনৰ লৌহ মানৱ শীৰ্ষস্থানীয় নেতা ডেং ছিয়াও পিঙে প্ৰত্যাশিতভাৱে দলৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰক কেন্দ্ৰীয় কমিটিৰ আনুষ্ঠানিক সদস্য পদ ত্যাগ কৰিছে। তেওঁৰ লগতে প্ৰেছিডেণ্ট লি ছিয়ান্নিয়ান (৮২) চেন ইয়ুন (৮২) আৰু পিং জেং (৮৫) ক্ষমতাৰ পৰা আঁতৰি গ'ল। ফলস্বৰূপে ক্ষমতাৰ সৰ্বোচ মঞ্চ প্ৰভাৱশালী পলিটবুৰ'ৰ স্থায়ী কমিটিলৈ চাৰিজন নতুন নেতা নিৰ্বাচিত হ'ল। যোৱা কিছুদিন ধৰি কমিউনিষ্ট দলৰ নেতৃত্বৰ বাবে তথাকথিত সংস্কাৰবাদী আৰু ৰক্ষণশীল গোষ্ঠীৰ মাজত চলি থকা টনা-আঁজোৰাৰ পটভূমিত পূৰ্বৰ কুৰি জনীয়া পলিটবুৰ'ৰ ন জন সদস্যই কেন্দ্ৰীয় কমিটিৰ সদস্য পদ হেৰুৱাব লগাটো বিশেষভাৱে মন কৰিবলগীয়া কথা।

মাও জে দুঙৰ সুদীৰ্ঘ ৪২ বছৰীয়া অপ্ৰতিদ্বন্দ্বী শাসনৰ ওৰ পৰাৰ লগে-লগে কমিউনিষ্ট চীনৰ আৰ্থ-সামাজিক দিশত এক গুণগত পৰিবৰ্তনৰ সূচনা হৈছে। ১৯৭৮ চনৰ একাদশ কংগ্ৰেছত চীনা কমিউনিষ্ট দলে প্ৰৰোক্ষভাৱে মাওবাদক ত্যাগ কৰিলে। চাৰি বছৰৰ পাছত ১৯৮২ চনত দলৰ গুৰুত্বপূৰ্ণ দ্বাদশ কংগ্ৰেছে দেশখনৰ আৰ্থ-সামাজিক দিশত আধুনিকতা আনিবলৈ সমাজবাদ প্ৰতিষ্ঠাৰ বাবে এক নতুন দলীয় নীতি প্ৰবৰ্তনৰ সিদ্ধান্ত কৰে। সদ্যসমাপ্ত ত্ৰয়োদশ কংগ্ৰেছৰ উদ্দেশ্য আছিল মাও মতাদৰ্শৰ পৰা ভালেখিনি আঁতৰি অহা ডেং ছিয়াও পিঙৰ নেতৃত্বাধীন কমিউনিষ্ট দলৰ যোৱা এটা দশকৰ কাম-কাজৰ বিচাৰ কৰা। ত্ৰয়োদশ কংগ্ৰেছৰ জৰিয়তে ডেং দলৰ আনুষ্ঠানিক নেতৃত্বৰ পৰা আঁতৰি গলেও বাস্তৱিকতে দলৰ ওপৰত তেওঁৰ চিন্তাধাৰাৰ প্ৰভাৱ বৰ্তি থাকিল। দলৰ প্ৰধান সচিব ৰূপে মনোনীত হোৱা প্ৰধান মন্ত্ৰী জাও জিয়াং ডেঙৰ নিৰ্বাচিত উত্তৰাধিকাৰী বুলি ইতিমধ্যে জনাজাত। আনহাতে, দলৰ তিনিটা শীৰ্ষস্থানীয় পদবীৰ পৰা পদত্যাগ কৰিলেও ডেং শক্তিশালী কেন্দ্ৰীয় সামৰিক কমিটিৰ চেয়াৰমেন ৰূপে পুনৰ নিযুক্ত হৈছে। এই কথা স্মৰণযোগ্য যে দলৰ পৰা ব্যক্তিপূজাৰ অৱসান ঘটাবলৈ দ্বাদশ কংগ্ৰেছত চেয়াৰমেন পদৰ বিলুপ্তি ঘটোৱা হৈছিল আৰু প্ৰধান সচিবৰ ক্ষমতাও ভালেখিনি হ্ৰাস কৰা হৈছিল। এনে অৱস্থাত পৰ্যবেক্ষকসকলে ধাৰণা কৰে যে বৰ্তমানো কমিউনিষ্ট দলৰ নেতৃত্বৰ ওপৰত ডেঙৰ প্ৰভাৱ বাহাল থাকিব।

সাম্প্ৰতিক চীনৰ শীৰ্ষস্থানীয় ব্যক্তি, লং মাৰ্চৰ লগত জড়িত নেতাসকলৰ অন্যতম শেষ প্ৰতিনিধি ডেং ছিয়াও পিং ১৯৪৫ চনৰে পৰা চীনা কমিউনিষ্ট দলৰ প্ৰভাৱশালী কেন্দ্ৰীয় কমিটিৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছে। অৱশ্যে মাজতে দুবাৰ সাময়িকভাৱে তেওঁক ক্ষমতাচ্যুত কৰা হৈছিল। চীন-বিশেষজ্ঞসকলৰ মতে মাওৰ পৰৱৰ্তী চীন দেশত প্ৰায় এটা দশক জুৰি শাসনৰ গুৰি ধৰা ডেঙৰ প্ৰধান কৃতিত্ব হ'ল মুক্তদ্বাৰ অৰ্থনীতি আৰু অভ্যন্তৰীণ সংস্কাৰ। এই অভিযানৰ নেতৃত্ব গ্ৰহণ কৰি দহবছৰৰ পূৰ্বে মাও জে দুঙৰ আমোলত দলৰ মাজত দেখা দিয়া ত্ৰুটি-বিচ্যুতিসমূহ দূৰ কৰিবলৈ "মনৰ মুক্তি" আৰু লগতে মাওৰ নিজৰে উক্তি— "তথ্যৰ পৰা সত্য অন্বেষণ" নীতিত ডেঙে গুৰুত্ব আৰোপ কৰে। এই দুঃসাহসিক অভিযানৰ মূল কথা হ'ল, এতিয়াৰে পৰা চীনত মাৰ্ক্সবাদ, লেনিনবাদ আৰু মাওবাদৰ ৰক্ষণশীলতাক পৰম পবিত্ৰ বুলি গণ্য কৰা নহ'ব। এই নতুন মতবাদৰ আধাৰতে অৰ্থনৈতিক সংস্কাৰৰ দিশত কমিউনিষ্ট চীনে বিতৰ্কিত মুক্তদ্বাৰ নীতি অৰ্থাৎ বিশ্ব অৰ্থনীতিৰ লগত খাপ খোৱা নীতি গ্ৰহণ কৰিবলৈ প্ৰয়াস কৰিছে। সমাজবাদী দেশে এনে নীতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত চীন দেশ হ'ল প্ৰধান। অৰ্থনৈতিক সংস্কাৰৰ ফলস্বৰূপে মাওৰ আমোলত প্ৰৱৰ্তিত সমূহীয়া নিয়ন্ত্ৰণৰ কটকটীয়া বান্ধোন খুলি দিয়াত কৃষি খণ্ডত দীৰ্ঘদিন চলি থকা স্থবিৰতাৰ অৱসান ঘটিছে। নতুন নীতিৰ মাধ্যমত লোকতান্ত্ৰিক চীন গণৰাজ্যই প্ৰথমবাৰৰ বাবে খাদ্যশস্যৰ আমদানিৰ ক্ষেত্ৰত কিছু পৰিমাণে নিৰ্ভৰযোগ্য অৱস্থা এটাত উপনীত হ'ব পাৰিছে। ঠিক তেনেধৰণে যোৱাদশকত গ্ৰাম্য উদ্যোগীকৰণেও নতুন উদ্দীপনা লাভ কৰিছে। বাস্তৱিকতে ডেঙৰ আমোলত অৰ্থনৈতিক উন্নয়নৰ দিশত চীন দেশত থকা প্ৰচুৰ সম্ভাৱনাৰ বিষয়ে নতুনকৈ উপলব্ধি কৰাত সহায় কৰিলে। কিন্তু ইয়াৰ আন এটা দিশো দেখা গ'ল। অৰ্থনৈতিক সংস্কাৰৰ লগে-লগে স্বাভাৱিকভাৱে গণতান্ত্ৰিক অধিকাৰ আৰু আধুনিকতাৰ ফালেও মানুহৰ মন ঢাল খালে। দেশখনৰ সামাজিক ইতিহাসৰ লগত পৰিচিতসকলৰ অভিমত হৈছে বিদেশী আক্ৰমণ আৰু অৰ্থনৈতিক শোষণৰ পটভূমিত উনবিংশ শতিকাৰ সামৰণিৰ পৰাই চীনা বুদ্ধিজীৱীসকলে তিনিটা লক্ষ্যৰ বাবে



OKDISCO

সংগ্ৰাম চলাই আহিছে। সেই লক্ষ্য কেইটা আছিল এখন শক্তিশালী দেশ, সমৃদ্ধিশালী লোক আৰু গণতান্ত্ৰিক চৰকাৰ। মাও জে ডুং সফলতাৰে প্ৰথম লক্ষ্যত উপনীত হ'ল। দ্বিতীয় আৰু তৃতীয় লক্ষ্যত কেনেকৈ উপনীত হ'ব পাৰিব সেইটো ডেং আৰু তেওঁৰ পৰবৰ্তী আমোলৰ কৰ্ম পদ্ধতিয়ে ঠিৰাং কৰিব। ইতিমধ্যে যোৱা বছৰৰ ডিছেম্বৰ মাহৰ পৰা ডেঙৰ অৰ্থনৈতিক তথা ৰাজনৈতিক সংস্কাৰৰ দোষ-ত্ৰুটি লৈ তুমুল বাক-বিতণ্ডা চলি আহিছে। সাম্যবাদৰ মূল লক্ষ্যৰপৰা আঁতৰি যোৱাৰ অভিযোগ তুলি ডেঙৰ সংস্কাৰ আঁচনিৰ বিৰোধিতা কৰা দলৰ ৰক্ষণশীল গোষ্ঠীৰ নেতৃত্ব দিছিল আন এগৰাকী বয়োবৃদ্ধ নেতা পেং জেঙে। দৰাচলতে চলিত বছৰৰ আৰম্ভণিতে কমিউনিষ্ট চীনত গণতান্ত্ৰিক অধিকাৰৰ দাবীত সংঘটিত ব্যাপক ছাত্ৰ-বিক্ষোভে ডেঙৰ উদাৰনৈতিক সংস্কাৰ আঁচনিৰ সফলতাৰ প্ৰতি এক প্ৰবল প্ৰত্যাহ্বান ৰূপে দেখা দিছিল। ডেঙৰ সংস্কাৰ নীতিৰ কু প্ৰভাৱক কেন্দ্ৰ কৰি দলৰ মাজত ডেং বিৰোধী ৰক্ষণশীল গোষ্ঠী অধিক সক্ৰিয় হৈ উঠে। ইয়াৰ ফলত ডেঙৰ সহযোগী দলৰ প্ৰধান সচিব হু ইয়াঙ বাঙে পদত্যাগ কৰিব লগা হ'ল। অৱশ্যে সেই সময়ত ডেং ছিয়াও পেঙে প্ৰধান মন্ত্ৰী জাও জিয়াং, উপ প্ৰধান মন্ত্ৰী তিয়ান জিইয়ুন আৰু দলৰ সচিব হু কিলিৰ পৰা দৃঢ় সমৰ্থন লাভ কৰিছিল। দলৰ ক্ৰম অনুসৰি এওঁলোক তিনিও দ্বিতীয় চামৰ নেতা, এওঁলোকৰ বয়স ৬০-৭০ বছৰৰ ভিতৰত। সম্প্ৰতি ত্ৰয়োদশ কংগ্ৰেছৰ সামৰণিত ডেঙৰ প্ৰতিদ্বন্দ্বী গোষ্ঠী এক-প্ৰকাৰ প্ৰভাৱশালী কেন্দ্ৰীয় কমিটিৰ পৰা পদচ্যুত হৈছে আৰু দলত ডেঙৰ অনুগামীসকলৰ প্ৰভাৱ বাঢ়িছে।

চীন কমিউনিষ্ট দলৰ প্ৰায় ২০০ জন সদস্যযুক্ত কেন্দ্ৰীয় কমিটি, দৈনন্দিন কাম-কাজৰ লগত জড়িত ১১ জনীয়া সচিবৰ কমিটি, দলৰ নীতিনিৰ্ধাৰণকাৰী ২০ জনীয়া পলিট-বুৰ' আৰু সৰ্বোচ্চ ক্ষমতাত অধিষ্ঠিত ৫ জনীয়া পলিটবুৰ' স্থায়ী কমিটিৰ নিৰ্বাচনা সকলো গুৰুত্বপূৰ্ণ মঞ্চত ডেঙৰ প্ৰাধান্য অব্যাহত থাকিল। বিশেষকৈ ডেং ছিয়াও পিঙৰ চিন্তাধাৰাৰ উত্তৰাধিকাৰী দলৰ কাৰ্যবাহী নেতা প্ৰধান মন্ত্ৰী জাও জিয়াং পুনৰ প্ৰধান সচিবৰ পদত অধিষ্ঠিত হ'ল।

যোৱা ৩৭ বছৰত প্ৰথমবাৰৰ বাবে উদ্বোধনী অধিবেশনত বিদেশী সংবাদদাতাক উপস্থিত থাকিবলৈ অনুমতি দিয়া কমিউনিষ্ট দলৰ ত্ৰয়োদশ কংগ্ৰেছত মূল উদ্বোধনী ভাষণ দি দলৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব জাও জিয়াঙে ইতিমধ্যে দলে গ্ৰহণ কৰা অৰ্থনৈতিক সংস্কাৰ তথা মুক্তদ্বাৰ নীতিৰ সাৰ্থকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিশ্বৰ বৃহৎ জনবসতিপূৰ্ণ দেশখনক প্ৰগতিৰ বাটত আগুৱাই নিবলৈ চলোৱা প্ৰচেষ্টাত দলৰ নেতৃবৃন্দই সন্মুখীন হোৱা আহুকালবোৰৰ কথা তেওঁ মুকলিভাৱে দাঙি ধৰি ইয়াৰ বাবে ঘাইকৈ ব্যাপক আমোলাতন্ত্ৰ আৰু দুৰ্নীতিক জগৰীয়া কৰে। এই আহুকালবোৰ দূৰ কৰিবলৈ তেওঁ চৰকাৰৰপৰা দলীয় কাৰ্যকলাপৰ পৃথকীকৰণ আৰু নিম্ন পৰ্যায়লৈ ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ঔপনিৱেশিক শাসনৰ পৰা মুক্ত হ'বলগীয়া হংকং আৰু মাকাওৰ পুঁজিবাদী জীৱনধাৰা অব্যাহত ৰখাৰ বাবে গুৰুত্ব আৰোপ কৰি জাও জিয়াঙে "এখন দেশ আৰু দুটা পদ্ধতিৰ" নীতি পুনৰ দোহাৰে। অৱশ্যে দলে গ্ৰহণ কৰা সংস্কাৰ নীতিৰ সন্দৰ্ভত তেওঁ এই কথাও স্পষ্ট কৰি দিয়ে যে তাৰ বাবে চীনে কমিউনিষ্ট দলৰ নেতৃত্ব ত্যাগ নকৰে। অথবা ক্ষমতাৰ বিভাজন আৰু ভিন ভিন দলে দেশ শাসন চলোৱা ৰীতি প্ৰৱৰ্তন নকৰে বুলি ত্ৰয়োদশ কংগ্ৰেছৰ প্ৰতিনিধিসকলক প্ৰতিশ্ৰুতি দিয়ে। এই কথা প্ৰণিধানযোগ্য যে এনে প্ৰতিশ্ৰুতি চীনত বুৰ্জোৱা গণতন্ত্ৰ প্ৰতিষ্ঠাত আগ্ৰহী আৰু ৰক্ষণশীল বাওঁপন্থীসকলৰ বাবে সতৰ্কবাণীস্বৰূপ। কংগ্ৰেছত উত্থাপিত জাও জিয়াঙৰ ৭০ পৃষ্ঠাৰ ৰাজনৈতিক প্ৰতিবেদনত ঘাইকৈ অভ্যন্তৰীণ বিষয়কহে প্ৰাধান্য দিয়া হৈছিল; বৈদেশিক নীতিয়ে সামান্য স্থানহে লাভ কৰিছিল। ইয়াৰ মূল কথা হ'ল চীনে এক স্বতন্ত্ৰ নীতি চলাই যাব আৰু বিশ্বৰ আন সকলো দেশৰ লগত বন্ধুত্বৰ সম্পৰ্ক বজাই ৰাখিব। কিন্তু অভ্যন্তৰীণ সমস্যাৰ লগতে শেহতীয়াভাৱে ডেঙৰ নেতৃত্ব বৈদেশিক ক্ষেত্ৰতো নতুন সমস্যাৰ সন্মুখীন হৈছে। ইতিমধ্যে চীনৰ দখলত থকা তিব্বতত কমিউনিষ্ট-বিৰোধী জনজাগৰণৰ বিষয়টোৱে কংগ্ৰেছত বিশেষ প্ৰাধান্য লাভ কৰিব বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছিল; কিন্তু প্ৰতিবেদনত তাৰ পোনপটীয়া উল্লেখ নাছিল। সাম্প্ৰতিক কালত চীন-মাৰ্কিন বন্ধুত্ব আন্তঃৰাষ্ট্ৰীয় ৰাজনীতিত এক উল্লেখযোগ্য ঘটনা। পুঁজিবাদী মাৰ্কিন যুক্তৰাষ্ট্ৰই ঘাইকৈ ছোভিয়েট বিৰোধী মনোভাব লৈয়েই কমিউনিষ্ট চীনৰ লগত বন্ধুত্ব বজাই ৰখাত গুৰুত্ব আৰোপ কৰে। কিন্তু তিব্বতৰ জন-জাগৰণত মাৰ্কিন মহলৰ পৰোক্ষ সমৰ্থন আৰু আনহাতে চীন-ছোভিয়েট সম্পৰ্কৰ উন্নতিৰ বাবে চলোৱা শেহতীয়া প্ৰচেষ্টাৰ পটভূমিতহে বৈদেশিক ক্ষেত্ৰত ডেং ছিয়াও পিঙৰ পৰবৰ্তী নেতৃত্বৰ সফলতা নিৰ্ণীত হ'ব।


প্ৰকাশৰ পথত

পৰিচিত কবি
মনজিৎ সিঙৰ
কবিতাৰ সংকলন
শব্দৰ সন্ধানত

ষ্টুডেণ্টচ ষ্ট'ৰচ
কলেজ হোষ্টেল ৰ'ড
গুৱাহাটী—৭৮১০০১




# চৰকাৰী আয়- ব্যয়ৰ পৰিকল্পনা, ৩১ মাৰ্চ আৰু অন্যান্য

পৰাগ কুমাৰ দাস

এক

কামৰূপ জিলাৰ অন্তৰ্গত বংশৰ অঞ্চলৰ কৃষক ৰাইজৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে ১৯৭৪ চনতে 'বংশৰ হাল'গাঁও গভীৰ নলীনাদ আঁচনি' নামৰ ২০'৯৮ লাখ টকাৰ জলসিঞ্চন আঁচনি এখন গ্ৰহণ কৰিছিল। মুঠ ২৬ টা গভীৰ নলীনাদ স্থাপন কৰি ৪১৬ হেক্টৰ কৃষিৰ মাটিত জলসিঞ্চনৰ দিহা কৰিবলৈ প্ৰস্তাৱ লোৱা এই আঁচনিখন ৰূপায়ণৰ দায়িত্ব প্ৰথমতে কৃষি বিভাগৰ অভিযান্ত্ৰিক শাখাটোৰ ওপৰতে ন্যস্ত কৰা হৈছিল। দুবছৰৰ পাছত, ১৯৭৬ চনৰ পৰা আঁচনিখন গ্ৰাউণ্ড ৱাটাৰ ডিভিজনলৈ হস্তান্তৰিত কৰা হয়। ১৯৮০ চনত আঁচনিখন আকৌ ক্ষুদ্ৰ জলসিঞ্চন উন্নয়ন নিগমৰ অধীনলৈ অনা হয়। তাতেই কামটো শেষ নহ'ল। ১৯৮২ চনৰ ১ জুনৰপৰা আকৌ আঁচনিখনৰ দায়িত্ব নিগমৰ হাতৰপৰা আনি জলসিঞ্চন বিভাগৰ ওপৰত ন্যস্ত কৰা হয়। ইমানবিলাক বিভাগৰ তত্ত্বাৱধানত 'প্ৰতিপালিত' হৈ অহাৰ পাছতো, আঁচনিখন কিন্তু আজিলৈকে কাৰ্যক্ষম হৈ নুঠিল। ১৯৭৬ চনতে আটাইকেইটা নলীনাদ বহুউৱাৰ কাম সমাপ্ত কৰা হ'ল যদিও, বিদ্যুৎ পৰিষদে সময়মতে বিজুলী সংযোগ দিব নোৱাৰাত সেইবোৰ ব্যৱহাৰ নোহোৱাকৈয়ে পৰি থাকিল। নলীনাদকেইটা বহুউৱাৰ এবছৰৰ ভিতৰতে চাৰিটাকৈ নলীনাদ সম্পূৰ্ণৰূপে নষ্ট হোৱা বুলিও চৰকাৰীভাৱে ৰিপ'ৰ্ট দিয়া হ'ল। আঠ বছৰৰ মূৰত, ১৯৮৪ চনত বিদ্যুৎ পৰিষদে মুঠ ১২ টা পইণ্টত বিজুলী সংযোগ দিলে যদিও, তাৰে মাত্ৰ এটা পইণ্টহে এতিয়া কাৰ্যক্ষম হৈ আছে। উপযুক্ত কোনো পৰিকল্পনা নোহোৱাকৈয়ে আঁচনিখন হাতত লোৱাৰ ফলত, কিছুমান নলীনাদ এনেকুৱা ভিতৰুৱা ঠাইত স্থাপন কৰা হ'ল যে, সেইবোৰত বিজুলী সংযোগ কৰিবৰ নিমিত্তেই যাতায়াতৰ কোনো সুচল নাই। কিন্তু যাতায়াতৰ সুচল থকা আটাইকেইটা পইণ্টতে যে বিজুলী সংযোগ কৰা হৈছে, সেইটোও নহয়; ঘাই আলিৰ দাঁতিতে থকা তিনি নম্বৰ পইণ্টটোত নলীনাদ আৰু সংলগ্ন নলাৰ নিৰ্মাণ কেতিয়াবাই সমাপ্ত হ'ল যদিও, যাতায়াতৰ সুবিধা থকা সত্ত্বেও পইণ্টটোত আজিলৈকে বিজুলী সংযোগ দিয়া

**প্ৰতিটো বিত্তীয় বছৰৰ শতকৰা সত্তৰ ভাগ কাম-কাজেই ফেব্ৰুৱাৰী মাৰ্চ মাহতহে হুৰমূৰকৈ কৰাৰ পৰম্পৰা চলি আহিছে।**

হোৱা নাই। নিষ্ক্ৰিয় হৈ পৰি থকা পইণ্ট কেইটাত বিজুলী সংযোগ দিবৰ নিমিত্তে যোৱা বছৰতে বিদ্যুৎ পৰিষদক অতিৰিক্ত নব্বৈ হাজাৰ টকা দিয়া হৈছিল যদিও, তাৰ বাবে পৰিষদে আজিলৈকে প্ৰয়োজনীয় কোনো ব্যৱস্থা হাতত লোৱা নাই। ব্যৱহাৰ নোহোৱাকৈয়ে ইমান বছৰ পৰি থকাৰ ফলত আটাইকেইটা নলীনাদেই এতিয়া সম্পূৰ্ণৰূপে নষ্ট হৈ গৈছে। তিনি বছৰতে সম্পূৰ্ণ হ'বলগীয়া এই আঁচনিখন এইদৰে তেৰ বছৰ ধৰি অসম্পূৰ্ণ হৈ থকা বাবে, অথবা ইমানখিনি ৰাজহুৱা ধনৰ অপব্যৱহাৰৰ বাবে কিন্তু কোনো বিভাগেই আজিলৈকে কাকো কৈফিয়ৎ দিবলগীয়া হোৱা নাই। সম্পূৰ্ণ পৰিত্যক্ত অৱস্থাত থকা কেইবা লাখ টকীয়া এই আঁচনিখন পুনৰাই কাৰ্যক্ষম কৰিবৰ নিমিত্তে জলসিঞ্চন বিভাগে সম্প্ৰতি নতুনকৈ পৰ্যায়ক্ৰমে কিছুমান ব্যৱস্থা হাতত লৈছে। তাৰে প্ৰথম পৰ্যায়ত, সাতোটা নলীনাদ পুনৰায় কাৰ্যক্ষম কৰি তুলিবৰ নিমিত্তেই এতিয়া মুঠ চৈধ্য লাখ টকাৰ অতিৰিক্ত খৰচ ধাৰ্য কৰা হৈছে; অথচ, আৰম্ভণিতে মুঠ ২৬ টা নলীনাদযুক্ত গোটেই আঁচনিখনৰ বাবেই সৰ্বমুঠ ২০'৯৮ লাখ টকাৰ ব্যয় ধাৰ্য কৰা হৈছিল। বিভাগীয় গাফিলতিৰ নিমিত্তেই অনিবাৰ্য হৈ পৰা এই অতিৰিক্ত ব্যয়ৰ বোজা মূৰকত সৰ্বসাধাৰণ ৰাইজেই বহন কৰিব লাগিব; অথচ সেই ব্যয়ৰ দ্বাৰা কোনোবা সাধাৰণ ৰাইজ যে কেতিয়াবা উপকৃত হ'ব, তাৰ নিশ্চয়তা কিন্তু কেতিয়াও কোনেও দিব নোৱাৰে।

জনজাতি উপপৰিকল্পনাৰ অধীনত ১৯৮৪-৮৫ চনতে কেন্দ্ৰীয় চৰকাৰৰ অনুদানেৰে ৰাজ্যখনৰ প্ৰতিটো সংহত জনজাতি উন্নয়ন প্ৰকল্প (আই. টি. ডি. পি.)ৰ পৰা একোখনকৈ গাঁও পঞ্চায়ত নিৰ্বাচন কৰি লৈ, সেইবোৰত বিস্তৃত উন্নয়নৰ আঁচনি কিছুমান গ্ৰহণ কৰা হৈছিল। সেই আঁচনিৰ অধীনতে শোণিতপুৰ জিলাৰ আমবাগান গাঁও পঞ্চায়তৰ নিমিত্তে উনৈছ লাখ টকা ব্যয়ৰ গভীৰ নলীনাদযুক্ত জলসিঞ্চন প্ৰকল্প এটাৰ অনুমোদন জনোৱা হৈছিল, আৰু পূৰ্ববৰ্তী চৰকাৰৰ দিনতে কাপোৰপোৱা গাঁৱত দুটাকৈ গভীৰ নলীনাদো বহুউৱা হৈছিল। তাৰ পাছত



OKDISCD

কিন্তু যোৱা দুবছৰে আঁচনিখন পৰিত্যক্ত অৱস্থাতে আছে; নতুনকৈ আৰু নলীনাদ বহুউৱাৰ কোনো চৰকাৰী প্ৰস্তুতি চলোৱা হোৱা নাই। স্থানীয় বিধায়ক শ্ৰীবিনাই খুংগুৰ বসুমতাৰীয়ে আমাৰ আগত অভিযোগ তোলা মতে, তেওঁ কেইবাবাৰো সংশ্লিষ্ট বিভাগত খা-খবৰ কৰিও আঁচনিখনৰ কোনো শুংসূত্ৰ বিচাৰি নোপোৱাৰ দৰে হৈছে; অথচ আঁচনিখনৰ নিমিত্তে কেন্দ্ৰীয় চৰকাৰৰপৰা পৃথকভাৱে বিশেষ অনুদান আগবঢ়োৱা হৈছিল। সেয়েহে এতিয়া শ্ৰীবসুমতাৰীয়ে অভিযোগ তোলাৰ প্ৰয়াস পাইছে যে 'জনজাতি স্বাৰ্থ-বিৰোধী' চৰকাৰে হয়তো জনজাতিৰ উন্নয়নৰ নিমিত্তে অহা সেই বিশেষ অনুদান আঁতৰাই আনি অইন আঁচনিত ব্যৱহাৰ কৰিছে, অথবা চৰকাৰী অনুদান (অপ) ব্যৱহাৰৰ সাধাৰণ প্ৰক্ৰিয়াত সেই ধনৰ অপচয় কৰা হৈছে। কাছাৰ জিলাৰ ১৯ নং আই. টি. ডি. পি. এলেকাৰ অন্তৰ্গত শিবস্থানত বহুউৱা উত্তোলক জলসিঞ্চন আঁচনিখনো ঠিক তেনেকুৱা অৱস্থাতে পোৱা গ'ল;— আঁচনিখনত অন্তৰ্ভুক্ত মুঠ পাঁচটা পাম্পছেটৰ ভিতৰত মাত্ৰ দুটাহে সম্প্ৰতি কাৰ্যক্ষম অৱস্থাত আছে, বাকীকেইটা আজি বহুদিন ধৰি বিকল হৈয়ে পৰি আছে। তাতে আকৌ বিজুলী যোগান ব্যৱস্থা অনিয়মীয়া হোৱা বাবে, কাৰ্যক্ষম হৈ থকা পাম্পছেট দুটাও প্ৰতিদিনে মাত্ৰ এঘণ্টাকৈহে চলে! আৰু এনেকৈয়ে কেইবা লাখ টকা ব্যয় কৰি হাতত লোৱা আঁচনিখন সৰ্বসাধাৰণ কৃষক ৰাইজৰ ব্যৱহাৰত নহাকৈয়ে অবাবতে ইমানদিনে পৰি আছে।

ৰাজ্য চৰকাৰৰ আৰক্ষী বিভাগে একোজন কনিষ্টবলৰ দৰমহা, সাজ-ৰেছন আদিৰ বাবদ প্ৰতিমাহে গাইপতি এহেজাৰ টকাতকৈও অধিক ধন ব্যয় কৰে; আনহাতে, একো-একোজন আৰক্ষী বিষয়াৰ বাসভৱনতে এনেকুৱা কেইবাজনো কনিষ্টবলে হাত-ধৰা লিগিৰা ৰূপে কাম কৰাটো আজিকালি সাধাৰণ কথা হৈ পৰিছে। কোনো কোনো আৰক্ষী বিষয়াই কনিষ্টবলৰ দ্বাৰা ব্যক্তিগত গাই-গৰু পোহা, পথাৰত খেতি-বাতি কৰোৱাৰ উদাহৰণো আছে। অথচ, এই আৰক্ষী বিভাগেই সীমিত জনশক্তিৰ দোহাই দি শান্তি-শৃংখলা ৰক্ষাৰ নিমিত্তে প্ৰতিবছৰে হাজিৰা ভিত্তিত অতিৰিক্ত গৃহৰক্ষী নিয়োগ কৰিবলগীয়া হৈ আহিছে। নতুন চৰকাৰে দহ টকাৰ নিম্নতম সীমা বান্ধি দিয়া মুদ্ৰাভিত্তিক দুৰ্নীতিৰ ভিতৰত নপৰাটোৱেই এনেকুৱা অপচয় নিয়মীয়া হৈ পৰাৰ যুক্তিযুক্ততা নিশ্চয় সাব্যস্ত কৰিব নোৱাৰে, কিন্তু কাৰ্যতঃ আজিকালি সেইটোৱেই হ'বলৈ ধৰিছে। (গুৱাহাটীৰ অভিজাত স্কুল কেইখনলৈ নিতৌ ল'ৰা-ছোৱালী থ'বলৈ আৰু নিবলৈ আহি ভিৰ কৰা অসংখ্য গাড়ীৰ শতকৰা সত্তৰভাগেই হৈছে ব্যক্তিগত কামত চৰকাৰী খৰচত ব্যৱহাৰ কৰা বিভাগীয় গাড়ী।) "এইবোৰ আগৰে পৰা ঘটি অহা ঘটনা, ইমান সোনকালে এইবোৰ আঁতৰাব পৰা হোৱা নাই" বুলি যদি যুক্তি দেখুউৱা হয়, তেনেহলে ভ্ৰমণৰত মন্ত্ৰী-বিধায়কৰ কনভয়ত অযথাকৈ যোৱা গাড়ী আৰু চৰকাৰী কৰ্মচাৰীৰ সংখ্যাও যোৱা দুবছৰে যে বৃদ্ধি পালে, তাৰ যুক্তি কি বুলি দেখুউৱা হ'ব?

গুৱাহাটী পৌৰ নিগমে যোৱা বিত্তীয় বছৰটোত নিগমৰ মুঠ চৌব্বিছখন গাড়ীৰ মেৰামতিৰ বাবদ সোতৰ লাখ টকা ব্যয়ৰ হিচাপ দেখুৱাইছে। মাত্ৰ এবছৰতে মেৰামতিৰ নিমিত্তেই খৰচ কৰা ইমানখিনি ধনেৰে নিগমে হয়তো আধা সংখ্যক গাড়ীয়েই নতুনকৈ কিনিব পাৰিলেহেঁতেন। যোৱা বছৰতে পৌৰ নিগমে প্ৰায় এঘাৰশ মজদুৰক এযোৰকৈ খাকী পোছাক দিয়াৰ বাবদ সাত লাখ টকা খৰচ হোৱা দেখুৱাইছে। এনেকুৱা অস্বাভাৱিক ব্যয়ৰ নিমিত্তে নিগমে কিন্তু আজিলৈকে কাকো কোনো কৈফিয়ৎ দিবলগীয়া হোৱা নাই। উপযুক্ত তদাৰকীৰ অভাৱত কৈফিয়ৎ দিয়াৰ দায়িত্ববিলাকো আজিকালি লাহে-লাহে শিথিল হৈ পৰিছে। শিলচৰ মহকুমাৰ অনুসূচীত জাতি সম্প্ৰদায়ৰ উন্নয়নৰ নিমিত্তে লোৱা পৰিকল্পনাৰ অধীনত প্ৰতিবছৰে বিভিন্ন বিভাগৰ যি বাৰ্ষিক বিনিধান (allocation) ধাৰ্য কৰা হয়, সেই ধন ব্যৱহাৰৰ দুটামান উদাহৰণ দিব খুজিছোঁ। আজমুৰ-শূলেৰপাৰ পথ আৰু দুধপাতিল— বাশেৰতল পথ, —এই দুটা পথ নিৰ্মাণৰ নিমিত্তে অনুসূচীত জাতি পৰিকল্পনাৰ অধীনত যোৱা তিনি বছৰে গড়কাপ্তানি বিভাগক যি বাৰ্ষিক বিনিধান দি অহা হৈছিল, তাত মাটিৰ কাম, গ্ৰেভেলিঙৰ কাম ইত্যাদিৰ বাবে পৃথককৈ অনুদান ধাৰ্য কৰা হৈছিল। কিন্তু, শিলচৰ মহকুমাৰ অনুসূচীত জাতি আৰু জনজাতি উন্নয়ন পৰিষদে এতিয়া আবিষ্কাৰ কৰিছে যে, উক্ত পথ দুটাৰ গ্ৰেভেলিঙৰ নিমিত্তে প্ৰতিবছৰে পৃথক অনুদান আগবঢ়াই অহা সত্ত্বেও যোৱা কেইবছৰত গ্ৰেভেলিঙৰ কাম একেবাৰেই কৰা হোৱা নাছিল; তেনেদৰে, পথ দুটাৰ প্ৰস্থও কাকতে-পত্ৰে দেখুউৱা হিচাপতকৈ বহুত কম পোৱা গ'ল। পথ দুটাৰ প্ৰস্থ হিচাপত দেখুৱাতকৈ কম হোৱাৰ ফলত, আৰু যোৱা কেইবছৰে গ্ৰেভেলিঙৰ কাম অকণো নকৰাৰ ফলত ৰৈ যাবলগীয়া ধনখিনিৰ কৈফিয়ৎ বিচাৰি পৰিষদে যোৱা জুন মাহতে গড়কাপ্তানি বিভাগৰ কাৰ্যবাহী অভিযন্তালৈ চিঠি লিখিলে (চিঠি নং এছ. ডব্লিউ. এছ. এল/ ১১-১২/৮৬-৮৭/২১-২১৩৫/ শিলচৰ ২৬/৬/৮৭) যদিও সেই বিভাগৰপৰা আজিলৈকে এই বিষয়ে কোনো কৈফিয়ৎ দিয়া হোৱা নাই। তেনেদৰে, অনুসূচীত জাতি পৰিকল্পনাৰ অধীনত শিলচৰ মহকুমাৰ বাবে পশু পালন বিভাগক প্ৰতি বছৰে যি বাৰ্ষিক বিনিধান দি অহা হৈছে, যোৱা ১৯৮৩-৮৪ চনৰ পৰাই সেই ধন খৰচ নোহোৱাকৈ পৰি আছে। যোৱা বছৰ এই শিতানত শিলচৰ মহকুমাৰ বাবে পশু পালন বিভাগৰ বিনিধানৰ পৰিমাণ আছিল ৩,১১,৬৯০ টকা; কিন্তু আগৰ কেইবছৰৰ ধনখিনিয়েই খৰচ কৰিব নোৱৰাৰ ফলত এইখিনি ধনো এতিয়া ব্যয় নোহোৱাকৈ পৰি আছে। এনেকুৱা কাম-কাজৰ তদাৰকীৰ নিমিত্তে পূৰ্ণাংগ চৰকাৰী প্ৰক্ৰিয়া এটা থকা সত্ত্বেও, বছৰৰ পাছত বছৰ ধৰি তেনে ঘটনাৰে পুনৰাবৃত্তি ঘটি থকাটো সঁচাকৈয়ে অতি দুৰ্ভাগ্যজনক।

ৰাজহুৱা ধনৰ অপচয় ৰোধ কৰিবৰ নিমিত্তে স্বাধীনতাৰ পাছৰে পৰাই কাকতে-পত্ৰে সদায়ে চৰকাৰী কাম-কাজৰ প্ৰতিটো পৰ্যায়তে উপযুক্ত পৰিকল্পনাৰ ওপৰত গুৰুত্ব দি অহা হৈছে যদিও, কাৰ্যক্ষেত্ৰত দৰাচলতে তাৰ ওলোটাটোহে দেখিবলৈ আৰম্ভ কৰিছোঁ। পৰিকল্পনা যিমানেই কম হয়, সিমানেই যিহেতু ৰাজহুৱা ধন অপচয়ৰ সুৰুঙা বৃদ্ধি পায়, গতিকেই আমাৰ সকলোৰে মাজত পৰিকল্পনাৰ মেৰপাকবিলাক এৰাই চলাৰ প্ৰৱণতাই ক্ৰমান্বয়ে গা কৰি উঠাটো পৰিলক্ষিত হৈছে। সেই একে কাৰণতে, বিভাগীয় দৈনন্দিন পৰিকল্পনাৰ কাম-কাজবিলাকো সময় মতে নকৰি পেলাই থৈ মূৰামূৰি সময়ত জধে-মধে কৰাটোও আজিকালি প্ৰায় নিয়মতে পৰিণত হৈছে। অইন নালাগে, ব্যষ্টিবাদী স্বাৰ্থৰ প্ৰতাপত, বানপানীৰ দৰে গুৰুতৰ জাতীয় সমস্যা এটাকো আনকি আমি সেই একে প্ৰবৃত্তিৰেই গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছোঁ। বানপানীৰ সমস্যাটো আজিকালি এক নিয়মীয়া সমস্যাত পৰিণত হোৱা সত্ত্বেও, তাৰ বিৰুদ্ধে যুঁজিবলৈ আমাৰ সীমিত আৰ্থিক সামৰ্থ্যকণৰ ব্যৱহাৰৰ নিমিত্তে আগতীয়া পৰিকল্পনা কেতিয়াও নকৰোঁ; জোৰ পুৰি হাত পোৱাৰ পাছতহে বানপানীয়ে সৃষ্টি কৰা সমস্যাৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ আমি সক্ষম হৈ পৰোঁ। গোটেই খৰালিৰ কালছোৱা হাত সাৰটি বহি থাকি বাৰিষা আৰম্ভ হোৱাৰ পাছতহে আমি বান্ধ নিৰ্মাণৰ পৰিকল্পনা হাতত লওঁ, পুৰণি মথাউৰিবান্ধত শিল-মাটি পেলাবলৈ আৰম্ভ কৰোঁ। তেনে কৰাৰ একমাত্ৰ কাৰণ হয়তো এইটোৱেই যে, বানপানীৰ সময়ত হোৱা খৰচৰ ক্ষেত্ৰত এক অৰ্থনৈতিক নৈৰাজ্যৰ সুবিধা পোৱা যায়;— ক'ত কিমান শিল-মাটি পেলোৱা হ'ল, কোনটো বান্ধ কেইবাৰ নতুনকৈ বন্ধা হ'ল, সেইবোৰ খৰচৰ কেতিয়াও কোনো প্ৰমাণ দিবলগীয়া নহয়। অলেখ ন-ন প্ৰতিশ্ৰুতিৰে ক্ষমতালৈ অহা গণ পৰিষদ চৰকাৰৰ দিনতো কিন্তু এই অলিখিত বিধি-বিধানবিলাক সেই একেদৰেই চলি আছে। অপচয় হোৱা ৰাজহুৱা ধনৰ বিস্তাৰিত প্ৰভাৱ হয়তো ইমানেই বেছি যে, এনেকুৱা এক উল্লেখনীয় ৰাজনৈতিক পৰিবৰ্তনেও আনকি স্থিতাৱস্থাৰ সংস্কাৰৰ কোনো নিশ্চয়তা দিব নোৱাৰিলে। বৰপেটা জিলাৰ আমগুৰি আৰু কমাৰগাঁও প্ৰটেকশ্যন স্কিমৰ অধীনত থকা বান্ধকেইটা এই বছৰ বাৰিষাৰ আগতেই মেৰামতি কৰিবৰ নিমিত্তে স্থানীয় বিধায়ক গৰাকীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক দুবাৰকৈ লিখিতভাৱে অনুৰোধ কৰিছিল; কৰ্তৃপক্ষয়ো সেইমতেই কামত লাগি যোৱাহেঁতেন, অলপ খৰচতে বান্ধকেইটা মেৰামত কৰি যথাসম্ভৱ বান প্ৰতিৰোধ কৰিব পৰা গ'লহেঁতেন। কিন্তু তাকে নকৰি, বাৰিষা আৰম্ভ হোৱাৰ পাছত বানপানীত আক্ৰান্ত হৈ বান্ধকেইটাৰ যেতিয়া খহনীয়াত যাওঁ-যাওঁ অৱস্থা হ'ল, তেতিয়াহে কৰ্তৃপক্ষই মেৰামতিৰ কাম আৰম্ভ কৰিলে। ফলস্বৰূপে পূৰ্বতকৈ কেইবা গুণে অধিক ধন ভৰিবলগীয়া হোৱাৰ লগতে সেই ধনৰ যথোপযুক্ত ব্যৱহাৰৰ সৈতেও মীমাংসাৰ প্ৰশ্ন আহি পৰিল। যোৱা বছৰৰ বানপানীৰ পাছত অসম বীজ নিগমে চাৰে সাত টকা কেজি হিচাপত আলুৰ বীজ কিনাৰ বাবে পোৱা সুবিধাকণো দৰাচলতে পৰিকল্পনাহীন নীতি-নিয়মৰে আশীৰ্বাদৰ ফল স্বৰূপ। (এই দুৰ্নীতিৰ কথা ৰাজহুৱাভাৱে সদৰি হোৱাৰ পাছতো চৰকাৰীভাৱে কিন্তু তদন্তৰ কোনো ব্যৱস্থা লোৱা হোৱা নাছিল; পাছত বিৰোধী পক্ষৰ হেঁচাত বিধান সভাৰ অধ্যক্ষইহে এখন তদন্ত কমিটি গঠন কৰি দিছিল। এই কমিটিৰ প্ৰতিবেদনো আজিলৈকে প্ৰকাশ পোৱা নাই)। বানপানীৰ তাণ্ডৱলীলা শাম কটাৰ লগে লগে সাধাৰণ কৃষক ৰাইজৰ সাহাৰ্যাথে প্ৰচুৰ পৰিমাণে বিভিন্ন শস্যৰ বীজৰ প্ৰয়োজন হোৱা কথাটো সৰ্বজনবিদিত; আনহাতে বানপানীৰ সমস্যাটো আজিকালি প্ৰায় নিয়মীয়া সমস্যা ৰূপেই পৰিণত হোৱাৰ পৰিপ্ৰেক্ষিতত এনেকুৱা প্ৰয়োজনৰ নিমিত্তে বিভাগীয় কৰ্তৃপক্ষক আগতীয়াকৈ সক্ষম কৰি ৰখাটোৱেই বাঞ্ছনীয়। ফচল চপোৱাৰ বতৰতে কম দামত বীজ কিনি সাঁচি থৈ প্ৰয়োজনৰ সময়ত বিতৰণৰ ব্যৱস্থা কৰিব পৰাহেঁতেন অতি কম খৰচতে বান প্ৰপীড়িত কৃষক ৰাইজৰ নিমিত্তে প্ৰয়োজন হোৱা বীজৰ সমস্যা সমাধান কৰিব পৰা গ'লহেঁতেন; কিন্তু, তাকে নকৰি বিভাগীয় দায়িত্বত থকাসকলে সদায়ে (উদ্দেশ্য প্ৰণোদিতভাৱে?) মূৰামূৰি

**এবাৰ চাকৰিত সোমোৱাৰ পাছতেই আমি সম্পূৰ্ণ পৃথক এক সামাজিক শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ পৰোঁ। য'ত বিশেষাধিকাৰ (প্ৰিভিলেজ) আৰু দায়িত্বৰ মাজত কোনো সম্পৰ্কই নাথাকে। আমাৰ বাবে চৰকাৰী চাকৰিৰ সূত্ৰই হৈ পৰে, দায়বদ্ধতাবিহীন সুৰক্ষিত আয়ৰ নিয়মীয়া উৎস।**

OKDISCD

**অসাধু ব্যৱসায়ী গোষ্ঠীটোৰ লগতে বিভাগীয় দায়িত্বত থকা সকলৰ চাল-চলনৰ নিয়ন্ত্ৰণৰ ওপৰতো সমানে গুৰুত্ব দিয়া উচিত**

সময়লৈকে ৰৈ থকাৰ ফলত, একেখিনি বীজকে চাৰি-পাঁচ গুণ দাম ভৰি কিনিবলগীয়া হয় আৰু প্ৰতিবছৰে কেইবা কোটি টকাৰ অপচয় কৰা হয়। যোৱা বছৰ ৰাজ্য চৰকাৰে বান-প্ৰপীড়িত কৃষক ৰাইজৰ সাহায্যাৰ্থে শেষ মুহূৰ্তত বীজ কিনিবলৈ গৈ দহ কোটি মান টকা (অপ)ব্যয় কৰাৰ পৰিবৰ্তে আগতীয়াকৈ দুই কোটি টকা মানৰে বাফাৰ ষ্টক এটা সাজু কৰি ৰাখিব পৰাহেঁতেন চৰকাৰী ধনৰ অপব্যৱহাৰ ৰোধ কৰাৰ লগতে কৃষক ৰাইজৰ প্ৰয়োজনো অধিক তৎপৰতাৰে পূৰণ কৰিব পৰা গ'লহেঁতেন। এনেদৰে বীজ মজুত ৰাখি পাছত প্ৰয়োজনত নাহিলে অযথা অৰ্থব্যয় হোৱাৰ আশংকা দূৰ কৰিবৰ নিমিত্তে যথোচিতভাৱে সেই বাফাৰ ষ্টকৰ বীমাও কৰি ল'ব পৰা গ'লহেঁতেন। কিন্তু তাকে নকৰাৰ ফলত হোৱা অপচয়ৰ তিক্ত অভিজ্ঞতাৰ ভিত্তিত চৰকাৰে অন্ততঃ এই বছৰৰ বাবে এনেদৰে আগতীয়াকৈ সাজু হোৱাটো আমি সকলোৱে বাঞ্ছা কৰিছিলো ; পিছে, পৰিকল্পনাহীনতাৰ দ্বাৰা উপকৃত হোৱাসকলৰ স্বাৰ্থই এইবাৰো হয়তো আকৌ আগভাগ পালে।

ৰাজ্যখনত চৰকাৰী ধন অপব্যৱহাৰৰ প্ৰসংগ উঠিলেই সাধাৰণতে আমি বিহাৰ আদি ৰাজ্যত এই সন্দৰ্ভত চলি থকা অৰাজকতাৰ সৈতে নিজকে তুলনা কৰি আত্মসন্তুষ্টি লাভৰ চেষ্টা কৰোঁ ; কিন্তু এইদৰে অইন কাৰোবাৰ অপকৰ্মৰ সৈতে ৰিজাই নিজস্ব অপকৰ্মৰ গ্ৰহণীয়তা সাব্যস্ত কৰিবলৈ বিচৰাটো যে প্ৰকৃততে দুৰ্নীতি পৰায়ণ আৰু পলায়নবাদী মনোবৃত্তিৰেই প্ৰকাশ, সেই কথা আমি স্বীকাৰ কৰিবলৈ টান পাওঁ। আনহাতে, তুলনামূলক বিশ্লেষণেৰে আত্মসন্তুষ্টি লভাৰ নিমিত্তে বিহাৰ আদি ৰাজ্যৰ প্ৰসংগ উত্থাপন কৰাৰ সময়ত আমি কিন্তু চৰকাৰী ধনৰ অপব্যৱহাৰ ৰোধ কৰাত সফলতা দেখুউৱা কৰ্ণাটক, মহাৰাষ্ট্ৰ আদি ৰাজ্যৰ কথা কেতিয়াও আলোচনাৰ অন্তৰ্ভুক্ত নকৰোঁ। তেনেদৰে, অপব্যৱহৃত চৰকাৰী ধনৰ অংশ আমাৰ প্ৰায় সকলোৱেই ভাগত কম-বেছি পৰিমাণে পৰা হেতুকেই হয়তো এই দুৰ্নীতিৰ বিষয়ে হোৱা আলোচনা-সমালোচনাবিলাক সদায় চ'বাহৰৰ আলোচনাৰ লেখীয়াকৈয়ে এক উৰ্ধ-তলীয় পৰ্যায়তে থাকি যায় ; তেনে পৰ্যালোচনাৰ সংশোধনী বা গঠনমূলক ক্ষমতা মুৰকত হয়তো একোৱেই নাথাকেগৈ। সমূহীয়া আলোচনাৰ সময়ত দুৰ্নীতিৰ ভয়াবহতা সম্বন্ধে আমি সকলোৱেই সদা-সচেতন যদিও, ব্যক্তিগত প্ৰয়োজনসাপেক্ষে কিন্তু দুৰ্নীতিৰ গ্ৰহণীয়তা সম্বন্ধেও আমি কেতিয়াও কোনো সন্দেহৰ অৱকাশ নাৰাখোঁ। দুৰ্নীতিৰ প্ৰমাণ হয়তো আমাৰ সকলোৰেই হাতে-হাতে আছে ; কিন্তু সেইবোৰ সদৰি কৰি নিদিওঁ এইবাবেই যে, সেই দুৰ্নীতিৰ আশীৰ্বাদৰ ভাগ লৈ আমি নিজেও কৃতাৰ্থ হৈ আছোঁ। চৰকাৰী আয়-ব্যয়ৰ পৰিকল্পনা সম্বন্ধীয় যিকোনো পৰ্যালোচনাৰে গঠনমূলক দিশটোৰ সীমাবদ্ধতাও আমাৰ এই ব্যষ্টিবাদী প্ৰবৃত্তি সমূহেই সদায় নিৰূপণ কৰি আহিছে।

দুই

ৰাজ্য চৰকাৰৰ নতুন সময়-সূচী অনুসাৰে চৰকাৰী কাৰ্যালয়সমূহ শনিবাৰে দিনৰ আঢ়ৈ বজাত ছুটী হোৱাৰ নিয়ম যদিও, দিছপুৰ সচিবালয়ৰ কৰ্মচাৰীসকলৰ যাতায়াতৰ সুবিধাৰ্থে দিয়া বিশেষ ছিটিবাছ কেইখন কিন্তু দুই বজাতেই ভতি হয়, — অৰ্থাৎ এই কৰ্মচাৰীসকলে ডেৰ মান বজাৰ পৰাই কাম সামৰি তৈয়াৰ হৈ বাছলৈ বুলি ঢাপলি মেলে। ৰাতিপুৱা কাৰ্যালয় আৰম্ভ হোৱা সময়ৰ অৱস্থাও তথৈবচ। চাৰে দহ বজাতো যিকোনো বিভাগতে কোনোবা এজন কৰ্মচাৰীকো কৰ্মৰত অৱস্থাত দেখিবলৈ পোৱাটো সৌভাগ্যৰ বিষয়। আজিকালি চৰকাৰে দুপৰীয়া কৰ্মবিৰতিৰ নিৰ্দিষ্ট সময় সীমা বান্ধি দিয়াৰ পাছতো যিকোনো সময়তে কাৰ্যালয়ত বিষয়া কৰ্মচাৰীৰ উপস্থিতিৰ পৰিসংখ্যা কিন্তু আগৰ দৰেই থাকিল। বৰঞ্চ, এঘণ্টাৰ বিৰতিত ঘৰলৈ গৈ দুঘণ্টা সময় নষ্ট কৰা বিষয়া-কৰ্মচাৰীৰ সংখ্যাহে বৃদ্ধি পালে। ২৯ আগষ্ট তাৰিখে আমি গোটেই দিনটো দিছপুৰ সচিবালয়ত উপস্থিত থাকি দৰ্শকৰ ৰূপত দুটামান বিভাগৰ বিষয়া কৰ্মচাৰীৰ গতি-বিধিৰ আভাস লৈছিলো। ৰাতিপুৱা দহ বজাৰ পৰা দহ বাজি বিছ মিনিট যোৱালৈকে, এই সময়ছোৱাৰ ভিতৰত আমি ভুমুকি মৰা কোনো এটা বিভাগৰে কোনো এখন মেজত এটা ফাইলো খোলা অৱস্থাত দেখিবলৈ নাপালো। তাৰে এটা বিভাগত দহ বাজি পঁচিছ মিনিটত চাৰিজন সহায়ক আৰু দুজন বিষয়া উপস্থিত আছিল যদিও, নিজৰ আসনত কিন্তু এজনো নাই। দহ বাজি চল্লিছ মিনিটত মাত্ৰ এজন সহায়কেহে কাম আৰম্ভ কৰিছে, বাকী কেইজনে তেতিয়াও কথাৰ মহলা মাৰিয়েই আছে। চাৰে বাৰ বজাত, সেই বিভাগটোত উপস্থিত থকা মুঠ এঘাৰজন সহায়কৰ ভিতৰত মাত্ৰ তিনিজনে কাম কৰি আছে, বাকী আঠজনে কথা পাতি, ইফালে সিফালে চাই সময় নষ্ট কৰি আছে। এগৰাকী মুদ্ৰালিখিকাৰ মেজত গোটেই আগবেলাটোত এখনো কাগজ দেখিবলৈ নাপালো। অইন এগৰাকী আকৌ, প্ৰায় এঘণ্টা সময় ধৰি আলোচনী এখন পঢ়াত মগ্ন ; ওচৰৰ মেজখনতে হোৱা সৰস আলোচনায়ো তেওঁৰ মগ্নতাত বিঘিনি ঘটাব পৰা নাই! দুপৰীয়া বাৰ বাজি পঞ্চাছ মিনিটত, ওচৰৰে অইন এটা বিভাগত কনিষ্ঠ বিষয়া এগৰাকীৰ সমুখতে সাতজনমান সহায়কে কাগজ-কলম সামৰি বাহিৰা কথাৰ আলোচনাত ব্যস্ত (আমোদজনকভাৱে, তেওঁলোকৰ আলোচনাৰ বিষয়বস্তু আছিল, চৰকাৰী দপ্তৰসমূহৰ অকৰ্মণ্যতা ; কাৰোবাৰ ব্ৰাদাৰ-ইন-লজনৰ চাকৰিৰ ছেংশ্যনটো হেনো ক্লাৰ্কৰ টেবুলতে দুমাহ পৰি থাকিল।) অইনবোৰ বিভাগতো আমি প্ৰায় একে ধৰণৰ অৱস্থাকে দেখিবলৈ পালো। কাৰ্যালয় চলি থকা সময়তে জনতা ভৱনত বিষয়া এগৰাকীক কম্পিউটাৰত ভিডিঅ' গেমছ খেলি থকা অৱস্থাত পালো (আমি সমুখত থিয় দি থকা সত্বেও প্ৰথমতে বিষয়াগৰাকীয়ে কেটকুটেই কৰা নাছিল ; পাছত 'সাংবাদিক' বুলি পৰিচয় দিয়াতহে সেমেনা-সেমেনিকৈ খেল সামৰিলে)। অইন এটা বিভাগত আকৌ আণ্ডাৰ ছেক্ৰেটেৰী পৰ্যায়ৰ বিষয়া এগৰাকীকেই মেজত টোপনিয়াই থকা অৱস্থাত আবিষ্কাৰ কৰিবলগীয়া হ'ল। ইমানবিলাক মন্ত্ৰী আৰু উচ্চপদস্থ বিষয়াৰ উপস্থিতিত সচিবালয়ৰ ভিতৰতে যদি এনেকুৱা অৱস্থা, দূৰৈৰ অইন কাৰ্যালয়বিলাকৰ পৰা নো আমি আৰু কি আশা কৰিম ?

সেইদিনাই আবেলি আমি মন্ত্ৰী এগৰাকীৰ সৈতে হোৱা সাক্ষাৎকাৰত আমাৰ দিনটোৰ অভিজ্ঞতাৰ কথা বৰ্ণাওঁতে তেখেতৰ তাৎক্ষণিক প্ৰতিক্ৰিয়া আছিল এনেকুৱা : "এই কৰ্মচাৰীখিনিয়ে আন্দোলনৰ সময়ত যিহেতু যথেষ্ট ছেক্ৰিফাইছ কৰিলে, গতিকে এতিয়া আমি কথাই পতি চকু দিলে তেওঁলোকে বেয়া পায়।" অস্তিত্ব ৰক্ষাৰ আন্দোলনত অংশ লোৱাৰ বিনিময়ত কি যে এক সুন্দৰ প্ৰতিদানৰ প্ৰত্যাশা !

উচ্চ পদস্থ বিষয়াসকলৰ ক্ষেত্ৰতো ঠিক একে ধৰণৰ অকৰ্মণ্যতাৰে প্ৰতিফলন দেখি আজিকালি আমি প্ৰায় অভ্যস্তয়েই হৈ পৰিছোঁ। বিভাগীয় মুৰব্বী হিচাপে বিষয়া এজনে যি নেতৃত্বৰ গুণ প্ৰদৰ্শন কৰা উচিত, আমাৰ উচ্চপদস্থ বিষয়াসকলৰ মাজত সেই গুণৰেই সবাতোকৈ অভাৱ হোৱাৰ ফলত, অধীনস্থ বিষয়া-কৰ্মচাৰীসকলৰ পৰা কাম আদায় কৰাত তেওঁলোক সদায় ব্যৰ্থ হয়। তেনেদৰে, নিজেই কামত ফাঁকি দিয়া, পলমকৈ অফিছলৈ আহি সোনকালে যোৱা, মেজত টোপনিয়াই থকা বিষয়াজনে স্বাভাৱিকতেই তেওঁৰ অধীনৰ কৰ্মচাৰীজনৰ পৰা কৰা প্ৰত্যাশাৰো সীমা বান্ধিব লগীয়া হয়। চৰকাৰী সময় অবাবতে নষ্ট কৰাতো এওঁলোক সিদ্ধহস্ত। দিল্লীলৈ ডেৰশ টকীয়া টেলিফোন কল এটাৰেই যিটো কাম গুৱাহাটীতে বহি সমাধা কৰিব পাৰি, তাৰ বাবেই চৰকাৰী খৰচত পৰিয়ালসহ দিল্লীত চাৰি দিনৰ টুৰ কৰি অহাটো আজিকালি একেবাৰে সাধাৰণ ঘটনাত পৰিণত হৈছে। তেনেদৰে নিজৰ ববীয়াকৈ কোনো সিদ্ধান্তলৈ পাছত নিজকে বিপদত সাঙুৰি পেলোৱাৰ ভয়ত, প্ৰতিজন উচ্চপদস্থ বিষয়াৰে মনত সৰু-সুৰা সিদ্ধান্ত লোৱাৰ পৰাও বিৰত থকাৰ এক প্ৰৱণতা দেখিবলৈ পোৱা যায়। নিজে সিদ্ধান্ত ল'ব লগীয়া কোনো ফাইল আহি মেজত পৰিলেই বিষয়াজনে প্ৰথমতে বিভিন্ন অজুহাতত ফাইলটো অইন এজনৰ মেজলৈ পঠিওৱাৰ চেষ্টা কৰে, আৰু অন্যথায় যিমান দিনলৈ পাৰি কোনো সিদ্ধান্ত নোলোৱাকৈ নিজৰ মেজতে ফাইলটো পেলাই ৰাখে। একো একোটা দায়িত্বপূৰ্ণ পদবীত থকা সকলৰে এনেকুৱা পলায়নবাদী প্ৰবৃত্তিৰ ফলত চৰকাৰী কাম কাজত কিদৰে ব্যাঘাত জন্মে পৰিকল্পনা ব্যাহত হৈ চৰকাৰী ধনৰ কিদৰে অপচয় হয়,— এইকণ কথাও উপলব্ধি কৰাৰ মানসিকতা নোহোৱা বিষয়াৰ সমষ্টিয়েই আজি আমাৰ প্ৰশাসনৰ চৰিত্ৰ নিৰূপণ কৰিছে।

পৰিকল্পিত অৰ্থনৈতিক বিকাশৰ আজি সাতত্ৰিছ বছৰৰ পাছতো চৰকাৰ বুলিলে কেৱল এগালমান চাকৰিৰ সমষ্টিহে মনলৈ অহা মানসিকতাকে খামোচ মাৰি ৰাখিব বিচৰা আমাৰ যি সমূহীয়া প্ৰবৃত্তি, সেইটো সঁচাকৈয়ে অতি দুৰ্ভাগ্যজনক। কিছুদিন আগতে জলসিঞ্চন বিভাগৰ মন্ত্ৰী গৰাকীৰ সৈতে হোৱা আলোচনা প্ৰসংগত তেখেতে উল্লেখ কৰিছিল যে, মন্ত্ৰীক দেখা কৰিবলৈ অহা সাক্ষাৎপ্ৰাৰ্থীৰ শতকৰা নব্বৈ ভাগৰেই মাত্ৰ এটাই অনুৰোধ — খেতিৰ এছোৱা মাটি ইৰিগেশ্যনৰ নলাত যোৱা বাবে ল'ৰাজনক এতিয়া এটা চাকৰিত সুমুৱাই দিব লাগে ; জলসিঞ্চন বিভাগে এছোৱা মাটি নিয়াৰ প্ৰতিদানত অৱশিষ্ট মাটিখিনিত পানী যোগান নিয়মীয়া কৰাৰ অনুৰোধ লৈ কিন্তু মন্ত্ৰীৰ ওচৰলৈ কোনো নাহে। আনহাতে, কেৱল চৰকাৰী চাকৰিটোৰ আশাকে বুকুত বান্ধি লৈ জীৱনৰ সংগ্ৰাম আৰম্ভ কৰি সপোন সাৰ্থক হোৱা ভাগ্যবান কেইজনেও কিন্তু পাছলৈ আৰু কেতিয়াও উভতি নাচায় ; একেলগে চাকৰি বিচাৰি হাবাথুৰি খাই বিফল হোৱা দুৰ্ভগীয়াজনৰ সৈতে চাকৰি পোৱা জনে নিজৰ সৌভাগ্যৰ তুলনা কৰি প্ৰতিদানত নিষ্ঠা সহকাৰে নিজ দায়িত্ব পালনৰ কথা ভবাৰ প্ৰয়োজনবোধ কেতিয়াও নকৰে। এবাৰ চাকৰিত সোমোৱাৰ পাছতেই আমি সম্পূৰ্ণ পৃথক এক সামাজিক শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ পৰোঁ, য'ত বিশেষাধিকাৰ (প্ৰিভিলেজ) আৰু দায়িত্বৰ মাজত কোনো সম্পৰ্কই নাথাকে। আমাৰ বাবে চৰকাৰী চাকৰিৰ সূত্ৰই হৈ পৰে, দায়বদ্ধতাবিহীন সুৰক্ষিত আয়ৰ নিয়মীয়া উৎস। চৰকাৰী কাৰ্যালয়সমূহত বৰ্তি থকা পুতৌজনক কৰ্মসংস্কৃতিৰ প্ৰসংগ উঠিলেই সাধাৰণতে আমি সোৰোপা অসমীয়া মানুহৰ জাতিগত চাৰিত্ৰিক দুৰ্বলতা কিছুমানৰ কথা উন্মুকিয়াই সান্ত্বনা লভাৰ চেষ্টা কৰোঁ ; পিছে, এইখিনিতে মন কৰিব লগীয়া কথা এয়ে যে, এই একেখিনি চৰকাৰী চাকৰিয়ালেই কিন্তু জৰুৰীকালীন অৱস্থাৰ কঠোৰ অনুশাসনৰ মাজত ৰাইজৰ চকুত লগাকৈ নিষ্ঠা সহকাৰে নিজ নিজ দায়িত্ব পালন কৰিছিল। এই উদাহৰণৰ দ্বাৰা আমি



OKDISCD

গণতান্ত্ৰিক স্বাধীনতাসমূহৰ নিয়ন্ত্ৰণৰ পোষকতা কৰিব খোজা নাই যদিও, সেই স্বাধীনতাসমূহৰ সামগ্ৰিক অপব্যৱহাৰৰ দিশটো কিন্তু আঙুলিয়াই দিয়াৰ প্ৰয়োজনবোধ কৰিছোঁ। বৰ্তমানে আমি যিবিলাক গণতান্ত্ৰিক অধিকাৰ উপভোগ কৰি আছোঁ, সেই একেখিনি অধিকাৰৰ সাব্যস্তকৰণৰ নিমিত্তেই পশ্চিমীয়া দেশবিলাকত কেইবা পুৰুষো ধৰি অবিৰত সংগ্ৰাম চলিছিল; দীৰ্ঘ দিনৰ ত্যাগৰ ফলতহে তেওঁলোকে বিভিন্ন গণতান্ত্ৰিক অধিকাৰসমূহ অৰ্জন কৰিবলৈ সক্ষম হৈছিল; কেইঘাপুৰুষৰ ত্যাগৰ প্ৰতীক স্বৰূপ হৈ পৰা এই অধিকাৰবিলাকৰ প্ৰকৃত মৰ্যাদাও সেয়েহে আজিও তেওঁলোকে যথাৰ্থভাৱে উপলব্ধি কৰি আহিছে। কিন্তু পশ্চিমৰ পৰা আমদানিকৃত আমাৰ সংবিধানপ্ৰদত্ত গণতান্ত্ৰিক অধিকাৰবিলাকৰ অন্তৰালত তেনে কোনো ঐতিহাসিক সংগ্ৰামৰ আবেগিক পটভূমি জড়িত নথকাৰ ফলত, এই অধিকাৰসমূহৰ মৰ্যাদা, বা সেইবোৰৰ বিপৰীতে থকা দায়বদ্ধতা, ইত্যাদি অনুভূতিবিলাক আমাৰ জাতীয় জীৱনত কেতিয়াও প্ৰতিফলিত নহ'ল। আৰু তাৰেই পৰিণতি স্বৰূপে, আমাৰ চৰকাৰী চাকৰিয়ালসকলৰ মনোবৃত্তিতো দায়বদ্ধতাবিহীন অধিকাৰ সাব্যস্তকৰণৰ প্ৰবৃত্তি এটা ক্ৰমান্বয়ে প্ৰকট হৈ পৰিছে; —শ্ৰেণীগত সা সুবিধা আৰু অধিকাৰসমূহৰ অৰ্জনতে ব্যস্ত থাকি আমি দায়িত্বলৈ পিঠি দিছোঁ; চৰকাৰৰ একো একোটা দুৰ্বল মুহূৰ্তত ধৰ্মঘটৰ ভাবুকিৰে বীৰত্ব প্ৰদৰ্শন কৰি সা-সুবিধা আদায়ৰ কাপুৰুষালিকো আনকি কেতিয়াবা অন্য এক গণতান্ত্ৰিক অধিকাৰ বুলিয়েই সাব্যস্ত কৰিছোঁ। এনেকুৱা এক ধ্বংসমুখী কৰ্ম-সংস্কৃতিৰ গৰাহত পৰি, নিতৌ ন-ন সংস্কাৰেৰে পুষ্ট হোৱা চৰকাৰী নীতি-নিয়ম, লক্ষ্য-আদৰ্শ ইত্যাদি সকলোবোৰেই সম্প্ৰতি আমাৰ বাবে প্ৰায় একেবাৰে অপ্ৰাসংগিক যেন হৈ পৰিছে। চৰকাৰ বুলিলে আজিকালি আৰু কেৱল দুৰ্নীতি আৰু অকৰ্মণ্যতাৰ সংমিশ্ৰিত চিত্ৰ এখনহে পোনছাটেই আমাৰ মনলৈ অহা হৈছে; অইন নালাগে, সৰ্বসাধাৰণ ৰাইজৰ মংগলাৰ্থে লোৱা নতুন নতুন উন্নয়নমূলক আঁচনিসমূহকো আনকি আমি চৰকাৰী ধন অপব্যৱহাৰৰ অন্য এক ছদ্মবেশী মাধ্যম ৰূপেহে গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছোঁ। (আগলৈ)






# ইউকেলিপটাছৰ সপক্ষে

তৰুণ চন্দ্ৰ শৰ্মা

ইউকেলিপটাছ গছৰ সপক্ষে আৰু বিপক্ষে অকল ভাৰততেই নহয়, পৃথিৱীৰ সকলো ঠাইতে উদ্ভিদবিজ্ঞানী, সমাজবিজ্ঞানী, পৰিৱেশবিজ্ঞানী, বনবিষয়াকে ধৰি নানা জনৰ নানা মত শুনা যায়। ইউকেলিপটাছ এবিধ সামাজিকভাৱে অদৰকাৰী বা অপকাৰী গছ হয়নে? এই কথাৰ সুচিন্তিত উত্তৰ বিচাৰি চোৱা যাওক।

ভৌগোলিক পৰিস্থিতি, জলবায়ু, মাটিৰ গঠন, লগতে পাৰিপাৰ্শ্বিকতাৰ লগত খাপখোৱা গছ ৰোপণ কৰাত দ্বিমত কাৰো থাকিব নোৱাৰে। এইটোও সত্য যে যি দেশৰ যি গছ, সাধাৰণতে সেই গছহে ৰুব লাগে।

১৭৮৮ চনত ইউকেলিপটাছ গছ পোন প্ৰথমবাৰৰ বাবে বৰ্ণনা কৰে ফৰাছী উদ্ভিদবিজ্ঞানী লা হেৰিটিয়াৰে (L' Heritier)। ১৮০০ চনলৈকে ১৯ বিধ ইউকেলিপটাছৰ প্ৰজাতিৰ নামকৰণ সম্ভৱ হয়। ইউকেলিপটাছৰ প্ৰায় ৫০০ মান জাতি আৰু ১৩৮ টা মান প্ৰজাতি (variety) আছে। ভাৰতলৈ ১৮৩৪ চনত কেপ্টেইন কটন (Capt. Cotton) চাহাবে এই গছৰ পুলি আনি নীলগিৰিত লগায়। তাৰ পাছত জেনেৰেল মৰ্গান (Gen. Morgan) চাহাবে ১৯৫৬ চনত ইয়াৰ খেতি কৰে। ১৯৬০ চনতহে ভাৰতীয় বন বিভাগে বিস্তৃত আকাৰত ইউকেলিপটাছৰ বনানীকৰণ আৰম্ভ কৰে।

ইউকেলিপটাচ সম্পৰ্কে কিবা এটা ৰায় দিয়াৰ আগতে আমি তাৰ (তলত দিয়া) মূল ধৰ্ম বা বৰগুণিকেইটাৰ কথা চিন্তা কৰোঁঃ

* পানী শোষণ (Water consumption),
* মাটিৰ ক্ষতিসাধন (Deterioration of soil),
* পৰিৱেশ দূষিতকৰণ (Pollution of environment), আৰু
* ইউকেলিপটাছৰ ব্যৱহাৰ আৰু উপযোগিতা।

*** পানী শোষণঃ**

ইউকেলিপটাছ গছ অতি সোনকালে বাঢ়ে বাবে ইয়াক অধিক পানীৰ প্ৰয়োজন হয়। কিন্তু তুলনামূলকভাৱে ধানতকৈ ইয়াক বহু কম পৰিমাণৰ পানী লাগে। এ. এন. চতুৰ্বেদীয়ে[1]

> অতি দ্ৰুত গতিত বঢ়া, বিভিন্ন জলবায়ুৰ লগত মিলিব পৰা, লগতে বহুধৰণে ব্যৱহাৰোপযোগী ইউকেলিপটাছ গছৰ বনানীকৰণ গোটেই বিশ্বতেই দ্ৰুত গতিত চলি আছে। ইউকেলিপটাছৰ গৃহভূমি অষ্ট্ৰেলিয়া আৰু ইষ্ট ইণ্ডিয়াৰ বাহিৰেও, পৃথিৱীৰ ৯০ খন দেশত ছয় নিযুত হেক্টৰতকৈও অধিক মাটিত ইউকেলিপটাছ গছ ব্যৱসায়িক ভিত্তিত ৰোৱা হৈছে।

এই বিষয়ে গৱেষণা কৰি পোৱা ফল ১৯৮৬ চনৰ ৭ জানুৱাৰীৰ হিন্দুস্থান টাইমছত প্ৰকাশ পাইছে। তেওঁৰ মতে "It is true that water consumption during one year is highest for eucalyptus than other popularly planted trees, but water consumed per gramme of biomass produced is lowest for eucalyptus. It consumed 0.48 Ltr/gm of water only in comparison to Acacia auriculareformis (0.72 Ltr/gm), Albizzia lebbek (0.55 Ltr/gm), Pongamia pinnata (0.88 Ltr/gm) etc" [প্ৰতি গ্ৰাম জৈৱদ্ৰব্যৰ বাবে আমি ৰোৱা অন্য বহুতো গছতকৈ ইউকেলিপটাছৰ কাৰণেই পানীৰ আৱশ্যকতা আটাইতকৈ কম।]

ইউকেলিপটাছৰ শিপা মাটিৰ বহু তললৈ যায় বুলি কোৱা হয়। গছৰ শিপা কিমান তললৈ যায় সেইটো সাধাৰণতে পৰিৱেশ, জলবায়ু, মাটিৰ গঠন, পানীৰ পৃষ্ঠ (water table) আদি বহু কাৰণৰ ওপৰত নিৰ্ভৰ কৰে। অষ্ট্ৰেলিয়াৰ বিজ্ঞানী ডাইৰিচে Dierich ১৯৮৩ চনত প্ৰকাশ কৰা তথ্যানুসাৰে ইউকেলিপটাছৰ মূল শিপা শুকান ঠাইতহে দীঘল হয় আৰু মাটিৰ তললৈ যায়; আনহাতে জীপাল ঠাইত চুটি সূত্ৰ শিপাহে হয়। ভাৰততো এই বিষয়ত কিছু গৱেষণা কৰা হৈছে। ডেৰাডুনত থকা বন গৱেষণা অনুষ্ঠানৰ কেইবা গৰাকীও গৱেষকৰ[2] পৰীক্ষা-নিৰীক্ষাৰ ফলাফল অনুসৰি ইউকেলিপটাছ গছৰ শিপা ৩ মিটাৰতকৈ তললৈ নাযায়। এই অনুষ্ঠানতেই ১৯৮৫ চনত "Recent research activities" অৰ বিষয়ে হোৱা প্ৰাদেশিক "ছিলভিকালছাৰিষ্ট'ৰ সভাত 'ইউকেলিপটাছ কেমেলডুলেন ছিছ' সম্পৰ্কে প্ৰকাশিত তথ্য অনুসৰি ১৫ বছৰ আৰু ৫ বছৰ বয়সৰ এই গছৰ শিপা ৩ মিটাৰতকৈ মাটিৰ তললৈ যোৱা নাছিল। আনহাতে মাটিৰ সমান্তৰালকৈ যোৱা ১৫ বছৰীয়া গছৰ শিপা ২০.৩ মিটাৰ আৰু ৫ বছৰীয়া গছৰ শিপা ৯.০১ মিটাৰ দীঘল হৈছিল। ডবৰাল আৰু তেওঁৰ সহযোগী বিজ্ঞানীসকলে 'ইউকেলিপটাছ হাইব্ৰিড'ৰ শিপাৰ লক্ষণৰ বিষয়ে

১. A. N. Chaturvedi, Additional Chief Conservator of Forest, Lucknow.

২. FRI. Derhadun অৰ কেইগৰাকীমান গৱেষক— F. Raj, H. N. Mathur, K. Raj Gopal, B. G. Dabral, S. P. Pant, S. C. Pharaai etc.,



OKDISCD

গৱেষণা কৰিছে। ১৯৮৭ চনত প্ৰকাশিত 'ইণ্ডিয়ান ফৰেষ্টাৰ' আলোচনীৰ ১১৩ নম্বৰ বছৰৰ ১ নম্বৰ সংখ্যাত প্ৰকাশ পোৱা তথ্যানুসৰি এইবিধ গছৰ শিপা ৩.৭৫ মিটাৰ মাটিৰ গভীৰতালৈহে যায়। আনহাতে মাটিৰ সমান্তৰালকৈ যোৱা শিপা ১২ মিটাৰ পৰ্যন্ত দীঘল হ'লেও, ই মাথোঁ ৩০ ছেণ্টিমিটাৰ মাটিৰ তলতেই আবদ্ধ থকা দেখা পাইছে।

১৯৮৭ চনৰ ৯ ফেব্ৰুৱাৰীৰ হিন্দুস্থান টাইমছ কাকতত ইউকেলিপটাছ গছৰ ক্ষেত্ৰত গুজৰাটৰ কৃষকৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰি লিখা হৈছে: "The experience of a farmer in Gujrat indicates that replacing a food or cash crop with eucalyptus can occasionally benefit farmers through out the area. For when cotton was replaced with eucalyptus on 80 acres of land, the ground water table, which had been falling steadily, stabilised. **[প্ৰবন্ধটোৰ মতে, ইউকেলিপটাছক ধানতকৈও কম পানীহে লাগে। গুজৰাটত দেখা গৈছে,— অন্য খেতি কৰোঁতে কমি যোৱা পানীৰ পৃষ্ঠ ইউকেলিপটাছ ৰোৱাৰ পাছত স্থিৰহে হৈছিল।]**

ইউকেলিপটাছ গছে মাটিৰে বাগৰি যোৱা বৰষুণৰ পানী আৰু নিগৰা পানী আহৰণ কৰি সৎ ব্যৱহাৰ কৰা কাৰণে, ভূগৰ্ভৰ পানী-পৃষ্ঠৰ ওপৰত ইয়াৰ শোষণ বহু পৰিমাণে কমি যায়। অসমৰ নিচিনা অধিক বৰষুণ হোৱা ঠাইত, ইউকেলিপটাছ গছৰপৰা ভূ-তলৰ জলপৃষ্ঠৰ ক্ষতি সাধন কৰা কোনো প্ৰশ্নই উঠিব নোৱাৰে। গতিকে, ইউকেলিপটাছ আমাৰ পৰিবেশত সমাজৰ উপকাৰত অহা এবিধ গছ হিচাপে প্ৰতিষ্ঠা হোৱাত বিৰোধিতা কৰিব পাৰোঁনে?

* ইউকেলিপটাছ গছে পত্ৰৰন্ধ্ৰৰ জৰিয়তে পানীৰ বাষ্পীভৱন পৰিৱেশসাপেক্ষে কম-বেছি কৰে বাবে, কিছুমান গছৰ তুলনাত এইবিধ গছ পানীৰ ব্যৱহাৰত অতি মিতব্যয়ী।

* শিপাত থকা লিগ্ন'টিউবাৰ (ligno-tuber) নামৰ প্ৰতিৰক্ষণ অংগৰ জৰিয়তে— ইউকেলিপটাছ গছৰ ওপৰৰ অংশ মৰি যোৱা বা সম্পূৰ্ণৰূপে জুয়ে পোৱাৰ পাছতো —গজালি ওলাব পাৰে। লিগ্ন'টিউবাৰ ২০০ বছৰলৈকে জীয়াই থাকে॥

*** মাটিৰ ক্ষতিসাধন:**

ইউকেলিপটাছ গছৰ পাত সোনকালে নপচে; সেয়ে পাতত থকা সাৰভাগ মাটিৰ লগত মিহলি হ'বলৈ সময় লাগে। এই গছৰ সৰি পৰা ডালপাতে মাটিৰ অম্লতা (acidity) বৃদ্ধি কৰে। এই দুয়োটা কথাই সত্য। কিন্তু কথা হ'ল, ই বাৰু আন শস্যৰ কিবা অপকাৰ সাধিব পাৰেনে? যি ঠাইত এই বিধ গছ লগোৱা হয়, তাত কেইবা বছৰৰ বাবে অন্য শস্য কৰাৰ কথা নাহেই। ইউকেলিপটাছ ৬-৮ বছৰত কটা হয়, নতুবা ২০-২৫ বছৰ পৰ্যন্ত নকটাকৈ ৰখা হয়। যদি ৬-৮ বছৰত ইয়াক কটা হয়, তেনে হ'লে খৰুৱা শস্য (coppice crops) হিচাপে আকৌ দুবাৰ খেতি কৰি কাটিব পৰা হ'ব। সেয়ে, এবাৰ ইউকেলিপটাছ ৰোৱা মানে ২০-২৫ বছৰৰ বাবে মাটিডৰা আবাদ কৰি ৰখা।

এই গছৰ তলত আন গছ বা শস্য একেবাৰে নোহোৱা কথাটো সত্য নহয়। ঠিকমতে সাৰ জাবৰ দিলে, এই গছৰ তলত বা ওচৰত অন্য শস্য কৰিব পাৰি। ইউকেলিপটাছ ছিট্ৰিঅ'ডৰা নামৰ এই জাতৰ গছৰ লগত মিশ্ৰিত শস্য (mixed crop) হিচাপে ছিট্ৰনেলা (citronella) বা গান্ধবিৰিণাৰ খেতি গৱেষণাগাৰত কৰা হৈছে আৰু ভাল ফলো পোৱা হৈছে। ইউকেলিপটাছ গছৰ পাতবোৰ চিৰিলা-চিৰিলি, গা-গছ পোন বা সৰল হোৱা বাবে, এই গছৰ তলত যথেষ্ট পৰিমাণে ৰ'দ পৰে। সেয়ে, এই গছৰ তলত অন্য শস্য লগালে, সালোক সংশ্লেষণৰ (photo synthesis) বাবে সেইবোৰ শস্যই কিছু কম পোহৰ পালেও বৰ ডাঙৰ সমস্যাৰ সৃষ্টি কৰে বুলি কব নোৱাৰি।

এই গছৰ শিপাই কোনো ধৰণৰ বিষাক্ত ৰাসায়নিক দ্ৰব্য নিৰ্গত কৰাৰ ক্ষেত্ৰত বিজ্ঞানসন্মতভাৱে পৰীক্ষা নকৰা পৰ্যন্ত মতামত দিয়া অনুচিত হ'ব। ইউকেলিপটাছ গছৰ তলৰ মাটিত বিভিন্ন অনুজীৱ (microbes) জীৱিত অৱস্থাত থাকে বুলি জনা গৈছে। গতিকে, বিষাক্ত ৰাসায়নিক দ্ৰব্য ওলোৱা বুলি আগ বঢ়োৱা মন্তব্য পুনৰ পৰীক্ষা কৰাৰ আৱশ্যকতা আছে।

গছ মৰা বা কটাৰ এক বা ডেৰ বছৰৰ ভিতৰত ইউকেলিপটাছৰ শিপাবোৰ পচি যায়। সেয়ে ইউকেলিপটাছ ৰোৱা ঠাই পৰিষ্কাৰ কৰি ব্যৱহাৰোপযোগী কৰি তোলাটো আৰ্থিক সম্ভাৱনাৰ বাহিৰত নহয়। শিপাবোৰ পচি যোৱাৰ ফলত মাটিডৰাৰ উৰ্বৰা-গুণ বৃদ্ধিহে হয়। শাল, চেগুণ আদি গছ কটাৰ পাছত সেই ঠাইত পুনৰ গছ ৰুবলৈ যিমান দিন অপেক্ষা কৰিব লাগিব, ইউকেলিপটাছ গছৰ ক্ষেত্ৰতো সমানেই সময় লাগিব। এই ক্ষেত্ৰতো অকল ইউকেলিপটাছকে দোষী সাব্যস্ত কৰাৰ কোনো যুক্তি নাই।

কৰ্ণাটকৰ ৰাইটা সংঘ, সমাজ পৰিৱৰ্তন সমুদয়ৰ নিচিনা স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে ইউকেলিপটাছৰ বিৰুদ্ধে ঘোষণা কৰা আন্দোলনত যিবোৰ যুক্তি বা কাৰণ দেখুৱাইছে, সেইবোৰৰ কোনো বিজ্ঞানসন্মত ভিত্তি নাই।

১৯৮৬ চনৰ ৭ জানুৱাৰীৰ হিন্দুস্থান টাইমছ কাকতত শ্ৰীশ্যাম সুন্দৰ কানহালই ইউকেলিপটাছ সম্পৰ্কে লিখা এই কথাখিনি প্ৰণিধানযোগ্য: "Much controversy has been created by some. Replacement of indiginous trees by this "imported" tree in Indian soil is the sole jealousy responsible for various myths spread by some advocates of "only native trees."

## ইউকেলিপটাছ

শ্ৰী গকুল হাজৰিকাই লিখা ইউকেলিপটাছ সম্পৰ্কীয় প্ৰবন্ধটোৱে (১৬।৯।৮৭) পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছে। ইউকেলিপটাছ গছ পানী খোৱা এক দৈত্যনে? এই গছৰ কোনো অৰ্থনৈতিক মূল্য নাইনে? আমি জনাত এই গছৰ কাণ্ড, ডাল আদিৰ পৰা উচ্চ মানৰ কাগজ আৰু ৰেয়ন তৈয়াৰ কৰিব পাৰি। এই গছৰ পাত এবিধ মূল্যবান দামী সুগন্ধি তেলেৰে পৰিপূৰ্ণ। এই তেলৰ দাম কেজিত ১০০ টকাৰো অধিক আৰু এই তেল প্ৰসাধন আৰু ঔষধ উদ্যোগত ব্যৱহাৰ কৰা হয়। কৰ্ণাটক আৰু আন-আন অঞ্চলত এনে শিল্পৰ বাবেই হাজাৰ হাজাৰ হেক্টৰ মাটিত ইউকেলিপটাছ গছ ৰোৱা হৈছে। কৰ্ণাটকৰ ৰাজ্যিক বন-বিভাগ আৰু বিৰলা গোষ্ঠীৰ হৰিহৰ পলিফাইবাৰছৰ সহযোগিতাত গঢ়ি উঠিব লগা উদ্যোগৰ বাবে পশ্চিম-ঘাটৰ চাৰিখন জিলাত চৰকাৰে ৩০,০০০ হেক্টৰ মাটি লিজত দিছে। সেইদৰে মহীশূৰ পেপাৰ মিলে বৃটিছৰ ধনৰ সহায়ত এই গছ ৰুইছে। কৰ্ণাটকৰ সামাজিক বনানীকৰণ বিভাগে বিশ্ববেংক আৰু বৈদেশিক উন্নয়ন প্ৰশাসনৰ (D.A.) আৰ্থিক সহায় লাভ কৰিছে। হাজাৰ হাজাৰ হেক্টৰ মাটি এইদৰে উদ্যোগপতিৰ বাবে মুকলি কৰি দিয়া বাবে সৰ্বসাধাৰণ ৰাইজ ক্ষতিগ্ৰস্ত হৈছে। গৰু-ছাগলী চৰাবলৈ ঠাই নোহোৱা হৈছে; সহজে পোৱা খৰিৰ অভাৱ ঘটিছে। গোটেই বিষয়টোৱেই বিভিন্ন দিশৰ পৰা এটা বিতৰ্কমূলক বিষয় হৈ পৰিছে কিন্তু এই গছৰ বৈজ্ঞানিক দিশ আলোচনা কৰি লিখা তলৰ কথা কেইটা সন্দেহজনক:

(১) ইউকেলিপটাছে ভূগৰ্ভৰ পানীৰ উচ্চতা নিম্নগামী কৰে।

(২) এইগছে চাৰিওকাষৰ মাটিৰ ক্ষতি সাধন কৰে।

(৩) এই গছৰ তলত বা আশে-পাশে আন গছ নাবাঢ়ে।

(৪) চাৰিওকাষৰ মাটিত সাৰ নাইকিয়া হয়। তাত খেতি কৰা অসম্ভৱ হৈ পৰে।

মাটি আৰু জলবায়ুৰ ওপৰত নিৰ্ভৰ কৰি এই গছে কোনো-কোনো অঞ্চলৰ পৰিৱেশৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাব পাৰে; কিন্তু সকলোতে এনে প্ৰভাৱ পৰিব বুলি কোৱা টান। আমি লক্ষ্য কৰিছোঁ যে আমাৰ ইয়াত ১০-১২ বছৰ পুৰণি, প্ৰায় ১.৫ × ১.৫ মিটাৰ দূৰত্বত ৰোৱা ইউকেলিপটাছ গছৰ খেতিত (plantation) ছিট্ৰনেলা নামৰ অৰ্থনৈতিক মূল্য থকা সুগন্ধি তেলৰ ঘাঁহজাতীয় উদ্ভিদৰ উৎপাদন একেবাৰে মুক্ত সূৰ্যৰ পোহৰত বৃদ্ধি হোৱা গছতকৈ কিছু কম হয়; কিন্তু একেবাৰে নোহোৱা নহয়। এই হ্ৰাস আমি ভবাত ইউকেলিপটাছ গছৰ পাতৰ ছাঁৰ বাবে হয়। মাটিৰ পানী, জৈৱ আৰু অজৈৱ আহাৰ ইউকেলিপটাছে শুহি লোৱাটো এই হ্ৰাসৰ মুখ্য কাৰণ বুলি কব নোৱাৰি। তদুপৰি নানা ধৰণৰ আপতৃণ আৰু লতাজাতীয় উদ্ভিদ ইউকেলিপটাছ গছৰ গাত পাক খাই ওপৰলৈ বৃদ্ধি হোৱা দেখিবলৈ পোৱা গৈছে।

ইউকেলিপটাছ গছে মাটিৰ অনুৰ্বৰতা বৃদ্ধি কৰে নেকি, আৰু মাটিৰ স্বাভাৱিক পানী শুহি শেষ কৰে নেকি, এই বিষয়ে বিজ্ঞানীসকলৰ মাজত মতবিৰোধ আছে। ড° আইকেলভাৰে (Natural Environment Research council's Institute of Hydrology ৰ বিজ্ঞানী) এক প্ৰবন্ধত (Agricultural water management Vol 11 p.333) লিখিছে যে ইউকেলিপটাছ গছে পানী শোহা আৰু অন্য উদ্ভিদৰ ওপৰত প্ৰভাৱ পেলোৱাটো উদ্ভিদৰ প্ৰকৃতি, ভূগৰ্ভৰ পানীৰ গভীৰতা (water table) আৰু ইউকেলিপটাছ গছৰ পাতত থকা পত্ৰৰন্ধ্ৰৰ (stomata) নিয়ন্ত্ৰণ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে। এই গছ সম্পৰ্কে এনে বিতৰ্ক চলা বাবে অক্সফ'ৰ্ড বন অধ্যয়ন কেন্দ্ৰৰ জল বিজ্ঞান বিভাগত আধুনিক পদ্ধতিৰে গৱেষণা চলোৱা হৈছে। ইউকেলিপটাছ গছৰ অপকাৰিতাৰ কথা New Scientist (16th July, 1987) নামৰ এখন আগশাৰীৰ বৈজ্ঞানিক আলোচনীত দুজন বিজ্ঞানীয়ে আলোচনা কৰিছিল; কিন্তু সেই প্ৰবন্ধৰ উত্তৰ হিচাপে অক্সফ'ৰ্ডৰ P. T. W Rovsier আৰু R. J. Harding নামৰ দুজন বিজ্ঞানীয়ে সেই আলোচনীৰ সম্পাদকলৈ লিখে: "...does nothing to enhance your Journals reputation" তেওঁলোকে শেষত মন্তব্য কৰে; "It would be foolish to make unsubstantiated claims until the results of this (অক্সফ'ৰ্ডত চলি থকা গৱেষণা) research are known (6th August 1987).

আমাৰ বিভিন্ন অঞ্চলত ইউকেলিপটাছ গছে মাটিৰ পানী আৰু আহাৰ শোষণ, কৰি মাটি অনুৰ্বৰ কৰি তুলিছেনেকি, বা অন্য উদ্ভিদ গজাত বা খেতি-বাতি হোৱাত বাধাৰ সৃষ্টি কৰিছে নেকি, এইবোৰ কথা লক্ষ্য কৰা উচিত। বিষয়টো নিঃসন্দেহে কৌতূহলজনক।

অঞ্জন বৰুৱা তৰাজান, যোৰহাট



OKDISCD

প্ৰথম কাৰণ হিচাপে ইউকেলিপটাছে অধিক পানী শোষণ কৰা, দ্বিতীয়তে এই গছ হোৱা ঠাইত পাছলৈ কোনো গছ-গছনি নগজা, আৰু তৃতীয়তে এই বিধ গছ ৰোৱাত নিয়োগ কমি গৈ গাঁওবাসীক অধিক দুখীয়া কৰা বুলি দেখুউৱা গৈছে। আমি আগতে আলোচনা কৰি আহিলোৱেই যে: (১) ইউকেলিপটাছে বেছি পানী শোষণ নকৰে, আৰু (২) ইউকেলিপটাছ ৰোৱা ঠাইত অন্য- গছ-গছনি বা খেতিও হয়। তৃতীয় কাৰণটোও মুঠেই সত্য নহয়। বিজ্ঞানসন্মতভাৱে ইউকেলিপটাছ গছৰ খেতি কৰিলে, বিভিন্ন কৰ্ষণ কাৰ্যৰ কাৰণে, প্ৰতি একৰত আন সাধাৰণ কৃষিতকৈ অধিক মানুহ নিয়োজনৰ দৰকাৰ হয়। আনহাতে এই গছৰ খেতিৰ পৰা লাভো বেছি হয়। ই এবিধ অৰ্থকৰী গছ। হেক্টৰ হিচাপে খেতি কৰিলে ইউকেলিপটাছে বিনিয়োগ কৰা মূলধনৰ ওপৰত ছবছৰত ২০০ শতাংশ বা ১২ বছৰত ৮০০ শতাংশ লাভ দিয়ে। অন্য কোনো খেতিয়েই ইমান লাভ নিদিয়ে। সেইবাবে আমাৰ দেশতো, বিশেষকৈ দিল্লীৰ ওচৰে-পাজৰে থকা ভূভাগত বহুতো উদ্যোগপতিয়ে বৃহৎ পৰিমাণত ইউকেলিপটাছৰ খেতি আৰম্ভ কৰি দিছে। ই দেশৰ এটা ডাঙৰ উদ্যোগেই হৈ পৰিছে।



এডৱা ইউকেলিপটাছৰ কাষতে মেষ্টাৰ খেতি হৈছে। মৰাপাট-জাতীয় বাৰ্ষিক খেতিৰ গছ মেষ্টাক অধিক পৰিমাণে পানী লাগে।

## ইউকেলিপটাছে পাৰিপাৰ্শ্বিকতা দূষিত কৰে নেকি?

বৃক্ষবিহীন ঠাইৰ পৰিৱেশ সাধাৰণতেই দূষিত হয়। গছে কাৰ্বন-ডাই-অক্সাইড শোষণ কৰি অক্সিজেন উলিয়াই দিয়ে। মানুহৰ কাৰণে অক্সিজেন অত্যাৱশ্যকীয় বস্তু। বায়ুমণ্ডলত ইয়াৰ হেৰ-ফেৰ হোৱা মানেই, পৰিৱেশ দূষিত হোৱা। জনসংখ্যা বৃদ্ধি আৰু বন-বননি কাটি শেষ কৰা,—এই দুয়োটাই উন্নয়নশীল দেশবোৰৰ পৰিৱেশ দূষিত কৰাত যথেষ্ট অৰিহণা যোগাইছে। ভাৰতৰ 'নেশ্যনেল ৱেষ্টলেণ্ড ডেভলেপমেণ্ট ব'ৰ্ড'ৰ চেয়াৰমেন ড° কমলা চৌধুৰীৰ মতে: "যদি প্ৰতি বছৰে ১°৫ নিযুত হেক্টৰ মাটিৰ বননি কাটি খান্তাং কৰি থকা হয়, ২০০০ চনলৈ ভাৰতবৰ্ষত এডালো গছ নাথাকিব।" বৰ্তমান যি হাৰত গছ কাটি থকা হৈছে, তাৰ দুগুণ গছ যদি ৰোৱা নহয়, তেতিয়া দেশৰ বনাঞ্চল কমি গৈ এদিন নাইকিয়া হৈ যাব আৰু ই পৰিৱেশ নষ্ট কৰাত প্ৰধান সহায়ক হ'ব। নাঙঠ পৰিৱেশ সেউজীয়া কৰি সজাই তুলিবলৈ গছ ৰোৱা ক্ষেত্ৰত, এক সামাজিক সচেতনতা গঢ়ি তুলিব লাগিব। ব্যক্তিগতভাৱে গছ ৰোৱাৰ ক্ষেত্ৰত যিকোনো অৰ্থকৰী গছৰ প্ৰতি মানুহৰ আকৰ্ষণ বঢ়াটো স্বাভাৱিক। ইউকেলিপটাছ এনে ধৰণৰ গছ হোৱাত ই প্ৰসাৰ লাভ কৰিছে।

ইউকেলিপটাছ গছৰ পাতত থকা সুগন্ধি তেলৰ গোন্ধ বতাহত চাৰিওপিনে বিয়পি পৰাত, সেই ঠাইলৈ মহ নাহে, ফলত মেলেৰিয়া বেমাৰ সোঁচৰাত বাধাৰ সৃষ্টি হয়। পৰিৱেশৰ সৌন্দৰ্য বৰ্ধন কৰিবলৈ 'এভিনিউ' গছ হিচাপে ৰোৱাৰ উপৰিও, পৰিৱেশ উন্নত কৰাৰ উদ্দেশ্যে আৰু ব্যৱসায়িক ভিত্তিত গোটেই পৃথিৱীতে ইয়াক অগ্ৰণী গছ হিচাপে গণ্য কৰা হয়। পশ্চিম বংগত খৰাং বতৰ হোৱাৰ বাবে এইবিধ গছক দায়ী কৰাৰ কোনো বৈজ্ঞানিক ভিত্তি আছে বুলি মনে নধৰে। সেউজীয়া গছ-গছনিয়ে যিকোনো ঠাইৰ বৰষুণৰ পৰিমাণ বৃদ্ধি কৰাত সহায়হে কৰে।

সোনকালে বঢ়া যিকোনো গছকেই অধিক পৰিমাণৰ সাৰৰ আৱশ্যক। কিছুমান গছৰ পাতত নাইট্ৰ'জেন অধিক পৰিমাণে থকা বাবে, গছজোপাই নিজে নিজক লগা সাৰৰ কিছু অংশ যোগান ধৰিব পাৰে। ইউকেলিপটাছৰ ক্ষেত্ৰত এই গুণটো কিছু কম। আৱশ্যকীয় সুফল পাবলৈ প্ৰতি বছৰে গছক সাৰ-জাবৰ দিব লাগে। চাহ খেতিৰ কথাই ধৰক; প্ৰতি বছৰে লগা পৰিমাণৰ সাৰ দিলেহে তাৰ উৎপাদন বাঢ়ে। ইউকেলিপটাছ গছত লগা পৰিমাণে সাৰৰ যোগান ধৰিলে, ই ইয়াৰ চাৰিও কাষৰ মাটিৰ উৰ্বৰা শক্তি নাশ নকৰে বা আন গছ-গছনি গজাত বাধা নিদিয়ে।

## ইউকেলিপটাছৰ ব্যৱহাৰ আৰু উপযোগিতা

আমাৰ সমাজৰ বাবে ইউকেলিপটাছ দৈত্যও নহয় অভিশাপো নহয়। ই বহু ধৰণৰ ব্যৱহাৰত অহা এবিধ গছহে। এই বিধ গছৰপৰা কঠিন



কাঠ উৎপন্ন হয়। ইয়াৰ কাঠ অতি শক্তিশালী; ওজনদাৰ, লগতে স্থায়ীও। এই কাঠৰ প্ৰতি ঘন ফুটৰ ওজন ৫০ পাউণ্ডতকৈ বেছি (১২ শতাংশ পানী বা আৰ্দ্ৰতা ধৰি)। ইয়াৰপৰা খুটা, বিম, বিভিন্ন ধৰণৰ ঘৰ সজা কাঠ, ৰেল লাইনত পৰা স্লিপাৰ, ভিনিয়েৰ (veneer), প্লাইউড, উডফাইবাৰ আদি তৈয়াৰ কৰা হয়। কিছুমান দেশত কেইবা জাতো ইউকেলিপটাছ গছৰপৰা এলকহল তৈয়াৰ কৰা হয়। ভাৰতত এইবিধ গছ প্ৰধানতঃ খৰি হিচাপে ব্যৱহাৰ কৰা হয়। পকীঘৰ সাঁজোতে খ্যাটাৰিং কৰাত খুটা হিচাপে ইয়াৰ ব্যৱহাৰ দিনক-দিনে বাঢ়ি যোৱাৰ প্ৰধান কাৰণ হৈছে বাঁহৰ নাটনি। আৰ্থ-সামাজিক দিশত ইউকেলিপটাছৰ অৰিহণা আটাইতকৈ উল্লেখনীয়। এইবিধ গছৰ প্ৰসাৰ বন্ধ কৰিব পাৰিনে বা লাগেনে? "The success of eucalyptus is truly based on sheer competence of ecoadjustment. It has a nearly perfect plant architecture to suit afforestation requirements." [৪]

গৃহভূমি অষ্ট্ৰেলিয়াৰ বাহিৰেও বহুতো দেশত কাগজ আৰু কাগজৰ মণ্ড তৈয়াৰ কৰাত ইউকেলিপটাছ গছ ব্যৱহাৰ কৰা হয়। কাগজ আৰু ভিছকছ (viscose) উদ্যোগসমূহক কেঁচা সামগ্ৰী যোগান ধৰাৰ উদ্দেশ্য আগত ৰাখি, কৰ্ণাটক চৰকাৰে ৭৫,০০০ একৰ মাটিত ইউকেলিপটাছৰ বনানীকৰণ কৰিবলৈ লৈছে। প্ৰায়বোৰ ভাৰতীয় কাগজ-উদ্যোগে কেঁচামালৰ ক্ষেত্ৰত বাঁহৰ ওপৰতেই নিৰ্ভৰ কৰে। বৰ্তমান যি হাৰত বাঁহৰ খৰচ হৈছে, তালৈ চাই ভৱিষ্যতে ইউকেলিপটাছৰ দৰে কঠিন বা আন কোমল কাঠৰ ওপৰত কাগজ-কলবোৰে নিৰ্ভৰ কৰিব লাগিব যেন লাগে।

ইউকেলিপটাছৰ তেল এবিধ মূল্যবান ব্যৱসায়িক সামগ্ৰী। এই তেলৰ উপাদান, গছৰ জাত লৈ বেলেগ-বেলেগ হয়। ইউকেলিপটাছ গছৰ তেলক প্ৰধানতঃ তিনি ভাগত ভগাব পাৰি: (১) ঔষধীয় তেল, (২) ঔদ্যোগিক তেল আৰু (৩) প্ৰসাধনীয় তেল। ঔষধ প্ৰস্তুত কৰোঁতে ব্যৱহাৰ কৰা তেলৰ প্ৰধান উপাদান হ'ল ছিনিয়ল (cineole)। উদ্যোগত ব্যৱহাৰ কৰা তেলত মূল উপাদান হিচাপে ফেলানড্ৰিন (phellandrene) আৰু পাইপেৰিট'ন (piperitone) থাকে। থাইমল (thymol) আৰু মেনথল (menthol) প্ৰস্তুত কৰিবলৈ পাইপেৰিট'ন ব্যৱহাৰ কৰা হয়। আনহাতে, প্ৰসাধন-সামগ্ৰী তৈয়াৰ কৰাত ব্যৱহাৰ কৰা তেলৰ মূল উপাদানসমূহৰ ভিতৰত টাৰ্পিনিয়ল (terpeniol), ছিট্ৰনেলাল (citronellal), জিৰানাইল-এছিটেট (geranyl-acetate), ইউডেছমল (eudesmol) আদিয়েই প্ৰধান।

কিছুমান ইউকেলিপটাছ গছৰ বাকলিত ২৫-৩০ শতাংশ টেনিন (tannin) পোৱা যায়। টেনিন চামৰাৰ উদ্যোগত ব্যৱহৃত হোৱা এবিধ (চামৰা ৰংকৰা) ৰাসায়নিক পদাৰ্থ।

এইবিধ গছৰ মাটি ধৰি ৰাখিব পৰা ক্ষমতা আছে বাবে মাটিৰ খহনীয়া হোৱা অঞ্চলত ইয়াক ৰোপণ কৰি খহনীয়া ৰোধ কৰিব পৰা যায়। পানী আবদ্ধ হৈ থকা ঠাইত কিছুমান জাতৰ ইউকেলিপটাছ গছ লগাই, বনানীকৰণ কৰিব পৰা যায়। নদীৰ পাৰ নতুবা নাঙঠ পাহাৰত এই গছ ৰুই সুফল পোৱা যায়। ধুমুহা-বতাহৰপৰা ৰক্ষা পাবলৈ বা উইণ্ড ব্ৰে'ক (wind break) হিচাপে ব্যৱহাৰ কৰিবলৈ এইবিধ গছ ৰোৱা হয়। পিতনি অঞ্চলৰ অলাগতিয়াল পানী শোষণ কৰিবলৈ কিছুমান জাতৰ ইউকেলিপটাছ ৰোৱা হয়। প্ৰাকৃতিক সৌন্দৰ্য বঢ়াবলৈ বা বাগান অলংকৃত কৰিবলৈ এই গছ ৰোৱা দেখা যায়। সামাজিক বনানীকৰণ বিভাগে বাটৰ দাঁতিত ৰোৱা ইউকেলিপটাছ গছবোৰে সঁচাকৈয়ে সৌন্দৰ্য বঢ়াইছে। পৃথিৱীৰ দেশে দেশে ইউকেলিপটাছৰ বনানীকৰণ দিনক দিনে বাঢ়িবলৈ ধৰিছে। বিবদমান গছ হিচাপে ইউকেলিপটাছৰ খেতি কমিব নালাগিছিলনে? আপোনাৰ বাৰীৰ বা বাটৰ দাঁতিৰ ইউকেলিপটাছ গছ কেইজোপা কাটি নেপেলাব। সিহঁতৰ বিষয়ে আপোনাৰ ভয় অমূলক। "It is not eucalyptus as an individual tree but the eucalyptization of India as a drastic land use transformation which needs to be evaluated."[৫] ভাৰতবৰ্ষখন যদি ইউকেলিপটাছ গছেৰে ভৰাই পেলোৱা হয়, তেতিয়াহে ই এক চিন্তাৰ কাৰণ হৈ পৰিব।

৪) S. S. Kansal, Hindustan Times, 7th January, 1986.

৫) J. Bondyopadhyay and V. Shiva, Science Today, 1987. Vol. 21 No 8 PP-53

পুলক লাহিড়ীৰ

খেল জগতৰ তাৰকা
মূল্য—৮·০০ টকা

ক্ৰিকেট শিকোঁ আহক
মূল্য—১০·০০ টকা

লয়াৰ্ছ বুক ষ্টল
পানবজাৰ, গুৱাহাটী-১

আমেৰিকাৰ চিঠি

# বানপানীৰ স্থায়ী সমাধান আৰু এজন অসমীয়া ইঞ্জিনিয়াৰ

ড° দিলীপ কুমাৰ দত্ত

১৯৮৭ চনটো অসমৰ ৰাইজে এবাৰ-দুবাৰকৈ তিনিবাৰ হোৱা প্ৰবল বানপানীৰ কাৰণে মনত ৰাখিব। দুখৰ কথা এয়েই যে স্বাধীনতাৰ পাছৰে পৰা এই বানপানীৰ প্ৰতিৰোধৰ কাৰণে মথাউৰি আদি সাজি চৰকাৰে প্ৰতি বছৰে কোটি-কোটি টকা খৰচ কৰি থকা সত্ত্বেও বছৰি-বছৰি বানপানীৰ মূৰ্তি বেছিহে ভয়াবহ হ'বলৈ ধৰিছে। (ক'ত কিমান মথাউৰি সাজি চৰকাৰে কিমান টকা খৰচ কৰি আহিছে তাৰ এটা লেখ ১৬।৮।৮৪ তাৰিখৰ প্ৰান্তিকত আছে)। আজি কিছু বছৰৰ আগৰে পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত বান নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰে নিজৰ হাতলৈ নিছে যদিও অৱস্থাৰ একো সলনি হোৱা নাই। সেয়েহে বানপানীৰ কিবা এক স্থায়ী সমাধান লাগে বুলি সকলো অসমীয়াই বৰকৈ আটাহ পাৰিছে।

এতিয়া প্ৰশ্ন হ'ল অসমৰ বানপানীৰ কেনেকুৱা স্থায়ী সমাধান আমি বিচৰা উচিত? এইখিনিতে আমি কাগজে-পত্ৰে পঢ়িবলৈ পোৱা নিজে গমি-পিতি চাই পোৱা দুটামান কথা উল্লেখ কৰা উচিত হ'ব:

(১) আমাৰ দেশত বহুতে ব্ৰহ্মপুত্ৰৰ স্থায়ী সমাধান বিচাৰোঁতে আমেৰিকাই টেনেছি নদীত বান্ধ সাজি নদীখন নিয়ন্ত্ৰণ কৰাৰ উপৰিও প্ৰচুৰ পৰিমাণৰ বিদ্যুৎ শক্তি উৎপাদন কৰাৰ কথা কয়, আৰু ব্ৰহ্মপুত্ৰৰ বেলিকাও তেনেকুৱা কিবা এটা কৰাৰ কথা কয়। কিন্তু টেনেছি উপত্যকা প্ৰকল্পৰ ফলাফল এতিয়া আমেৰিকাবাসীয়ে বৰ সন্তোষেৰে ল'ব পৰা নাই। এই বিষয়ে আমি আমেৰিকাৰ অভিজ্ঞতা ভালদৰে অধ্যয়ন কৰা উচিত।

**(২) অসমৰ নৈ-উপনদীৰ কম্পিউটাৰ প্ৰতিৰূপ:** অসমলৈ বৰষুণে পোনপটীয়াকৈ আৰু নৈবিলাকে তাৰ উৎস আৰু গতিপথৰ পৰা যিখিনি পানী লৈ আহে সেই পানীখিনি ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহিবই; আৰু সেইখিনি ইয়ালৈ আহিবই যেতিয়া, সি অসমক টোৱাই বৰ নৈ ব্ৰহ্মপুত্ৰেৰে ওলাই সাগৰত পৰিবগৈ। সেয়েহে আটাইতকৈ গধুৰ কাম হৈছে অসমলৈ কিমান পানী আহে আৰু সেই পানী অসমৰপৰা ব্ৰহ্মপুত্ৰই উলিয়াই নিব পৰা ক্ষমতাৰ অধ্যয়ন। তাৰ পাছত, এই পানীয়ে আনিব পৰা বানক কেনেকৈ নিয়ন্ত্ৰণ কৰি তাক অসমৰ উপকাৰত লগাব পৰা যায় তাৰ ভাল অধ্যয়ন চলোৱা উচিত। এই অধ্যয়নৰ কাৰণে আজিৰ কম্পিউটাৰ অতি উত্তম সৰঞ্জাম; কিয়নো, কম্পিউটাৰৰ সহায়ত অসমলৈ পানী অহা আৰু ব্ৰহ্মপুত্ৰই কঢ়িয়াই তাক সাগৰত পেলোৱা এই গোটেই প্ৰক্ৰিয়াটো অধ্যয়ন কৰি তাৰ এটা কম্পিউটাৰ প্ৰতিৰূপ (Simulation) তৈয়াৰ কৰিব পাৰি আৰু তাৰ সহায়ত বানপানীৰ আগ-জাননী দিয়া, ক'ত কেনেকৈ নদীৰ তলি খান্দি বানপানীৰ প্ৰকোপ কমাব পাৰি, ক'ত বান্ধ দিয়া যুগুত হ'ব আদি কথা নিৰ্ণয় কৰিব পৰা যাব।

অসমৰ কাৰণে সৌভাগ্যৰ কথা যে এজন উঠি অহা অসমীয়া ইঞ্জিনিয়াৰে কম্পিউটাৰেৰে নদীৰ প্ৰতিৰূপ তৈয়াৰী কৰি উলিওৱাত বিশেষ অভিজ্ঞতা লাভ কৰিছে। বৰ্তমান আমেৰিকাৰ ৰাটগাৰ্চ বিশ্ববিদ্যালয়ত চাকৰি কৰি থকা শ্ৰীদেৱ কুমাৰ বৰা নামৰ এই ইঞ্জিনিয়াৰজনৰ লগত অসমীয়া ৰাইজক পৰিচয় কৰি দিবৰ কাৰণে শ্ৰীবৰাই মিছিছিপি নদীৰ ক্ষেত্ৰত কৰা গুৰুত্বপূৰ্ণ কামৰ বিষয়ে আমেৰিকাৰ ইঞ্জিনিয়াৰিং ৰেকৰ্ড নামে আলোচনীত শ্ৰীবৰাৰ ছবিৰে সৈতে ওলোৱা এটা চমুটোকাৰ অসমীয়া ভাঙনি দিলো (স্তম্ভ)। দেৱ বৰাৰ পৰিচয়ৰ উপৰিও এই প্ৰবন্ধটোৰ গুৰুত্ব এয়েই যে আমেৰিকাবাসীয়ে মিছিছিপি নদীক খান্দিবলৈ কেনেদৰে অধ্যয়ন কৰি আগ বাঢ়িছে তাৰ এটা আভাস ইয়াত আছে। আন কিবা এটা কৰাৰ আগতে অসম তথা ভাৰত চৰকাৰৰ ব্ৰহ্মপুত্ৰৰ বান নিয়ন্ত্ৰণ বৰ্ডে ব্ৰহ্মপুত্ৰ নদীৰ কম্পিউটাৰ প্ৰতিৰূপ তৈয়াৰ কৰাৰ বিষয়ে শ্ৰীবৰাৰ লগত আলোচনা কৰাটো বিশেষ প্ৰয়োজন বুলি ভাবোঁ। উল্লেখযোগ্য যে শ্ৰীবৰাক আজি কিছুদিন আগতে নিউ গিনিৰ অক টেডি আৰু ফ্লাই নদী অধ্যয়ন কৰিবলৈকো সেই দেশে মাতি নিছিল।

**(৩) বান্ধ-মথাউৰিৰে বানপানী নিয়ন্ত্ৰণ কৰা অসম্ভৱ:** আমি যদি এপিনে মথাউৰি সাজোঁ, তাৰ পৰা এডোখৰ ঠাই ৰক্ষা পৰিলেও সি পানীখিনিৰ বঢ়াটুটা কৰিব নোৱাৰে। গতিকে সেই পানীখিনিয়ে আন কোনোবাপিনে বানপানীৰ সৃষ্টি কৰাটো স্বাভাৱিক। মোৰ দৃঢ় বিশ্বাস যে ডিব্ৰুগড় অঞ্চলক বচাবলৈ সজা বান্ধ মথাউৰি আদিৰ কাৰণেই ব্ৰহ্মপুত্ৰই মাজুলী অঞ্চলক অলপ অলপকৈ গ্ৰাস কৰি শেষ কৰিবলৈ ধৰিছে। তদুপৰি মথাউৰি সজাৰ আন কিছুমান বিষময় পৰিণতিও আছে —যি পাছলৈ বানপানীক বেছিহে প্ৰলয়ংকৰী হোৱাত সহায় কৰে। মথাউৰি সাজিলে নদীৰ পানীখিনি এক ঠেক অংশতে আবদ্ধ হ'ব লগীয়া হয় কাৰণে সেই ঠেক অংশতে পানীৰ লগত অহা গেদ পৰি-পৰি জমা হয় (যাক ইংৰাজীত ছিল্টিং হোৱা বুলি কয়)। ফলত সেই নদীৰ তলি বছৰি-বছৰি বাম হ'বলৈ ধৰে। তদুপৰি উপনদীখনৰ যেতিয়া সোঁতৰ বেগ কমে তেতিয়া বৰনৈৰ বোকাপানীও তলে-তলে নৈখনত সোমাই তাক বেছি বাম কৰে। অসমৰ বহু নদীৰ ক্ষেত্ৰতে এইটো হৈছে। যোৱা বছৰ খৰালি কালত সোৱণশিৰি নদীৰ পাৰলৈ গৈছিলো। সোৱণশিৰিৰ দুয়ো পাৰে মথাউৰি দেখিলো, কিন্তু সেই মথাউৰিয়ে অঞ্চলটোক বেছিহে বিপদাপন্ন কৰাটো মোৰ মনত স্পষ্ট হ'ল; কিয়নো গেদ পৰি-পৰি, ছিল্টিং হৈ-হৈ সোৱণশিৰি নদীৰ তলি মথাউৰিৰ সিপাৰে থকা খেতিৰ মাটিতকৈ কেইবা ফুটো ওপৰত আছিল। ওপৰেদি নৈ ব'লে তলত পথাৰৰ পৰিণতি কি হ'ব পাৰে তাক কল্পনা কৰা সহজ। বান্ধ-মথাউৰি সাজি-সাজি যে বানপানীক নিয়ন্ত্ৰণ কৰিব নোৱাৰি তাক এইবাৰৰ বানে ভালদৰে প্ৰমাণ কৰি দেখুৱালে।

**(৪) য'ত নাই বান তাত নাই ধান:** যোৱা কেইবছৰ মই অসমৰ বহু গাঁও অঞ্চললৈ গৈছিলো। সেই গাঁওবিলাকৰ বহু পুৰণা বুঢ়া-মেথাই মোক জনালে যে আজিকালি অসমৰ মাটিত সাৰ নিদিলে ভাল খেতি নহয়; তাৰ কাৰণো তেওঁলোকৰ মতে বানৰ অভাৱ। এইটো সঁচা যে আন প্ৰকাৰে বেছি ক্ষতি সাধন নকৰা বানপানীৰ বহু উপকাৰো আছে। প্ৰথমেই ই মাটিত থকা আৰু শস্যৰ কাৰণে অপকাৰী লুণীয়া, খাৰুৱা বা এছিডজাতীয় বস্তুবিলাক (যিবিলাক পানীত গলে) ধুই নিয়ে আৰু তাৰ পৰিবৰ্তে খেতিৰ কাৰণে উপকাৰী সাৰুৱা পলস মাটিত স্থাপন কৰি যায়। খেতিৰ মাটিলৈ সময়ে-সময়ে বান আহিবলৈ নিদিয়া মানে এই প্ৰক্ৰিয়াটো বন্ধ কৰা। বানপানীয়ে কৰা কামখিনি কৃত্ৰিম বা ৰাসায়নিক সাৰেৰে কৰাটো কেৱল ব্যয়বহুলেই নহয়, সি প্ৰদূষণৰো কাৰণ। এই দুই কামৰ (বানপানী বন্ধ আৰু ৰাসায়নিক সাৰ প্ৰবৰ্তন) পৰিণতি অতি বিষম হ'ব পাৰে। বহু নিযুত কোটি টকা খৰচ কৰি ইজিপ্ট দেশে আছৱান বান্ধ সাজি নীল নদীৰ বানপানী বন্ধ কৰা কাৰণে ইজিপ্টৰ এতিয়া যি দুৰৱস্থা হৈছে তাৰ প্ৰতিকাৰৰ কাৰণে এতিয়া বহু বৈজ্ঞানিকে আছৱান বান্ধটো ভাঙিবলৈকে পৰামৰ্শ দিছে।

বানপানীৰ স্থায়ী সমাধান বিচাৰোঁতে আমি বানপানীৰ উপকাৰিতাবিলাক (যেনে, নদীৰ তলি বাম নোহোৱাকৈ ৰখা, খেতিৰ মাটিক লোণ-খাৰ-এছিডৰ পৰা মুক্ত কৰি ৰখা, মাটিত সাৰ দিয়া আদি) ৰাখিহে সমাধান বিচৰা উচিত। বানপানীৰ নিয়ন্ত্ৰণ বুলিলে আমি বানপানীৰ প্ৰতিৰোধ বুলি ভবা অনুচিত। বানপানীক স্বাভাৱিকভাৱেই হ'বলৈ দি সি যাতে প্ৰলয়ংকৰ ৰূপ ধাৰণ নকৰে তাৰ ব্যৱস্থা কৰাটোহে আমাৰ লক্ষ্য হ'ব লাগে।

আনহাতে, আমি (নিয়ন্ত্ৰিত) বানপানীয়ে সাধিব পৰা আমাৰ অনিষ্টৰ পৰা হাত সাৰি থাকিবলৈকো বহু কাম কৰিব পাৰোঁ। সেইবিলাক হৈছে: (১) থকা ঘৰ-বাৰী, স্কুলঘৰ, নামঘৰ আদি ওখ ঠাইত বা ওখ কৰি লোৱা ঠাইত চাং-বঙলাৰ আকাৰত সজা; (২) বান হ'ব পৰা অঞ্চলত ঘৰে-ঘৰে নাও মজুত ৰখা (যিটো আগৰ অসমীয়াই কৰিছিল); (৩) বানৰ পাছত হ'ব পৰা মহামাৰী বা বেমাৰ-আজাৰৰ বাবে আগতীয়া ব্যৱস্থা কৰা; (৪) আমাৰ খেতি-বাতিৰ পদ্ধতি আৰু চৰিত্ৰ বানক কেন্দ্ৰ কৰিয়েই সলোৱা। এই বিষয়ে ১৯৮৭ চনৰ ৩১ আগষ্টৰ দৈনিক জনমভূমিত ড° ধীৰেন্দ্ৰনাথ বৰঠাকুৰে এটা অতি বিজ্ঞানসন্মত আৰু অৰ্থপূৰ্ণ প্ৰবন্ধ লিখিছিল।

## কম্পিউটাৰ প্ৰতিৰূপে মিছিছিপিৰ গভীৰতাৰ বুজ দিছে

নিউ-য়ৰ্কৰ টিপেটছ-এবেট-মেকাৰ্থি-ষ্ট্ৰাটন (চমুতে টেমছ) নামৰ ইঞ্জিনিয়াৰিং পৰামৰ্শকাৰী কোম্পানিটোৱে কম্পিউটাৰ শক্তিক নামনি মিছিছিপি নদীক খান্দিবলৈ প্ৰয়োজনীয় কিন্তু বহু সময় লগা মেপ-নিৰ্ণয় আৰু প্ৰতিৰূপ তৈয়াৰ কৰাত কেইবা প্ৰকাৰেও ব্যৱহাৰ কৰিছে। তেওঁলোকৰ পদ্ধতিবিলাকৰ কেইবাটাও নতুন আৰু কিছুমান নতুন নহয়।

টেমছে লুইছিয়না প্ৰদেশৰ বেটন ৰ'গৰপৰা মেক্সিকো উপসাগৰলৈকে মিছিছিপি নদীখন খান্দিবলৈ লোৱা প্ৰস্তাৱিত আঁচনিখনৰ দোষ-গুণ নিৰ্ণয় কৰিবলৈ লৈছে। ক'ৰ অৱ ইঞ্জিনিয়াৰে গোটোৱা তথ্য-পাতি আৰু তেওঁলোকৰ নিজৰ তথ্য-পাতি ব্যৱহাৰ কৰি টেমছে নদীখন ক'ত-ক'ত ৫৫ ফুটতকৈ (এইটো লুইছিয়ানা প্ৰদেশে নিৰ্দেশ দিয়া মতে মিছিছিপিৰ অতি কমেও হ'ব লগীয়া গভীৰতা) বাম তাৰ ক্ৰছ-ছেক্সনবিলাকৰ একোটা প্ৰতিকৃতি উলিয়াবলৈ সমৰ্থ হৈছে। ক্ৰছ-ছেক্সনবিলাকৰ হ'বলগীয়া দ অংশৰ ঠাইবিলাক সাল-সলনি কৰি-কৰি আটাইতকৈ কম খান্দিবলগীয়া পথ এটা নৈখনৰ তলত নিৰ্ণয় কৰিবলৈ টেমছৰ ইঞ্জিনিয়াৰসকল সমৰ্থ হৈছে।

টেমছৰ ইঞ্জিনিয়াৰসকলে তেওঁলোকে কম্পিউটাৰ প্ৰয়োগৰ এই দিশটোক বেছি গুৰুত্ব নিদিয়ে, কাৰণ তেওঁলোকৰ মতে কম্পিউটাৰ-বিধিৰ তেনে প্ৰয়োগ সেয়াই প্ৰথম নহয়। তেওঁলোকৰ মতে মেক্সিকো উপসাগৰৰ লুনীয়া পানী মিছিছিপি নদীত কেনেকৈ সোমায় তাৰ গণনা আৰু ৰেখাৰে অঁকা তাৰ প্ৰতিৰূপৰ কাম কেইটাহে বেছি গুৰুত্বপূৰ্ণ। লুনীয়া পানী নৈৰ পানীতকৈ ডাঠ হোৱা কাৰণে সেই পানী নৈৰ মোহনাৰ তলিভাগত কাঁড়মুখীয়াকৈ গোট খায়। সেই লুণীয়া গেদ নৈখনৰ সোঁতৰ বেগ কমিলে নৈৰ ভিতৰলৈ সোমায় আৰু সোঁতৰ বেগ বাঢ়িলে পিছলৈ হুঁহুকি যায়।

সেই কাঁড়মুখীয়া গেদৰ স্থান নিৰ্ণয় কৰাটো নিতান্তই প্ৰয়োজন, কিয়নো তাৰ জোংটোৰপৰা ২০ মাইল নামনিৰ পানীত বৰ্তমান পৰিবেশ সংৰক্ষণ বিভাগে চহৰৰ পানী-যোগানৰ কাৰণে থাকিব লগীয়া বুলি দিয়া পানীৰ গুণখিনি আছে। বৰ্তমান নৈখনৰ তলৰ ওখ অংশই এই লুণীয়া গেদখিনি বেছি ভিতৰলৈ সোমোৱাত বাধা দিয়ে। নৈখন খান্দোতে এই ওখ ঠাইবিলাকেই আঁতৰাব লাগিব, আৰু সেই কামে পানী-যোগানৰ কাৰণে পানী তোলা চাৰি ঠাইত পানীৰ লোণৰ পৰিমাণৰ অতিমাত্ৰাই বঢ়াব।

টেমছৰ ইঞ্জিনিয়াৰ আৰ্মান্দু বেলুফ আৰু দেৱ কুমাৰ বৰাই মাছাছুচেট্‌ছ ইনষ্টিটিউট অৱ টেকন'লজিৰ ডনাল্ড হাৰ্লমেনৰ সহায়ত সেই লুনীয়া গেদৰ কম্পিউটাৰ প্ৰতিৰূপ তৈয়াৰ কৰিবৰ কাৰণে এক কম্পিউটাৰ-বিধি ৰচিবলৈ সমৰ্থ হৈছে।



OKDISCD

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

# অতুলনীয় শিক্ষক ঃ অতুল চন্দ্ৰ দত্ত

"খুব পৰিশ্ৰম কৰিব লাগে। জীৱনত এটা লক্ষ্য থাকিব লাগে। ছাত্ৰসকলক সদায় মই এই উপদেশকে দি আহিছোঁ। তেতিয়া তেওঁলোক সফল হ'বই হ'ব।" —৮৭ বছৰীয়া ছাৰে ক'লে। অলপ ৰৈ তেওঁ মোৰ ফালে চাই মন্তব্য কৰিলে, আৰু যদি বহুত দিন জীয়াই থাকিব খোজা, কম খাবা। পৰিশ্ৰম কৰিবা। কঠোৰ পৰিশ্ৰম। যেতিয়া পৰিশ্ৰম কৰিব নোৱৰা হ'বা, খোজ কাঢ়িবা।"

ছাত্ৰীবাৰীৰ ঘৰত বহি ছাৰৰ জীৱন-কথা শুনিছিলো। ঘৰটোৰো অলিখিত ইতিহাস আছে। গুৱাহাটীত গোপীনাথ বৰদলৈ মিউনিছিপালিটিৰ চেয়াৰমেন থাকোঁতেই ইয়াত মাটি লৈ তেওঁ ঘৰ সাজে। এই অঞ্চলত তেতিয়া জনজাতীয় লোকৰ বসতি আছিল। তেতিয়া তাত পানী আৰু আলিবাট নাছিল। গোপীনাথ বৰদলৈৰ লগত ছাৰে একেলগে টেনিছ আৰু ক্ৰিকেট খেলিছিল। সেই সূত্ৰে বন্ধুত্ব গাঢ় হৈছিল। বৰদলৈয়ে তেওঁৰ ঘৰৰ ৰূপ সলনি কৰা আৰু সজাত সহায় কৰিছিল, আৰু সমুখৰ আলিবাটটো বন্ধাই দিছিল।

ছাৰে কলিকাতাত মাটি কিনি ঘৰ সজাইছিল। কিন্তু তাত মানুহৰ ভাল ব্যৱহাৰ নাপাই অসন্তুষ্ট হ'ল। কলিকাতাত সীমাৰ বেৰ কেইবাবাৰো মানুহে ভাঙিছিল। তেনেতে এদিন তেওঁৰ তিনিজন বন্ধুৱে আহি ক'লেহি, "আপুনি ইয়াৰ পৰা যাব নোৱাৰে। ইয়াতে থাকিব লাগিব।" সেই তিনিজন মানুহ হ'ল দিবাকৰ গোস্বামী, অন্ন বৰুৱা আৰু কামাখ্যা ঠাকুৰ। ছাৰৰ লগত অসমৰ গভীৰ সম্বন্ধ ঘটে দুই ধৰণেৰে। গছ-গছনিৰ যোগেদি আৰু ছাত্ৰৰ যোগেদি। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ তেওঁৰ প্ৰাক্তন ছাত্ৰ ভৰি আছে। ছাত্ৰসকলৰ ওপৰত তেওঁৰ গভীৰ আস্থা। তেওঁ বিশ্ববিদ্যালয়ৰ কোনো পৰীক্ষাতে দ্বিতীয় হোৱা নাছিল। বিশ্ববিদ্যালয়ৰ পৰা ওলায়েই তেওঁ কোইম্বাটোৰত কপাহৰ বিষয়ে গৱেষণা কৰিবলৈ গৈছিল। তাৰ পাছত কলিকাতাৰ সুৰেন্দ্ৰ কলেজত শিক্ষকতা কৰিছিল কিছু দিনৰ বাবে। তাতে তেওঁ প্ৰথম ব'টেনি বিভাগ খোলে। ১৯২৭ চনত তেওঁ গুৱাহাটী কটন কলেজলৈ আহিল। তেওঁ দেখিলে কলিকাতাৰ ছাত্ৰতকৈ অসমৰ ছাত্ৰ বহুত গুণে ভদ্ৰ আৰু আগ্ৰহী। কটন কলেজৰ উদ্ভিদ বিজ্ঞান বিভাগটো তেওঁ নিজ হাতে গঢ়া। পাছলৈ তেওঁৰ ছাত্ৰ সকলৰ কোনো মুখ্য ন্যায়াধীশ কোনো ন্যায়াধীশ, কোনো উপাচাৰ্য, কোনো ৰাজনীতিজ্ঞ আৰু কোনো সাংবাদিক হৈছিলগৈ। শিক্ষক আৰু আমোলা হোৱা প্ৰাক্তন ছাত্ৰৰ সংখ্যাতো যথেষ্ট। ছাত্ৰসকলেই তেওঁৰ প্ৰাণস্বৰূপ। অসমৰ মধ্যম বৰ্গ গঠন আৰু বিকাশত ছাৰৰ বৰঙণি যথেষ্ট।

অসমৰ প্ৰতি তেওঁৰ মোহ ইমান বাঢ়িল যে তেওঁ কলিকাতাৰ ঘৰ-বাৰী বেচি দি গুৱাহাটীতে থিতাপি ল'লে। তেওঁৰ এই স্থায়ী ঘৰত বহি আমি কথা পাতিছিলো।

তেওঁৰ জীৱনৰ মূলমন্ত্ৰ চমুকৈ আৰম্ভণিৰ কথাকেইষাৰিতে প্ৰকাশ পাইছে। জ্ঞানৰ আকাংক্ষা যাৰ আছে তেওঁ জীৱনটো সেই আদৰ্শতে গঢ়ি ল'ব লাগে। স্বনামধন্য অধ্যাপক স্বৰ্গীয় অতুল চন্দ্ৰ দত্ত ১৯২৭ চনৰে পৰা ১৯৫৪ চনলৈ কটন কলেজৰ উদ্ভিদ বিজ্ঞানৰ অধ্যাপক আছিল। তেওঁৰ জ্ঞান সাধনাৰ জীৱন্ত সাক্ষ্য তেওঁৰ দুখন গ্ৰন্থ, কটনৰ সৰু ব'টেনিকেল বাগিছাখন আৰু তেওঁ গছ-গছনিলৈ কৰা পৰীক্ষাবোৰ। ১৯৮০ চন পৰ্যন্ত তেওঁ গ্ৰন্থ দুখন (A Class Book Botany আৰু Botany For the Degree Students) নিয়মিতভাৱে সংশোধন কৰিছিল অৰু নিজে প্ৰুফ চাইছিল। স্বাস্থ্যও সযত্নে ৰক্ষা কৰিছিল। ৮০ বছৰ বয়সত প্ৰুফ চোৱা, ছবি অঁকা, আৰু বিজ্ঞানৰ আলোচনী আদি পঢ়া সকলোৰে বাবে সম্ভৱ নহয়। ১৯৮০ চনত তেওঁ এদিন ফঁাচী বজাৰলৈ ফুৰিবলৈ গৈছিল। উভতি ঘৰ পোৱাৰ পাছত তেওঁৰ মূৰ চেঁচা লাগে আৰু বাথ ৰূমত অচেতন হৈ পৰে। তেতিয়াৰে পৰা তেওঁৰ কৰ্মক্ষমতা কমিল যদিও টুকাই যোৱা নাছিল। তেওঁ জ্ঞানৰ সাধনাত ব্ৰতী আছিল শেষলৈকে।

চাৰৰ জন্ম চন হ'ল ১৮৯৮। তেওঁৰ আদি ঘৰ ফৰিদকোটত আছিল। তাৰ হাইস্কুলৰ পৰা প্ৰথম হৈ তেওঁ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। আই. এছ. ছি পৰীক্ষা দিয়ে বংগবাসী কলেজৰ পৰা। তাৰ অধ্যক্ষ গিৰিশ বসুৱে তেওঁক ব'টেনি পঢ়াইছিল। গিৰিশ বসু নামজ্বলা শিক্ষক আছিল। দত্ত ছাৰে আই. এছ. ছি পৰীক্ষাত প্ৰথম হৈ উত্তীৰ্ণ হয়। তাৰ পাছত প্ৰেছিডেন্সি কলেজৰপৰা বি. এছ. ছি আৰু কলিকাতা বিশ্ববিদ্যালয়ৰ পৰা এম. এছ. ছি পৰীক্ষাত উত্তীৰ্ণ হয়। দুয়োটা পৰীক্ষাতে তেওঁ প্ৰথম শ্ৰেণীৰ প্ৰথম হয়। কলেজত পঢ়োঁতে তেওঁৰ শিক্ষক আছিল এজন জাৰ্মান। নাম বুলচাদ। তেওঁ প্ৰায়ে বাংগালোৰলৈ যায় জীয়েকৰ গুৰিলৈ। যাওঁতে ছাৰক কলেজৰ লেবৰেটৰিৰ ভাৰ দি যায়।

তেওঁ আছিল দুখীয়া ঘৰৰ ল'ৰা। শিক্ষা কালত এসাজ নোখোৱাকৈ বা দুপইচাৰ ৰুটি খায়ো জীৱন কটাব লগাত পৰিছিল। ভাতো নিজে ৰান্ধিহে খাইছিল। দুখীয়া হ'লেও মনত জগদীশ বসু বা ৰমনৰ আদৰ্শ উজ্জ্বল হৈ আছিল। তেতিয়াৰ প্ৰায়বোৰ ছাত্ৰৰে এই সকলেই আছিল আহি-পুৰুষ। কৃষ্ণকান্ত সন্দিকৈয়ে কেনেদৰে ব্ৰজেন্দ্ৰ নাথ শীলৰপৰা প্ৰেৰণা পাইছিল, তাক আমি জানোহঁক।



কটন কলেজৰ ব'টেনি বিভাগটোৰ তেওঁ আছিল প্ৰাণ। অতি যত্নেৰে এখন বাগিচা গঢ়ি তুলিছিল, তাত যথেষ্ট আপুৰুগীয়া গছ-লতা-বন-ফুল আদি আছিল। ল'ৰাবিলাকক প্ৰত্যেককে জানিবলৈ যত্ন কৰিছিল। পঢ়া-শুনাত অসুবিধা পালেও ল'ৰাক তেওঁ সেই কথা ক'বলৈ কৈছিল। তেওঁ মোক কৈছিল, "কেতিয়াবা নিজে যন্ত্ৰ সাজিও পৰীক্ষা-নিৰীক্ষা কৰিছিলো। কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতা অবিহনে জ্ঞান অৰ্জা টান।"

এদিন এজন ল'ৰা ক্লাছৰ ৰূমত খিৰিকিয়েদি ওলাই গুচি আহিল। অতুল দত্ত ছাৰে দেখি তেওঁ মতাই আনি সুধিলে, "কি কাৰণে ওলাই আহিলা?"

ল'ৰাজনে ক'লে, ছাৰ, মিছেছ ৰয়ৰ ক্লাছ বৰ আমনিদায়ক। তেখেতে কিতাপ মেলি পঢ়ুৱাইছে। আমি দেখোন কিতাপ ঘৰতো পঢ়িব পাৰোঁ।"

দত্ত ছাৰে বুজিলে,— ল'ৰাজনৰ অভিযোগত সত্যতা আছে। তেওঁ ক'লে, "তুমি যোৱা। একো কৰিব নালাগে। আমি আলোচনা কৰি কিবা এটা কৰিম।"

এই ল'ৰাজন আছিল পাছৰ কালৰ প্ৰখ্যাত সাংবাদিক শ্ৰীনৰেশ চন্দ্ৰ ৰাজখোৱা।

মোৰ নিজৰো এটা ঘটনা মনত আছে।

এদিন ক্লাছত ড° চেটাৰ্জীয়ে ক'লে, "হিষ্ট'লজিত ব্লেকমেনছ থিয়ৰি এটা আছে। 'এছেণ্ট অৱ ছেপ'ৰ ব্যাখ্যা দিয়াত এই তত্ত্বই সহায় কৰে। তোমালোকক পঢ়ুৱাইছে নে?" মই ক'লো, "নাই পঢ়ুউৱা।" তেওঁ ক'লে, অধ্যাপকক সুধি ল'বা।"

ড° চেটাৰ্জীয়ে আমাক ছিষ্টেমেটিক ব'টেনি পঢ়ুৱাইছিল। অতুল দত্তই পঢ়ুৱাইছিল হিষ্ট'লজি। অতুল দত্তৰ ক্লাছ চলত মই উঠি সুধিলো, "ছাৰ, চেটাৰ্জী ছাৰে কিবা এটা ব্লেকমেনছ থিয়ৰিৰ কথা কৈছে। সেইটোনো কি?"

খন্তেক পৰলৈ ছাৰ নিৰৱ হৈ গ'ল। তাৰ পাছত গহীনাই উত্তৰ দিলে, "তোমাৰ প্ৰশ্নৰ উত্তৰ মই কাইলৈ দিম।"

পাছদিনা আহি মেজত চকমাটি থৈয়েই দত্তই মোৰ ফালে চাই ক'লে, "তুমি কৰা প্ৰশ্নটোৰ বিষয়ে ক'ওঁ। কালি মই ড° চেটাৰ্জীক কমন ৰুমত সুধিলো, ব্লেকমেনছ থিয়ৰিটোৰ কথা আপুনি ক'ত পাইছে? তেওঁ কোনো কিতাপৰ বা প্ৰবন্ধৰ নাম দিব নোৱাৰিলে। তেতিয়া মই ক'লো; তেনেহলে তত্ত্বটোনো কি মোক কওকচোন। তেখেতে ক'ব নোৱাৰিলে। ...তেখেতে মোৰ শ্ৰেণীত পাঠত মিছাকৈয়ে আহি সমস্যাৰ সৃষ্টি কৰিছেহি।"

ছাৰ মানুহজন জাতে-পাতে সৎ। এটা ঘটনাৰ পৰাই এই কথা অনুমান কৰিব পাৰি। এবাৰ পৰীক্ষাৰ নম্বৰৰ তালিকাখন সমীক্ষা কৰি আছে। তেওঁ ঘাই পৰীক্ষক। বৰ জীয়েকো পৰীক্ষাৰ্থী। দেখিলে তালিকাত জীয়েকৰ নম্বৰেই আটাইতকৈ সৰহ। ৮০। ৮০ মানেই লেটাৰ। ছাৰে ভাবিলে জীয়েকে যদি লেটাৰ পায়, তেন্তে তেওঁক মানুহে পক্ষপাতিত্ব কৰিছে বুলি ভাবিব পাৰে। মনত ভয়ানক অন্তৰ্দ্বন্দ্ব হ'ল। শেহত তেওঁ নিজৰ অপক্ষপাতিতাৰ ভাবমূৰ্তি জীয়াই ৰাখিবলৈ জীয়েকৰ নম্বৰ ৮০ পৰা ৭৯ কৰিলে। জীয়েকৰ কাৰণে কথাটো নিশ্চয় অন্যায় হ'ল। কিন্তু তেওঁৰ ভাবমূৰ্তি উজ্জ্বলতৰ হৈ পৰিল। (অৱশ্যে নৈতিক বিচাৰত ছাৰৰ কামটো শুদ্ধ হৈছিল নে নাই সেই বিষয়ে মোৰ সন্দেহ আছে। কিন্তু তেওঁৰ অপক্ষপাতিতাৰ প্ৰতি আগ্ৰহ নিশ্চয় প্ৰশংসনীয়।)

ছাৰক সেইদিনা ঘৰত দেখিলো ৮৭ বছৰ বয়সত। মাতটো একে আছে। আদৰ্শও একে আছে। আমি যুদ্ধ-যুগৰ কলেজীয়া ছাত্ৰ। আমাৰ দিনতে আগৰ উদাৰনৈতিক শিক্ষাৰ আদৰ্শ মোলান পৰিল। আদৰ্শ মানৱ তেতিয়া ৰমন বা জগদীশ বসু নাছিল। আছিল বিদ্বান ৰাজনীতিজ্ঞসকল। সকলো ধৰণৰ কৰ্তৃত্বকে ছাত্ৰসকলে তেতিয়া সন্দেহ কৰিছিল: সন্দেহৰ পাছৰ স্তৰ আছিল অসহযোগ, আৰু বিৰোধ। আনকি গান্ধীৰ সততাকো তেতিয়া সন্দেহ কৰা হৈছিল। এই প্ৰতিৰোধৰ ভেটি যদিও মাৰ্ক্সবাদ আছিল, তথাপি মাৰ্ক্সবাদ ভালদৰে অধ্যয়ন কৰা লোক খুব কম আছিল। এজন পাইছিলো, কেদাৰ নাথ গোস্বামীক। কেদাৰ নাথ গোস্বামীয়ে কেইবাটাও ভাষা জানিছিল। তেখেত আহি এবাৰ কমলা ৰয়ৰ (তেওঁৰ ভনীয়েক) ঘৰত আছিলহি। মই কথা পাতোঁতে তেওঁ কৈছিল, "বুজিছা বীৰেন, মই মূল ফাৰ্চীত ওমৰ খায়াম পঢ়িছোঁ। চাকী আচল চাকী যেনেই লাগিল।" মই অলপ আচৰিত হৈছিলো। আৰু এটা কথা তেওঁ কৈছিল। মাৰ্ক্সে ভাৰতীয় দৰ্শন পঢ়া নাছিল। পঢ়া হ'লে তেওঁৰ ভাবধাৰা কিছু সলনি হ'লহেঁতেন। এইবোৰ কথা শুনি আচৰিত হোৱাৰ উপৰিও অনুভৱ কৰিছিলো জ্ঞানৰ এটি বিকল্প কেন্দ্ৰৰ প্ৰয়োজন।

দত্ত ছাৰে এনে কোনো বিকল্প কেন্দ্ৰৰ প্ৰয়োজন অনুভৱ কৰা নাছিল। কাৰণ বিজ্ঞান জ্ঞানৰ লাইখুটাস্বৰূপ। তদুপৰি মাৰ্ক্সৰ তত্ত্ববোৰ বিজ্ঞানৰ তত্ত্বৰ দৰেই কিছুমান পৰ্যবেক্ষণৰ আৰু অনুমানৰ ফল। নতুন পৰ্যবেক্ষণ আৰু অনুমানৰ দ্বাৰা সেই তত্ত্বৰোৰ সংশোধিত হ'ব পাৰে। মাৰ্ক্সৰ সমাজতত্ত্বই বা ৰাজনৈতিক-অৰ্থনৈতিক তত্ত্বই বাস্তৱৰ লগত তাল মিলাই চলিব লাগিব, তেহে তাক বিজ্ঞান বুলিব পৰা যাব। অলপতে চীন দেশলৈ যাওঁতে এজন ডাঙৰ অৰ্থনীতিবিদৰ কিতাপ পঢ়িছিলো। তেওঁ লিখিছিল এশতকৈও অধিক বছৰৰ আগতে লিখা মাৰ্ক্সৰ তত্ত্ববোৰ সম্পূৰ্ণৰূপে চীনৰ দৰে বিকাশশীল দেশৰ ক্ষেত্ৰত খটুৱাব নোৱাৰি। জয়প্ৰকাশ নাৰায়ণ আৰু আচাৰ্য নৰেন্দ্ৰদেৱে ত্ৰিহৰ দশকতে এই কথা কোৱা মনত আছে।

ছাৰে উদ্ভিদ বিজ্ঞান অধ্যয়ন কৰিছিল, আৰু সেই বৈজ্ঞানিক মনৰ কিছু



OKDISCD

নহয় কিছু প্ৰভাৱ তেওঁৰ শিক্ষা আৰু সমাজৰ আদৰ্শতো পৰিছিল। অসমৰ প্ৰকৃতি আৰু অসমৰ ছাত্ৰৰ মাধ্যমেদিয়েই তেওঁ অসমক বুজিবলৈ চেষ্টা কৰিছিল যদিও তাতেই যে মন সীমাবদ্ধ আছিল তাক ক'ব নোৱাৰি। য'তেই বিজ্ঞান, ত'তেই সম্যক বাস্তৱ জ্ঞান। তাত অতিৰঞ্জনা, আবেগৰ প্ৰাধান্য বা অজ্ঞাতজনিত ব্যৱহাৰৰ স্থান নাই। সেইবাবে ছাৰে মোক কৈছিল, "মই ফাঁকি দিয়া নাই, কাৰো অন্যায় কৰা নাই। মই সকলোকে সহায় কৰিছোঁ, ভালকৈ শিক্ষা দিছিলো। ষাঠি বছৰ অসমত থাকি ভাৰতৰ আন ঠাইতকৈ ইয়াকে ভাল পাইছোঁ।" এই কথা যে আখৰে-আখৰে সঁচা সেই কথা মই আৰু মোৰ বন্ধু শ্ৰীঅজিত কুমাৰ শৰ্মা দুয়ো বিনা দ্বিধায় মানি লৈছিলো। তেওঁৰ দেখা আৰু চোৱা বৈজ্ঞানিকৰ দেখা বা চোৱা। তাত কোনো মল নাই। কিন্তু ঠাই এখন ভাল পালে বুলিয়েই যে তাক অন্ধভাৱে ভাল পাব লাগিব, তাৰো কোনো মানে নাই। প্ৰত্যেক ঠাইৰে বা জাতিৰে বা ব্যক্তিৰে দোষগুণ থাকিবই। বৈজ্ঞানিক দৃষ্টিত দোষগুণ দুয়োটা ধৰা পৰে। ছাৰে আমাৰ দোষবোৰো নিশ্চয় দেখিছিল। তাৰ সংশোধনৰ এক মাত্ৰ পথ তেওঁ দেখা পাইছিল শিক্ষা, আৰু নীতি পালনৰ যোগেদি; চৰিত্ৰ গঠনত। সেই কাৰণে ছাৰে বহুত দুখীয়া ল'ৰাক ফিজ দি পঢ়াত সহায় কৰি দিছিল। তেওঁ মোক কৈছিল তেওঁ বছৰি দুটা বা তিনিটা দুখীয়া ছাত্ৰক ফিজ দিছিল। তেওঁৰ অৱচেতনত এটা ভাবে সদায় ক্ৰিয়া কৰিছিল। সেই ভাবটো এই : "সৰুতে মই বৰ দুখীয়া আছিলো।"

শিক্ষক দিবস বহুত হৈ গ'ল। বহুতে ৰঙালী বিহু উৎসৱত বহুজনক সন্মানৰ গামোচা যঁচা হ'ল। কিন্তু ধানপুৰীয়া কঠাল পাতৰ আঁৰত লুকাই থাকিল। ছাৰে অৱসৰ জীৱনকে কটালে ৩৪/৩৫ বছৰ। তিনিজন তেওঁৰ ছাত্ৰ উপাচাৰ্য হ'ল, কিন্তু বিশ্ববিদ্যালয় এটাতো তেওঁৰ স্থান নহ'ল। তেওঁৰ সেৱাৰো শলাগ তেনেকৈ ৰাজহুৱাভাৱে লোৱা নেদেখিলো। ই অন্ধ জাতীয়তাৰ ফল নেকি নাজানো। অসম একাডেমি ফৰ কালচাৰেল ৰিলেশ্যনছৰ তৰফৰ পৰা তেখেতক এবাৰ সন্মান জনোৱা হৈছিল। ৰাধানাথ দাস আৰু ড° মথুৰা নাথ গোস্বামীকো একেদিনাই সন্মান যচা হৈছিল।

কিন্তু কি দুৰ্ভাগ্যৰ কথা অসুখৰ বাবে ছাৰ যাব নোৱাৰিলে।

আমি কেইজনমান তেওঁৰ ঘৰলৈকে গৈ তেওঁক ঘৰত মান পত্ৰ দিছিলোগৈ। আমাৰ দলটোত একাডেমিৰ সভাপতি ড° ভুবন মোহন দাস, তফুজ্জল আলি, ড° সত্যেন্দ্ৰ নাথ শৰ্মাও আছিল বোধকৰোঁ। মান পত্ৰ পঢ়িছিল নন্দ তালুকদাৰে। এটা অনুচ্ছেদ পঢ়োঁতেহে, ছাৰে হুক-হুককৈ কান্দিবলৈ ধৰিলে। সেই দিনা বৈজ্ঞানিকৰ ধৈৰ্য সমূলঞ্চে হেৰাই গ'ল। তালুকদাৰক পঢ়া বন্ধ কৰিবলৈ ক'লোহঁক।

প্ৰকৃতপক্ষে আমি কৃতজ্ঞতা জনোৱাত অলপ কৃপণ। যিসকল বাঙালী গুণীয়ে অসমৰ শিক্ষাৰ উন্নতিত বৰঙণি যোগালে, তাৰে ভিতৰত ছাৰৰ স্থান নিশ্চয় আগ শাৰীতে পৰিব। আৰু এজন তেনে লোক আছিল পি. ছি. ৰয়। পি. ছি. ৰয়ৰ জীয়েক অমিতা মালিক দিল্লীৰ জনাজাত সাংস্কৃতিক আলোচক। তেখেতেও সিদিনা এখন কাগজত পৰাগধৰ চলিহাই দিল্লীত প্ৰদৰ্শন কৰা "চাৰি হেজাৰ বছৰৰ অসম" নৃত্য নাট্যখনৰ শলাগনি লিখোঁতে অসমৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিছে। দিয়া-লোৱা আৰু আদান-প্ৰদানৰ মাজেদিহে আমি অসমীয়া বাঙালীৰ সম্প্ৰীতি গঢ়িব পাৰিম। অৱশ্যে সমানতাৰ ভেটিতহে ই সম্ভৱ।

ছাৰৰ তালৈ অজিত শৰ্মা আৰু মই যোৱা অসম আন্দোলনৰ মাজতে কেইবাবাৰো গৈছিলো। তেওঁ তেতিয়া নাতিনিয়েকক দেখুৱাই কৈছিল, "এই নিয়মিতভাৱে ৰেডিঅ'ৰ অসমীয়া খবৰ শুনে। মই—"। ছাৰে আমাক তেখেতৰ অসম-প্ৰীতিৰ কথা জনাব খুজিছিল আমি হাক দিলো। তেখেত, আশুদেৱ, কুলদা কুমাৰ ভট্টাচাৰ্য, নীলকমল দত্ত, অমলেন্দু বানাৰ্জী —এইসকল আমাৰ জনা-শুনা মানুহ। এইসকলেও যদি তেওঁলোকৰ অসমপ্ৰীতি প্ৰমাণ কৰি দেখুৱাব লগীয়াত পৰে, তেন্তে তাক দুৰ্ভাগ্য বুলিয়েই গণনা কৰিম। সেইদিনা তেখেতক বৰ বিহ্বল দেখিছিলো।

ছাৰৰ আটাইতকৈ আকৰ্ষণীয় গুণ হ'ল জ্ঞান অন্বেষণৰ গুণ। এই গুণ বৰ আপুৰুগীয়া।

অসমক তেখেতে কিমান ভাল পাইছিল তাক এটা কথাৰ পৰাই ধৰিব পাৰি। এদিন অজিতকে মোকে কৈছিল, "আগৰ অসমখনেই বৈজ্ঞানিক দৃষ্টিৰ পৰা আচল অসম। এই ঠাইটুকুৰাৰ গছ-গছনিৰ বিশেষত্ব আছে। মই ৬০ টা মান আপুৰুগীয়া নিদৰ্শন জীৱনত সংগ্ৰহ কৰিছোঁ। আৰু চিনাকি নমুনা সংগ্ৰহৰতো কথাই নাই। এই সকলোবোৰ এতিয়া ভগাই মোৰ কিতাপত মেঘালয়ত, নগালেণ্ডত, মণিপুৰত— এনে বুলি লিখিব লগা হ'ল। মনৰ অসমখন খণ্ড-বিখণ্ড হৈ গ'ল। কিমান যে দুখ পাইছোঁ কি কম।"

কোনো সৎ উদ্ভিদ বিজ্ঞানীয়ে ইয়াতকৈ ভালকৈ নিজৰ অসম-প্ৰেম প্ৰকাশ কৰিব নোৱাৰিলেহেঁতেন।

ছাৰে গ'লেই কয়, "আহি থাকিবা।"

যোৱা নহয়। কাম ওলায়। মনটো উচপিচাই থাকে। এদিন গ'লো। লগত পৰিবাৰ আৰু ছোৱালীজনী। সেই দিনা তেখেতৰ কথাখিনি টেপ-ৰেকৰ্ড কৰি আনিছিলো।

তেখেত আজি নাই। সেই দিনা তেখেতে জীৱনৰ কেইটামান ঘটনাৰ কথা আমাক কৈছিল। আটাই কেইটা ঘটনা তেখেতে জীৱন দৰ্শনৰ উদাহৰণ ৰূপে উনুকিয়াইছিল। তেখেতে অৱশ্যে জীৱন-দৰ্শনৰ দ্বন্দ্বৰ কথালৈহে আঙুলিয়াই দিছিল। আটাইকেইটা ঘটনাতে তেখেতে প্ৰায় মৃত্যুৰ সন্মুখীন হৈছিল। প্ৰত্যেকটো বিপদৰে তেখেতে সাহসেৰে সন্মুখীন হৈছিল। কিন্তু তেখেমনত প্ৰশ্ন হৈছিল, অদৃষ্ট আৰু ভগবান আছেনে ? নে এইবোৰ স্বাভাৱিক ঘটনা ? এনেকুৱা ঘটনা আমাৰ জীৱনতো ঘটিছে। কাজেই ইয়াত বৈজ্ঞামিক অনুসন্ধানৰ থল আছে। কিন্তু ছাৰ আধিভৌতিক জ্ঞান সম্পৰ্কে সম্পূৰ্ণ নিৰৱ আছিল। জীৱন দৰ্শননো কি তাকো ফুটাই কোৱা নাছিল। সম্ভৱতঃ জীৱন-দৰ্শন হয়তো প্ৰস্তুত হোৱা নাছিল, বা তাৰ প্ৰয়োজনো দকৈ অনুভৱ কৰিলেও জীৱন-মৃত্যুৰ ৰহস্য ভেদ কৰিব পৰা নাছিল।

প্ৰথম ঘটনাটো ঘটিছিল কোইম্বাটোৰত থাকোঁতে।

ফিল্ড ৱৰ্ক কৰি আহোঁতে ছাইকেলত আহিব লাগে। এদিন ছাইকেলত আহি আছে। বাটতে অনুভৱ কৰিলে কিহবাই ভৰিত খট্ খট্ কৈ মাৰিছে। উভতি চাই দেখে এডাল প্ৰকাণ্ড ফেটি সাপ। সি খুটিছে হয় কিন্তু পেণ্টতহে খোট পৰিছে। ছাল বাচি গৈছে। তেওঁ চিঞৰিবলৈ ধৰিলে। ভাগ্যে ফিল্ডত কাম কৰা মানুহৰ ভিতৰত এজন সাপ ধৰা মানুহ আছিল, তেওঁ সাপটো ধৰি পেলাই তাক মৰাৰ ব্যৱস্থা কৰিলে।

সেই যাত্ৰাত তেওঁক অদৃষ্টই বচালেনে, অৱস্থাৰ কাৰণে বাচিল ?

এই প্ৰশ্নৰ উত্তৰ দিয়া সহজ কথা নহয়। তেৱোঁ তাৰ উত্তৰ পোৱা নাই বিচাৰি। আৰু দুটা ঘটনা তেখেতৰ জ্ঞানান্বেষণৰ সংক্ৰান্তত ঘটা। সেই বাবে কৌতূহলোদ্দীপক।

তেখেত নৱগ্ৰহলৈ দুবাৰ আহিছিল। প্ৰথমবাৰ আহিছিল কটন কলেজত সোমোৱাৰ পাছতে। তেতিয়া নৱগ্ৰহ অটব্য হাবিৰে ভৰা। তেওঁ নতুন গছ-গছনিৰ নিদৰ্শন বিচাৰি এদিন নৱগ্ৰহৰ ফালে গ'ল। নৱগ্ৰহৰ ভিতৰত থকা পানীৰ এটা পুখুৰী পালে। তাত এজোপা ফুল দেখি তাক তেওঁ চাই আছিল; বুটলিবৰ মনেৰে। হঠাতে মন কৰিলে সিপাৰত কিহবাই পানী খাইছে। ভালকৈ চাই দেখে এটা প্ৰকাণ্ড বাঘ। বাঘটোৱে তেওঁলৈ চাই আছে। ছাৰৰ কিবা এটা হৈ গ'ল। সংজ্ঞাবিহীন অৱস্থা। অলপ পাছত বাঘটো পুখুৰীৰ পৰা আঁতৰি মনে-মনে হাবিত সোমাই নেদেখা হ'ল। ছাৰে তত পালে। তেনেতে মন কৰিলে পাহাৰৰ ওপৰৰপৰা এজন চিকাৰী নামি আহিছে।

চিকাৰীজনে নামি আহিয়েই ক'লে, "আপুনি কিয় আহিছিল ইয়ালৈ ? সেইটো মানুহ খোৱা বাঘ। মই বন্দুক খাজি বৈ আছিলো যদিও বাঘে আপোনাক আক্ৰমণ কৰা হ'লে মই ওপৰৰ পৰা আহি ৰক্ষা কৰিব নোৱাৰিলোহেঁতেন। আপোনাৰ ভাগ্য ভাল।"

ঘটনাটোৰ কথা ভাবিলে ছাৰৰ এতিয়াও একেটাই চিন্তা হয়। অদৃষ্টই বচালেনে, চিকাৰীয়ে বচালে! উত্তৰ পোৱা নাই।

[ছাৰ দ্বিতীয়বাৰ নৱগ্ৰহ পাহাৰলৈ আহিছিল ১৯৬৮ চনত। তেওঁৰ প্ৰাক্তন ছাত্ৰ আৰ. এম. দাসৰ ঘৰত সদায় ৰাতি পুৱা ন বজাত ফুলা এজোপা কেকটাছ ফুল চাবৰ বাবে। কেকটাছ জোপাৰ কিছুমান বৈশিষ্ট্য আছিল। তাকে চাবলৈ অতুল বাবু তালৈ আহিছিল। আৰ. এম. দাস অৱসৰপ্ৰাপ্ত কনজাৰভেটৰ অৱ ফৰেষ্ট। ঘৈণীয়েকো বটেনিৰ ছাত্ৰী। কাজেই তেওঁলোকে বাৰীখন ভালমতে বিবিধ গছ-গছনিৰে সজাই থৈছে।

অতুল বাবু দ্বিতীয় বাৰ নৱগ্ৰহলৈ আহোঁতে নৱগ্ৰহ অটব্য হাবি গুচি বহুত মানুহৰ বসতিস্থান হ'ল। অৱশ্যে নৱগ্ৰহ আদিও কৰপৰেশ্যন-বৰ্জিত। থকাৰ আৰু যান-বাহন আদি ভালেমান সুবিধাৰপৰা ঠাইখন বঞ্চিত।]

জ্ঞানান্বেষণৰ তাগিদাত গছ-গছনিৰ নমুনা সংগ্ৰহ কৰিবলৈ ল'ৰাৰ লগত আৰু অকলে বিভিন্ন ঠাইলৈ যোৱাটো তেওঁ কৰ্তব্যৰ ভিতৰত ধৰিছিল। এই কৰ্তব্য আছিল আপোন খুছীত কৰা কাম। কাজেই তাত নিভাজ আনন্দ আৰু সত্য প্ৰাপ্তিৰ আনন্দ দুয়োটাই আছিল। যাত্ৰা তেওঁৰ সাধনাৰ এক বিশিষ্ট মাধ্যম। ভাৰতৰ বিভিন্ন ঠাই তেওঁ ঘূৰিছে। মনৰ যাত্ৰাও অবিৰাম। নতুন গছ, ফুল পাতৰ নমুনা সংগ্ৰহ কৰি ৮৭ বছৰ বয়সলৈকে বটেনিকেল ছাৰ্ভে অৱ ইণ্ডিয়াক সততে সন্তুষ্ট কৰি ৰখা এক মাত্ৰ উদ্ভিদ বিজ্ঞানী আছিল তেৱেঁই। শিৱপুৰ বটেনিকেল গাৰ্ডেনৰ ডিৰেক্টৰৰপৰা এই সম্পৰ্কে তেওঁ এখন প্ৰশংসা-পত্ৰও পাইছিল।

শ্বিলং পৃথিৱীৰ প্ৰাচীনতম পাহাৰ শ্ৰেণীৰ ভিতৰত থকা নগৰ।

তাৰ আশে-পাশে গছ-গছনি বিচাৰি ফুৰা অতুল বাবুৰ এটা অভ্যাস আছিল। কঠোৰ ঘৰুৱা কৰ্তব্য আওকাণ কৰিও তেওঁ এই কাম কৰিছিল।

এবাৰ তেওঁ শ্বিলঙৰ হেপিলজত আছিল। ৰাধা ৰৰঠাকুৰ তাৰ প্ৰতিষ্ঠাতা। ৰাধা ৰৰঠাকুৰ আছিল তেওঁৰ এজন ছাত্ৰ। কাজেই সেই হোটেলত থাকি তেওঁ বিশেষ আনন্দ পাইছিল। শিক্ষকৰ প্ৰেম একপ্ৰকাৰ অপত্য স্নেহেই। তাত থকা এক বিশেষ কাৰণ আছিল। তেওঁৰ বৰ ছোৱালীৰ টনছিল অপাৰেশ্যন হৈছিল। তেওঁৰ সহায়কাৰী হিচাপে লগত আছিল বৰ পুতেক। বাপেক হিচাপে জীয়েকৰ প্ৰতি তেওঁৰ যি কৰ্তব্য তাক তেওঁ নিয়মিতভাৱে পালন কৰিছিল। কিন্তু জ্ঞানৰ দায়িত্ব পালনৰ কথাও তেওঁ পাহৰা নাছিল। জীৱনৰ প্ৰত্যেক দিনেই তেওঁ নিজৰ বিষয়ৰ বাবে অলপ নহয় অলপ চিন্তা অথবা কাম কৰিছিল। অৱসৰ লোৱাৰ পাছতো তেওঁ কিতাপ দুখন আৰু ভাল কৰাৰ চিন্তাত মগ্ন আছিল।

হেপিলজত থাকোঁতেই এদিন পুৱা তেওঁ বিডন ফলছৰ ফালে গ'ল। বিডন ফলছৰ ওপৰলৈ ওপৰলৈ চাই দেখিলে ৰঙা ৰ'ডড্ৰেনড্ৰন ফুল। ফুল দেখি তেওঁ ৰ'ব নোৱাৰিলে। ফুলগছ যে অলপ বিপদজনক এঢলীয়া গড়া এটাত আছিল সেই কথা তেওঁ পাহৰি গ'ল। তেওঁ উঠি গৈ আছে, গৈ আছে। ফুল পাহ ঢুকি পোৱা নাই।

OKDISCD

হঠাতে তেওঁ এটা মাত শুনিলে। হিন্দী, খাছী, বাঙালী কি ভাষাত মাতিছিল তেওঁৰ মনত নাছিল। দেখিলে এজন অচিনাকি মানুহ। তেওঁ ক'লে, "তুমি কি অবোধ মানুহ! পৰি গলা-হেঁতেন। আহাঁ, মোৰ লগে-লগে আহাঁ।"

মন্ত্ৰমুগ্ধৰ দৰে দত্ত ছাৰ মানুহজনৰ পিছে-পিছে গ'ল। কিছু সময় যোৱাৰ পাছত তেওঁলোক এচটা মানুহ জিৰাব আৰু থিয় হ'ব পৰা প্ৰকাণ্ড শিলৰ ওপৰ পালেগৈ। মানুহজনে ক'লে, "চোৱাচোন ইয়াৰ পৰা তুমি ফুল তুলিব খোজা ঠাই টুকুৰালৈ! তাৰ পৰা পৰা হ'লে একেবাৰে তলৰ অটল গহ্বৰত পৰিলাগৈহেঁতেন। সলিল সমাধি।"

দত্তই চাই দেখিলে কথা সঁচা। মানুহজন ইতিমধ্যে নোহোৱা হ'ল। সেই মানুহজন কোন আছিল তাক তেওঁ আজিলৈকে গম নাপালে।

তাৰপৰা ক্ৰমাৎ উঠি তেওঁ এটা প্ৰকাণ্ড গুহাত সোমাই তাত কি আছে চালেগৈ। এনে গুহাত সাধাৰণতে বাঘ থাকে। সেই সময়ত তেওঁৰ বাঘৰ ভয় নাছিল। মনত সাহসৰ ভাব বিৰাজ কৰিছিল।

গুহা এৰি তেওঁ এটা বাট দেখি সেই পিনে খোজ দিলে। অলপ দূৰ গৈ পালেগৈ জলবিদ্যুৎ উৎপাদন কাৰখানা। তাতে এজন চিনাকি মানুহ লগ পালে। তেওঁ পূৰ্বতে গুৱাহাটীত কাম কৰিছিল। এতিয়া ইয়ালৈ বদলি হৈ আহিছিল।

কিছু সময়ৰ পাছত তাতে চাহ খাই তেওঁ হেপিলঙলৈ উভতি আহিছিল।

গোটেই ঘটনাটো চলচিত্ৰৰ দৰে দত্তৰ মনত বিৰাজমান। জ্ঞানান্বেষণৰ এই প্ৰবৃত্তি সকলো সন্ধানী মানুহৰে আছে। বৰ্তমান পৰিবেশত বহুতেই এই প্ৰবৃত্তি মতে সন্ধান কৰিবলৈ মুঠেই সমৰ্থ নহয়। একাগ্ৰতা নাথাকিলে এই প্ৰবৃত্তিৰ শক্তি বিভিন্ন দিশত বিক্ষিপ্ত হৈ পৰে। পিছে এই প্ৰবৃত্তিৰ বলতে মানুহে অচিনাকিক চিনাকি, নজনাক জনা, নোপোৱাক পোৱালৈ ৰূপান্তৰিত কৰে।

দত্ত ছাৰে এই প্ৰবৃত্তিৰ অগিনাৰে এদিন ব্ৰহ্মপুত্ৰৰ বুকুত থকা উৰ্বশীৰ স্তম্ভটোত উঠিছিলগৈ। শিলটোৰ কেউ-কাষে আছিল অলপ মাটি। মাটিত আছিল এবিধ পানীত হোৱা আপুৰুগীয়া গছ (equisetum)। সেই জোপা চাব আৰু আনিবৰ বাবেই তেওঁ তাত উঠিছিলগৈ। তেতিয়া ব্ৰহ্মপুত্ৰইদি যোৱা নাওবোৰৰ বাহিৰে তাত আৰু একো নাছিল।

ছাৰক কলেজত চাৰি বছৰ একেৰাহে লগ পাইছিলো। ছাত্ৰক ইমান ভালকৈ চলোৱা শিক্ষক দ্বিতীয় এজন দেখা নাছিলো। তাৰ প্ৰধান কাৰণ আছিল লৰা-ছোৱালীয়ে পঢ়া, আৰু পাছ কৰা কাম দুটা তেওঁ নিজৰ কাম যেন জ্ঞান কৰিছিল। প্ৰকৃতপক্ষে খুব কম ছাত্ৰ-ছাত্ৰীহে বটেনিত উত্তীৰ্ণ নোহোৱাকৈ আছিল।

মৰাৰ কিছুদিনৰ আগতে ছাৰে পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ কথা সুঁৱৰি লিখা এখনি চমু আত্মজীৱনীমূলক পুস্তিকা মোলৈ পঠাই দিছিল। ই তেওঁৰ ছাত্ৰ-প্ৰেমৰ চূড়ান্ত নিদৰ্শন আৰু শিক্ষকতাৰ গৌৰৱৰ সাক্ষ্য। কোনো ছাত্ৰই সেই ঋণ পৰিশোধ কৰিব নোৱাৰিলে। আমাৰ সমাজত শিক্ষালয়-ত্যাগী শিক্ষকৰ শিক্ষালয়ৰ লগত সম্পৰ্ক ছিগে। ছাত্ৰৰো তথৈবচ। পুনৰ মিলনৰ সুযোগ একেবাৰে নাই।

কামৰূপৰ গাঁৱে-ভুঁয়ে একে গাঁৱৰ ছাত্ৰ-ছাত্ৰী (পুৰণি আৰু নতুন) লগ হোৱাৰ বছেৰেকীয়া সন্মিলন কিছুমান সৌ সিদিনালৈকে চলি আছিল। কেইখন এনে সভাত মই নিমন্ত্ৰিত অতিথি ৰূপে যোগ দিয়াৰ কথা মনত আছে। শিক্ষকসকলৰ মাজত এনে সন্মিলন কেতিয়াও নাছিল। পুৰণি শিক্ষক আৰু ছাত্ৰৰ সন্মিলনো হোৱা দেখা নাই। অতুল দত্ত ছাৰে অৱসৰ কালত পুৰণি ছাত্ৰক লগ পোৱাৰ প্ৰবল আগ্ৰহ প্ৰকাশ কৰিছিল। এই আগ্ৰহ পূৰণৰ বাবে আমাৰ কোনো সামাজিক বিধান, ৰীতি বা অনুষ্ঠান নাই। ছাত্ৰ সংস্থা আৰু শিক্ষক সংস্থা-সমূহে পুৰণি শিক্ষক আৰু ছাত্ৰসকলৰ পুনৰ মিলনৰ বাবে বছেৰেকত একো-খন সন্মিলন পতাৰ কথা চিন্তা কৰিব পাৰে।

[ছাৰে মোলৈ এখন ডুমুখীয়া ছবি পঠিয়াই দিছিল। ছবিখন ওভোটাই চালে একে দেখি। ই তেওঁৰ আজৰি কালৰ সৃষ্টি। ছবিখন মোৰ ল'ৰালৈ দিছিল।]

আই-বোপাই, স্বামী, গুৰু আৰু সমাজৰ বুঢ়াসকলে উত্তৰাধিকাৰীসকলৰ বাবে এৰি থৈ যোৱা বস্তুৰ ভিতৰত আটাইতকৈ মূল্যবান হ'ল আধ্যাত্মিক সম্পত্তি। মৈত্ৰেয়ীয়ে স্বামীৰ আধ্যাত্মিক সম্পত্তি বিচাৰিছিল। শংকৰদেৱৰ পুতেক ৰামানন্দয়ো বাপেকৰ পৰা এই সম্পত্তিকে বিচাৰিছিল। গুৰুৰ অৱশ্যে আধ্যাত্মিক সম্পত্তি একো নাথাকে। শংকৰদেৱৰ আধ্যাত্মিক সম্পত্তিখিনি শিষ্য মাধৱদেৱক দিলে। এই ঐতিহ্যৰ পাছত এটি জৈৱিক নিয়মো আছে। যিসকল কালত আগ, তেওঁলোকে কালত পাছ সকলৰ বিশেষ একো নিৰ্বিচাৰকৈয়ে আধ্যাত্মিক সম্পদ দান দি থৈ যায়। এইটো নিয়ম জৈৱিক ৰূপত জীৱ-জন্তুটোৰ স্বভাৱতো প্ৰতিফলিত হয়। কিন্তু কালত পাছ-সকলে কালত আগসকলক কিবা প্ৰতিদান দিব লাগে,— এইটোও সভ্যতাৰ এটি নীতি। মানুহত এইটো নিয়ম খাটে। আমি সৰহভাগেই এই ক্ষেত্ৰত অকৃতজ্ঞ। মোৰ নিজৰ ভাব হয় ভাল শিক্ষকসকলৰ পৰা আমি যিমান লওঁ, তাৰ এশ ভাগৰ এভাগো কিজানি তেওঁলোকক দিব নোৱাৰোঁ। ই কৰুণ সত্য। গুৰুৰ অভাৱ কিমান কৰুণ তাক মাধৱদেৱে বুজিছিল। শংকৰদেৱ ঢুকোৱাৰ বাৰ্তা পাই তেওঁ গাইছিল: "আলো মঞি কি কহব দুখ, পৰাণ নিগৰে নেদেখিয়া চান্দ মুখ।"

৩২ পৃষ্ঠাত চাওক



# অসমীয়া ভাষা পৰিষ্কাৰকৈ লিখা আৰু কোৱা (দহ)

ড° মহেশ্বৰ নেওগ

## বাক্যবিন্যাস

একোটা বাক্যৰ নানা উপাদান থাকে— বিশেষ্য, বিশেষণ, সৰ্বনাম, অব্যয়, সমাপিকা আৰু অসমাপিকা ক্ৰিয়া, ক্ৰিয়া-বিশেষণ, উপশব্দ, অনুৰূপ শব্দ, কৃদন্ত শব্দ, ইত্যাদি। সেইবিলাকৰ কোনো কোনোবিলাক একোটা বাক্যত সংগতি ৰাখি ব্যৱহাৰ কৰাকে বাক্য-বিন্যাস (syntax) বোলা হয়। বহুত দিন, বহুত যুগ কথিত আৰু লিখিত ৰূপত অসমীয়া ভাষা চলি আহোঁতে আহোঁতে আপোনা-আপুনি তাৰ নিয়ম কিছুমান বহি গৈছে। সেই নিয়ম এৰাই কথা ক'লে বাক্যৰ কেতিয়াবা অৰ্থকে নোলায়। এই ভাষা নতুনকৈ শিকা বা আধা-আধি মাথোন জনা লোকে এই নিয়মবোৰৰ ব্যতিক্ৰম ঘটায় আৰু তাৰপৰা কৌতুকৰহে সৃষ্টি কৰে। সদায় অসমীয়া ভাষা কোৱা মানুহৰো কেতিয়াবা তেনে ব্যতিক্ৰম হ'ব পাৰে। গতিকে বাক্য-বিন্যাসৰ নিয়মবোৰ জানি ল'ব লাগে। এতিয়া হেমচন্দ্ৰৰ ব্যাকৰণ অনুসৰি কিছু নিয়ম আলোচনা কৰোঁহঁক।

মই কাম কৰোঁ। আমি কাম কৰোঁ/কৰোঁহঁক।
তুমি কাম কৰা। তোমালোকে কাম কৰা/কৰাহঁক।
আপুনি কাম কৰে। আপোনা-লোকে কাম কৰে। সি কাম কৰে। সিহঁতে কাম কৰে।

—কৰ্তাৰ পুৰুষ আৰু বচন অনুসৰি ক্ৰিয়াৰ ৰূপ হৈছে।

মই কাম কৰিছিলোঁ।
তুমি আৰু মই কাম কৰিছিলোঁ।
সি, তুমি আৰু মই কাম কৰিছিলোঁ।
সি কাম কৰিছিল।
তুমি কাম কৰিছিলা।
সি আৰু তুমি কাম কৰিছিলা।

—দ্বিতীয় আৰু তৃতীয় পুৰুষৰ কৰ্তা একেলগে থাকিলে, ক্ৰিয়াৰ ৰূপ হ'ব দ্বিতীয় পুৰুষৰ।

—প্ৰথম, দ্বিতীয় আৰু তৃতীয় পুৰুষৰ কৰ্তা একেলগে থাকিলে, ক্ৰিয়াৰ ৰূপ হয় প্ৰথম পুৰুষৰ।

সি বা তুমি যাবা।
সি, তুমি বা মই যাম।

—ইয়াতো একে নিয়মেই খাটিছে, যদিও কৰ্তাকেইটাৰ মাজত অব্যয় সোমাইছে।

ৰাম গ'ল। ৰাম শুলেগৈ।

—ইয়াত কৰ্তাত প্ৰথমা বিভক্তিৰ চিন নাই, কাৰণ 'গ'ল', 'শুলেগৈ' হ'ল অকৰ্মক ক্ৰিয়া।

ৰামে সকলো কথা ক'লে, আৰু ৰাম শুই পৰিল।
ৰামে সকলো কথা কৈ শুই পৰিল।
ৰাম সকলো কথা কৈ শুই পৰিল।

— এই দুটা বাক্যৰ কৰ্তা 'ৰাম'ত এটা বাক্যত এ বিভক্তি যোগ দিয়া হৈছে, এটাত দিয়া হোৱা নাই। দুইপ্ৰকাৰেই হ'ব পাৰে।

সকলো কথা কৈ ৰাম শুই পৰিল।

—ইয়াত কিন্তু 'ৰাম' স্পষ্টকৈ 'শুই পৰিল' ক্ৰিয়াৰ কৰ্তা-ৰূপে দেখা দিছে বাবে এ বিভক্তি তাৰ নাই।

তোমাৰ কৃতকাৰ্যতাত তোমাৰ দেউতাৰাই সুখ পাইছে, ভাইটিয়েৰাই ৰং পাইছে আৰু আমি আনন্দ পাইছো।
তোমাৰ কৃতকাৰ্যতাত তোমাৰ দেউতাৰাই সুখ, ভাইটিয়েৰাই ৰং আৰু আমি আনন্দ পাইছো/পাইছোহঁক।

—ইয়াত তিনি কৰ্তাৰ একে 'পা' ক্ৰিয়া হোৱা বাবে শেহৰ পুৰুষৰ কৰ্তা-টোৰ লগত মাত্ৰ ক্ৰিয়াটো ৰ'ল।

হলিৰাম ক'ত আছে, কি কৰিছে?
[=হলিৰামে কি কৰিছে?]
মানুহে খায় আৰু শোৱে।
[=মানুহ শোৱে।]

—সকৰ্মক আৰু অকৰ্মক দুটা ক্ৰিয়াৰ কৰ্তাত প্ৰথমটো ক্ৰিয়া অনুসৰি বিভক্তি থাকে বা গুচে।

ল'ৰা-ছোৱালীয়ে হাঁহে/কান্দে/ওমলে/নাচে···
বুঢ়াই কাহে/হাঁচিয়ায়···
মেঘে গাজে/বৰষে···

—এইবোৰ অকৰ্মক ক্ৰিয়াৰ কৰ্তাত বিভক্তি-চিন হৈছে।

লক্ষ্মণে ৰামক পৰম সেৱা-ভক্তি কৰে।
মানুহক মানুহে মৰম কৰিব লাগে।
ককায়েকক ভায়েকে টান কথা ক'ব নালাগে।

—এইবোৰত কৰ্মকাৰকত অক্ বিভক্তি হৈছে।

তুমি ভাত খালানে? ডাক্তৰৰ কথা শুনিবা। তেওঁক মাত লগাই যোৱা।
সন্ধিয়াৰ বেলি দেখিছানে? পূৰ্ণিমাৰ জোন দেখি ভাল লাগে।

—দেখা যায়, নিৰ্জীৱ বা হীন জ্ঞান কৰা পদাৰ্থত অক্ বিভক্তি যোগ কৰা নহয়। আন ব্যতিক্ৰমঃ

তেওঁ সূৰ্যক প্ৰণাম কৰিছে।
বাঘটোৱে বহুত মানুহ মাৰিছে।
তই ভাত নাখাৱ, পানী নাখাৱ, কি কৰিব খুজিছ?
মই ভাতকো নাখাওঁ, পানীকো নাখাওঁ, যি হয় হ'ব।
হেৰ, এআষাৰ মাত মাতচোন; এটা কথা কচোন।
এৰা, ই দেখোন এআষাৰ মাতকে নামাতে, এটা কথাকে নকয়।

আমি 'ভাতক খাওঁ', 'পানীক খাওঁ' বা 'মাতক মাতোঁ', 'কথাক কওঁ' নোবোলোঁ। কিন্তু সেই কামকেইটাত গুৰুত্ব দিবলৈ 'ও'ৰ লগতে দ্বিতীয়া বিভক্তিৰ চিনো উচ্চাৰণ কৰোঁ।

ৰাতিপুৱা সোনকালে উঠিবা।
গধূলি মই অলপ ফুৰোঁ।



OKDISCD

এদিন মই গৈছিলোঁ। এবছৰ খেতি
নহ'লে ৰাইজৰ কিমান কষ্ট
হ'ব!

সময় বুজোৱা এই শব্দবোৰত সময়ৰ অধিকৰণ কাৰকৰ সপ্তমী বিভক্তি -অত্ নাই। কিন্তু সময়ৰ কথাটোত যদি গুৰুত্ব দি কওঁ, তেতিয়া

ৰাতিপুৱাতে উঠিব লাগে। গধূলিতে
ফুৰি আহিবাঁ।
এদিনতে সকলো কাম নহয়।
এবছৰতে ৰাইজৰ বৰ কষ্ট হ'ল।

এইবোৰত গুৰুত্ব বুজোৱা 'এ' প্ৰত্যয়ৰ লগতে সপ্তমী বিভক্তিও প্ৰকাশ পাইছে।

মই দয়াৰাম। তুমি মনোমতী।
তেওঁ সতৰাম।

এইবোৰ বাক্যত 'হ'ধাতুৰ ক্ৰিয়া লুকাই আছে, উক্তিটোহঁত স্পষ্ট কৰিব খুজিলে সেই ক্ৰিয়া ওলাই পৰে:

মই দয়াৰাম হওঁ। তুমি মনোমতী
হোৱা। তেওঁ সতৰাম হয়।

ইয়াত 'মই', 'তুমি', 'তেওঁ'ৰ লগতে ক্ৰমে 'দয়াৰাম', 'মনোমতী', 'সতৰামো' কৰ্তা। এই তিনিওটা তৃতীয় পুৰুষৰ কৰ্তা। কিন্তু ক্ৰিয়াটোহঁত প্ৰথম পুৰুষৰ কৰ্তা 'মই', 'তুমি' 'তেওঁ'ৰ ক্ৰিয়া।

মই যদি তুমি হ'লোহেঁতেন, মই
এই কাম নকৰিলোঁহেঁতেন।
তুমি যদি মই হ'লাহেঁতেন, তুমি
এই কাম কৰিলাহেঁতেননে?

ইয়াত প্ৰথম কৰ্তাই ক্ৰিয়াটো শাসন কৰিছে।

ভাল ল'ৰা ছোৱালীয়ে ভালকৈ
পঢ়িব লাগে। (= পঢ়া আৱ-
শ্যকীয়/'পঢ়িবলৈ' নহয়।)
ওৰে বছৰটো মই এই গাঁৱতে
থাকিব লাগিব। (= থকা আৱ-
শ্যকীয়/'থাকিবলৈ' নহয়।)
মই ঘৰ সজা কাম কৰিব
লাগিছো। (= কৰাত নিযুক্ত
হৈছে/'কৰিবলৈ' নহয়।)
মই খবৰটো দিয়া মাত্ৰক তেওঁ
কান্দিবলৈ লাগিল/ধৰিলে।
'কান্দিব' নহয়।)

ইব প্ৰত্যয়ৰ এইবোৰ প্ৰয়োগ সূক্ষ্মভাৱে মন কৰিব লগীয়া।

হলিৰাম অহা নাই। হলিৰাম
নাই অহা। হলিৰাম অহা
নাইকিয়া।

ইয়াত 'নাই' আৰু 'নাইকিয়া'ক অনিয়মিত ক্ৰিয়া বুলি ধৰা হয়। ['নাইকীয়া' লিখিব নালগে, কাৰণ সি নাইপিয়াহে, সি শইকীয়া নহয় নহয়!]

যদি তেওঁ নাহে, মই যাম। তেওঁ
নাহিলে মই যাম। ['যদি
তেওঁ নাহিলে মই যাম'
নহয়।]
যেতিয়া তেওঁ আহে, মোক
মাতিবাঁ। তেওঁ আহিলে
মোক মাতিবাঁ। ['যেতিয়া
তেওঁ আহিলে মোক মাতিবাঁ
নহয়।]

৩০ পৃষ্ঠাৰ পিছৰ পৰা

অতুল বাবু আজি আমাৰ মাজত নাই। কিন্তু তেওঁৰ মাতটো টেপৰেকৰ্ডাৰত মাজে মাজে শুনো।

তেওঁ মোক কৈছিল কেইটামান বিষয়ত তেওঁ গুৱাহাটীত প্ৰথম। এক হ'ল বটেনি বিভাগ খোলা। দুই হ'ল, লৰাক শিক্ষামূলক ভ্ৰমণলৈ লৈ যোৱা। তিনি হ'ল, গুৱাহাটীত ক্ৰিকেট খেলা প্ৰৱৰ্তন কৰি টিম গঠন কৰা। তেওঁৰ মতে তেওঁ ৭০।৮০ টা মান শিক্ষামূলক ভ্ৰমণ সংগঠিত কৰিছিল। তেওঁ ল'ৰা-বোৰক পাহাৰ আৰু নগৰৰ পৰা দূৰলৈ নিছিল। নতুন গছ-গছনিৰ নিদৰ্শন সেইবোৰতহে পোৱা যায়। আজি-কালি শিক্ষামূলক ভ্ৰমণ প্ৰায়ে নগৰতহে হয়। ছাৰৰ মতে এইটো সুলক্ষণ নহয়। ক্ৰিকেট টিম নিওঁতে কিন্তু তেওঁ চহৰলৈহে নিছিল। কাৰণ ক্ৰিকেট খেলা চহৰতহে হয়। কলিকাতাত ছিটি কলেজ আৰু বংগবাসী কলেজৰ লগত কটন কলেজৰ ক্ৰিকেট খেলা হৈছিল। ঢাকাত হৈছিল বিশ্ববিদ্যালয় আৰু ইন্টাৰমিডিয়েট শ্ৰেণীৰ টিমৰ লগত। ইয়াৰ বাহিৰেও কলেজৰ টিম কোচ-বেহাৰ আৰু ৰংপুৰলৈকো গৈছিল।

শিক্ষামূলক ভ্ৰমণৰ স্মৃতি তেওঁৰ বঢ়িয়াকৈ মনত আছে। পৰশুৰাম কুণ্ডলৈ দুবাৰ গৈছিল। এবাৰ যাওঁতে ভয়ানক ঠাণ্ডা পৰিল। কুণ্ডৰ পৰা ঘূৰি আহোঁতে বাছৰ ইঞ্জিন বন্ধ হৈ গৈছিল। ছাত্ৰসকলৰ বৰ কষ্ট হৈছিল। সেই কষ্টৰ ভাগ তেৰেঁ। লৈছিল। ছাত্ৰসকল য'তে আছিল, তেৰেঁ। ত'তে আছিল। কোনোবা এবাৰ কোনোবা এঠাইলৈ দিনটীয়া ভ্ৰমণত যাওঁতে কিবা কাৰণত আহোঁতে বাছ নাপালে। তেওঁ ল'ৰাবিলাকক লৈ খোজ কাঢ়ি থকা ঠাই ওলালহি। ছাৰে কোৱা মতে তেওঁ খোজ কঢ়াত ওস্তাদ। একেৰাহে ১৬ মাইল বেগ দি খোজ কাঢ়িবলৈ তেওঁ কুণ্ঠা বোধ নকৰিছিল। এবাৰ গৈছিল মিৰ্জা পাহাৰলৈ। গোটেই মিৰ্জা পাহাৰটো ভ্ৰমি তেওঁ এজোপা নতুন ধৰণৰ 'Pitcher plant' উলিয়ালে। এই জোপাৰ নামটো কৈছিল কিন্তু সঠিককৈ ধৰিব নোৱাৰিলো। তেওঁ শুনিছে, এতিয়া সেই পাহাৰত সেই গছ আৰু নাই। দুৰ্ভাগ্যৰ বিষয়। উৰ্বশীৰ স্তম্ভটোত উঠি তেওঁ অকলে equisetum আৱিষ্কাৰ কৰাৰ কথা আগতেই আঙুলিয়াই আহিছোঁ।

কথাই কথাই তেওঁ অম্বিকাগিৰী ৰায় চৌধুৰীৰ কথাও কৈছিল। অসমৰ বাহিৰত তেওঁক কিছুমানে 'বঙাল খেদা আন্দোলনৰ নেতা' বুলিহে জানে। অতুল দত্তই ক'লে, এই আখ্যা ভুল। এবাৰ গণ্ডগোল হওঁতে তেওঁ নিজৰ ঘৰত ভালেমান বাঙালীক আশ্ৰয় দিছিল। তেওঁ অম্বিকাগিৰীক নিজৰ বন্ধু বুলি দাবী কৰিছিলে।

তেওঁৰ শেষ কথা হ'ল, 'অসমৰ উন্নতি মোৰ কাম্য। এই ৰাজ্যৰ উন্নতি হওক। ভাল মানুহ লাগে। ভাল মানুহ আৰু ওলাওক।''





# ভূমিকম্পৰোধী গৃহ-নিৰ্মাণ

নকুল দত্ত

১৯৭৬ চনৰ ৬ মে'ত ইটালিৰ ফ্ৰিউলত হোৱা প্ৰবল ভূমিকম্পৰ পাছত ৰোম বিশ্ববিদ্যালয়ৰ দি ইনষ্টিটিউট অব ষ্ট্ৰেংথ অব মেটেৰিয়েলছ (The Institute of Strength of Materials) নামৰ প্ৰতিষ্ঠানটোৱে বিভিন্ন নিৰ্মাণকাৰ্যত (বিশেষকৈ গৃহ-নিৰ্মাণৰ ক্ষেত্ৰত) ভূমিকম্প সম্পৰ্কীয় অধ্যয়ন চলাবলৈ এটা কাৰ্যকৰী গোট গঠন কৰে। এই গোটটোৱে তেওঁ-লোকৰ প্ৰতিবেদনত প্ৰকাশ কৰে যে নবনিৰ্মিত অট্টালিকাসমূহতকৈ পুৰণি অট্টালিকাবোৰ (যিবোৰৰ ঐতিহাসিক গুৰুত্ব অধিক) সহজে আৰু বেছিকৈ ধ্বংস প্ৰাপ্ত হয়। উত্তৰ-পূৰ্বাঞ্চলকে ধৰি ভাৰতৰ বিভিন্ন ঠাইত এনে অট্টালিকা বহুতো আছে।

ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ প্ৰায় ৫৪% (প্ৰায় ৩·৩ নিযুত বৰ্গ কি· মি·) ভূমিকম্পৰ দ্বাৰা আক্ৰান্ত হয়। বিশেষকৈ অসম, বিহাৰ, জম্মু আৰু কাশ্মীৰ, আৰু হিমালয়ৰ পাদদেশত ভূমিকম্পৰ পৰিমাণ তুলনামূলকভাৱে বেছি।

ভূমিকম্প হ'লে অন্যান্য সা-সম্পত্তিৰ লগতে মানুহ তথা জীৱজন্তুৰ প্ৰাণহানি হোৱাটো চিৰাচৰিত ঘটনা। অৱশ্যে এনে ক্ষতি ভূমিকম্পৰ প্ৰবলতাৰ ওপৰতহে নিৰ্ভৰ কৰে। ১৯৬৫ চনত ভাৰতৰ কংগ্ৰা উপত্যকাত হোৱা ভূমিকম্পত প্ৰায় ২০,০০০ লোকে প্ৰাণ হেৰুৱাইছিল। ১৯৩৪ চনত বিহাৰত (জানুৱাৰী ১৫) ১১,০০০ জনে আৰু ১৯৫০ চনত অসমত হোৱা বৰ ভুইকঁপত কমেও ৫০০ জনে প্ৰাণ হেৰু-ৱাইছিল আৰু প্ৰায় ৫০,০০০ লোক ক্ষতিগ্ৰস্ত হৈছিল। সৰহসংখ্যক লোকেই প্ৰাণ হেৰুৱাইছিল ঘৰ-দুৱাৰৰ ক্ষতি-সাধনৰ বাবে কিন্তু বাসগৃহ তথা অন্যান্য অট্টালিকাসমূহ ভূমিকম্প প্ৰতিৰোধ কৰিব পৰাকৈ নিৰ্মিত হোৱাহেঁতেন প্ৰাণহানিৰ পৰিমাণ বহুতো কমিল-হেঁতেন।

কোনো এটা অঞ্চলত যেতিয়া ভূমিকম্প হয় তেতিয়া সেই অঞ্চলৰ ভূভাগ এবাৰ আগলৈ এবাৰ পিছলৈ গৈ কঁপি উঠে। আকৌ উপকেন্দ্ৰ (epicentre) অঞ্চলত ভূভাগৰ উঠা-নমা গতি এটাৰো সৃষ্টি হয়। অৱশ্যে এই উঠা-নমা গতি উপকেন্দ্ৰৰপৰা আঁতৰি যোৱাৰ লগে লগে হ্ৰাস পাই গৈ থাকে। একোটা ঘৰৰ মূল গাঁথনি-টোও (foundation) ভূভাগৰ সৈতে কঁপি উঠে। কিন্তু ঘৰটোৰ মূল গাঁথনি-টোৰ ওপৰৰ অংশটো (চাললৈকে) স্থিতি-জড়তাৰ বাবে গাঁথনিবোৰ লগে-লগে সমানে কঁপি উঠিব নোৱাৰে; কিছু পলমকৈ কঁপে। একেটা ঘৰতে গাঁথনি আৰু ওপৰ অংশৰ কম্পনৰ পাৰ্থক্যৰ বাবেই ঘৰ একোটাত ফাঁট মেলে, আৰু ইয়েই ধ্বংসৰ কাৰণ। অৱশ্যে ঘৰটোৰ ওপৰত পৰা প্ৰভাৱৰ পৰিমাণ নিৰ্ভৰ কৰে ভূভাগৰ কম্পনৰ মাত্ৰা আৰু ঘৰটোৰ গধুৰতাৰ ওপৰত। সেয়েহে বহুসময়ত দেখা যায় যে কাঠ-বাঁহৰ কেঁচা ঘৰতকৈ পকীঘৰৰ ক্ষয়-ক্ষতি বেছি হয়।


উল্লিখিত ৰোম বিশ্ববিদ্যালয়ৰ কাৰ্যকৰী গোটটোৱে বিভিন্ন ধৰণৰ অধ্যয়নৰ পাছত তেওঁলোকৰ প্ৰতি-বেদনত কেইটামান উল্লেখনীয় মতামত আগবঢ়াইছিল। সেই কেইটা হ'ল:

(১) নিৰ্মাণ কাৰ্যত ব্যৱহৃত বিবিলাক উপাদান ভূমিকম্পত সহজে ক্ষতিগ্ৰস্ত হয় বা হৈছে, তেনে উপাদান সম্পূৰ্ণৰূপে আঁতৰাই আধুনিক নিৰ্মাণ কৌশলৰ দ্বাৰা নতুন উপাদান যোগ কৰাটো উচিত।

(২) ভূমিকম্পৰ পাছতো অক্ষত থকা অট্টালিকাৰ বিভিন্ন অংশ চৌকাঠ, কংক্ৰিটৰ বেৰ আদি সং-যোজনৰ দ্বাৰা অধিক শক্তিশালী কৰিব পাৰি।

(৩) বিভিন্ন উপাদানৰ মাজত সংযোগ ঘটাই আৰু মৰ্টাৰ, ৰেজিন, আদি সুমুৱাই দি, পদাৰ্থসমূহৰ যান্ত্ৰিক গুণাগুণৰ উন্নতি সাধি, গাঁথনিবোৰ অধিক শক্তিশালী কৰিব পাৰি।

বিভিন্ন ধৰণৰ পকীঘৰ যেনে— স্কুল-কলেজ, হস্পিটেল, কাৰ্যালয়, বিদ্যুৎ উৎপাদন কেন্দ্ৰ, আদিৰ নিৰ্মাণৰ ক্ষেত্ৰত ভূমিকম্প প্ৰতিৰোধৰ বাবে যথেষ্ট গুৰুত্ব দিয়াটো প্ৰয়োজন।




চিত্ৰ ১

কাৰণ এনে ঠাইবোৰত বহু লোক একে সময়তে কৰ্মব্যস্ত অৱস্থাত থাকে। ভূমিকম্প-প্ৰৱণ অঞ্চলত এনে ঘৰ প্ৰায় বৃত্তাকাৰ বা বৰ্গক্ষেত্ৰাকাৰ হ'ব লাগে, আৰু সমতল, উচ্চতা আদি সকলো দিশতে গাঁথনিকভাৱে প্ৰতিসাম্য থকা (structurally symmetrical) হ'ব লাগে। এনে হ'লে ঘৰটোৰ ভৰ কেন্দ্ৰ আৰু দৃঢ়তা (rigidity) একে হৈ পৰে। ফলত ভূমিকম্পৰ দ্বাৰা আক্ৰান্ত হ'লে ঘৰটো ধ্বংসপ্ৰাপ্ত নহয়। যোৰহাটত অৱস্থিত অসম ৰাজ্যিক পৰিবহন নিগমৰ আস্থান-গৃহটো ইয়াৰ এটা আদৰ্শ উদাহৰণ হিচাপে উল্লেখিয়াব পাৰি।

ঘৰটো মাজত "ক্ৰচ"-বেৰযুক্ত আৰু সেই বেৰবিলাক লোৰ শলাৰে কুটকটীয়াভাৱে সংযুক্ত হ'ব লাগে। দুৱাৰ, খিৰিকি, ভেণ্টিলেশ্যন আদি অংশবোৰ ঘৰটোৰ একেখন বেৰতে হোৱাটো কেৱল অস্বাস্থ্যকৰেই নহয় বিপদজনকো। তুলনামূলকভাৱে দীঘলকৈ নিৰ্মাণ কৰা বেৰদুখনত এইবিলাক সমভাৱে বিতৰণ কৰি সজাটো নিৰাপদজনক (চিত্ৰ ১)।


ভূমিকম্পপ্ৰৱণ অঞ্চলত নিৰ্মাণ কৰা পকীঘৰবোৰৰ দুখনবেৰৰ সংযোগস্থলত বা দুখন বেৰে কটাকটি কৰা অঞ্চলটোত বেৰ দুখনৰ অংশবেইটা লো বা তীখাৰ ৰডেৰে সংযোগ কৰি নিৰ্মাণ কৰা হয়। এই ৰডবিলাক বেৰকেইখনত একো একোটা বিশেষ দূৰত্বত স্থাপন কৰা হয়। সঘনাই ভূমিকম্পৰ দ্বাৰা আক্ৰান্ত অঞ্চলবোৰত সাধাৰণতে প্ৰায় ৪৫ ছে. মি.ৰ অন্তৰে-অন্তৰে পথালিকৈ এই ৰদবোৰ স্থাপন কৰা হয়। গোটেই ঘৰটোতে এই ব্যৱস্থা লোৱাটো ভূমিকম্পৰ বাবে নিৰাপদজনক (চিত্ৰ ২)।

সাধাৰণতে দেখা যায় যে থকাঘৰ, আদিৰ বেছিভাগেই L, T বা U আহিত সজা হয়। L আৰু T আহিৰ ঘৰ দুটা অংশত আৰু U-আহিৰ ঘৰ চিত্ৰত দেখুউৱাৰ দৰে




চিত্ৰ ২


(চিত্ৰ ৩) তিনিটা অংশত ভাগ কৰি নিৰ্মাণ কৰিলে ভূমিকম্পত সহজে ক্ষতিগ্ৰস্ত নহয়। কাৰণ প্ৰতিটো অংশৰ বাবে কম্পন কাল নিশ্চয় বেলেগ-বেলেগ হ'ব। গতিকে যদিহে মাজত ফাঁক নাৰাখি দুয়োটা খণ্ড একেলগে সজা হয়, তেন্তে কম্পন-কালৰ পাৰ্থক্যৰ বাবে দুয়োটাৰে সংযোগস্থলত সৃষ্টি হোৱা অভ্যন্তৰীণ হেঁচাৰ ফলত ঘৰটো সহজে ধ্বংস-প্ৰাপ্ত হয়। এনে বিপদৰপৰা হাত সাৰিবলৈ দুয়োটা খণ্ড পৃথকভাৱে নিৰ্মাণ কৰি দুয়োটাৰ সংযোগস্থলটো, অৰ্থাৎ মোচৰ খোৱা অঞ্চলটো (crumple section) সাধাৰণভাৱে ছিমেণ্টেৰে প্লাষ্টাৰ কৰি সজা হয়। সাধাৰণতে দুয়োটা খণ্ডৰ মাজত ১৫ ছে. মি. পৰ্যন্ত ফাঁক ৰখা হয়। ঘৰৰ চাল অংশও সেই অনুপাতে নিৰ্মাণ কৰা হয়।




চিত্ৰ ৩




ভূমিকম্পত আক্ৰান্ত অঞ্চলত সজা ঘৰবোৰত প্ৰয়োজনতকৈ অধিক দুৱাৰ-খিৰিকি আদি ৰখাটো বিপদজনক। এইবোৰৰ বাবে বেৰত হোৱা মাত্ৰাধিক খালী ঠাইৰ বাবে ঘৰটোৰ ভূমিকম্প-প্ৰতিৰোধী ক্ষমতা যথেষ্ট হ্ৰাস পায়। সাধাৰণতে বেৰ একোখনৰ দৈৰ্ঘ্যৰ একতৃতীয়াংশতকৈ বেছি খালী ঠাই অৰ্থাৎ দুৱাৰ-খিৰিকি ৰখা নহয়। দুৱাৰ-খিৰিকি, বা দুখন খিৰিকি বা দুখন দুৱাৰৰ মাজৰ দূৰত্ব কম পক্ষেও ৫০ ছে. মি. ৰখাটো প্ৰয়োজন। আকৌ দুখনবেৰৰ সংযোগস্থলৰ পৰা দুৱাৰ বা খিৰিকিৰ দূৰত্ব অতি কমেও ৫০ ছে. মি. হ'ব লাগে (চিত্ৰ ৪)।





চিত্ৰ ৪

দুৱাৰ, খিৰিকি আদি স্থাপনৰ ক্ষেত্ৰত বেৰৰ প্ৰস্থৰ ওপৰত বিশেষ লক্ষ্য ৰখা হয়। দুখন বেৰৰ সংযোগস্থলৰ পৰা দুৱাৰ বা খিৰিকি একোখনৰ দূৰত্ব বেৰখনৰ প্ৰস্থৰ দুগুণতকৈ কম হ'ব নালাগে (চিত্ৰ-৫)। প্ৰয়োজন সাপেক্ষে বেৰবোৰত নিৰ্দিষ্ট দূৰত্বৰ অন্তৰে-অন্তৰে লোহাৰ ৰড ব্যৱহাৰ কৰা হয়।




চিত্ৰ ৫

নিৰ্মাণৰ আগতে অঞ্চলটোৰ মাটিৰ গঠন সম্পৰ্কীয় অধ্যয়ন নিতান্তই প্ৰয়োজনীয়। ঘৰটোৰ গাঁথনিটো দুটা ভিন্ন ধৰ্মী শিলৰ (মাটিৰ) ওপৰত কেতিয়াও স্থাপন কৰিব নালাগে। কাৰণ বিভিন্ন শিলৰ ওপৰত ভূমিকম্পৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়াও ভিন্ন ধৰণৰ হয়। যদিহে দুটা বেলেগ-বেলেগ শিলাৰ ওপৰত গাঁথনিটো স্থাপন কৰা হয়, তেন্তে দুয়োটা শিলাৰ সংযোগস্থলত গাঁথনিটোৰ ফাঁট মেলাৰ সম্ভাৱনা অধিক। তেনে ফাঁটে গোটেই ঘৰটোৰ বিনাশ সাধন কৰিব (চিত্ৰ ৬)।





চিত্ৰ ৬

আকৌ মূল গাঁথনিটো হেলনীয়া অঞ্চলত স্থাপন কৰাটোও নিৰাপদজনক নহয়। অৱশ্যে এনে ঠাইত নিৰ্মাণ কৰিবলগীয়া হ'লে গাঁথনিটো চাৰিও-ফালে সমান গভীৰতালৈ নিৰ্মাণ কৰিব লাগে। গাঁথনিটোৰ অধোভাগ কেৱল এফালে আগবঢ়াই নিদি কেউফালে বিস্তাৰিত কৰি সাজিলে ভূমিকম্পত সহজে ক্ষতিগ্ৰস্ত নহয় (চিত্ৰ-৭)। গুৱাহাটী মহানগৰীৰ আশে-পাশে থকা পাহাৰৰ টিলাসমূহত এনে ঘৰ বহুতো দেখিবলৈ পোৱা যায়।

ভূমিকম্পত ধ্বংস হোৱাৰ পৰা বচাবলৈ আজিকালি বহু মহলীয়া ঘৰ-বিলাক এক বিশেষ কৌশল প্ৰয়োগ কৰি নিৰ্মাণ কৰা হয়। এই কৌশল-টোক পৃথকীকৰণ কৌশল (isolation mechanism) বোলা হয়। ঘৰটোৰ মূল গাঁথনি আৰু ওপৰৰ অংশটোৰ



OKDISCD





মূল গাঁথনি ১ঃ২ঃ৪

কংক্ৰিটৰ জোখ ৪৫ ছে. মি. × ৪৫ ছে. মি.

চিত্ৰ ৭

মাজত কিছুমান পেড (pad) নিৰ্মাণ কৰা হয় (চিত্ৰ ৮)। ভূমিকম্পৰ প্ৰাবল্য অনুযায়ী মূল গাঁথনিৰ ওপৰৰ অংশই পেডবোৰৰ ওপৰত চলাচল কৰে, আৰু ইয়াৰ ফলত ঘৰটো ধ্বংস




চিত্ৰ ৮

হোৱাৰ পৰা ৰক্ষা কৰে। মজলীয়া ধৰণৰ ভূমিকম্পত (ৰিচটাৰ স্কেলত ৫) ঘৰটোৰ মূল গাঁথনিৰ ওপৰৰ অংশটো পেডবোৰৰ লগতে চলাচল কৰে; কিন্তু ডাঙৰ ভূমিকম্পৰ ক্ষেত্ৰত পেডৰ ওপৰৰ অংশটো ঘৰটোৰ স্থিতিজড়তাৰ বাবে স্থিৰ হৈ থাকে। ঘৰটোৰ মূল গাঁথনি আৰু ওপৰৰ অংশৰ স্থিতিজড়তাৰ বাবে যি ধ্বংসমূলক বলৰ সৃষ্টি হয় সেই বল পেডবিলাকৰ দ্বাৰা শোষিত হয়।

বহুক্ষেত্ৰত দেখা যায় যে বাসোপযোগী পকীঘৰৰ ছালৰ ওপৰত পানীৰ সুবিধাৰ্থে জলাধাৰ নিৰ্মাণ কৰা হয়। এনে জলাধাৰে ভূমিকম্পৰ সময়ত নিজৰ ক্ষতিৰ লগতে ঘৰটোৰো ক্ষতি সাধন কৰে। সেয়েহে জলাধাৰ সদায় মূলঘৰটোৰপৰা পৃথককৈ নিৰ্মাণ কৰাটো নিৰাপদজনক।




*আসাম ট্ৰিবিউনৰ প্ৰতিষ্ঠাপক সম্পাদক স্বৰ্গীয় লক্ষ্মীনাথ ফুকন অকল সাংবাদিকেই নাছিল, তেওঁ কবিতা, গল্প, উপন্যাস আৰু চিন্তামূলক গ্ৰন্থেৰে অসমীয়া সাহিত্য সমৃদ্ধ কৰিছে। শিশু সাহিত্যতো তেওঁৰ যে সমান দখল আছিল সেই কথা বহুতেই নাজানে। তেওঁৰ শেষ বয়সৰ এই কালজয়ী শিশু উপন্যাসখনেই তাৰ স্বাক্ষৰ ঃ*

## বাপুকণ

"সু-সাহিত্যিক সাংবাদিক স্বৰ্গীয় লক্ষ্মীনাথ ফুকনৰ সদ্য প্ৰকাশিত 'বাপুকণ' এখন সুখপাঠ্য শিশু উপন্যাস। এটা সৰু ল'ৰাৰ জীৱনৰ এক গুৰুত্বপূৰ্ণ অথচ লৰালি সুলভ কাৰ্যাৱলীয়েই উপন্যাসখনৰ মাই কথা-বস্তু।

গোটেই উপন্যাসখন পঢ়িলে এখন গাঁৱৰ ছবি সুন্দৰকৈ আমাৰ চকুত ভাহি উঠে। গৰু-গাইৰ কথা, ভাতৰ লগত আলু পিতিকা লৈ জলকীয়া এটাৰে খোৱা, কুঁহিয়াৰণিত কুঁহিয়াৰ চুৰি কৰি খোৱা, দুপৰীয়া চৰাই পোৱালি ধৰিবলৈ যোৱা, গাঁৱৰ মাজৰ বোকা খচি গৈ ৰাষ্ট্ৰীয় পথত উঠা লুংলুঙীয়া বাটে গাঁৱৰ সজল ছবিখনৰ বাবে আন পৰিচয় দিব নোৱাৰে আৰু লেখকৰো সেইটোৱেই উদ্দেশ্য যেন লাগে।

বাপুকণৰ চিন্তাধাৰাৰ বৰ্ণনা বয়স অনুযায়ী কাৰ্যকলাপ সংঘটিত হোৱাত, পৰিবেশ চিত্ৰণত ব্যৱহৃত শব্দ প্ৰয়োগে লেখকৰ ব্যক্তব্যক অতি আকৰ্ষণীয় কৰি তুলিছে। এখন শিশু-উপন্যাস হিচাপে 'বাপুকণ' ফুকনৰ অপূৰ্ব সৃষ্টি।" —*আজিৰ অসম ঃ ৩০.৮.৮৭*

*বেচ বাৰ টকা মাথোন*

TULI-KALAM

বাণী প্ৰকাশ
পাণবজাৰ, গুৱাহাটী - ১





# মহটোক ওলোটাই কামোৰোঁ আহক




মহে কামোৰা দাগ কিছুঘণ্টাৰ পাচতে অন্তৰ্দ্ধান হয়। কিন্তু ই যি এৰি থৈ যায় সি তাতোকৈ বহুত মাৰাত্মক ঃ বীজাণু যিয়ে কঢ়িয়াই আনে, 'মেলেৰিয়া', 'ফিলেৰিয়া', 'ডেঙ্গে', আৰু 'এনচেফেলাইটিচ'।

কিন্তু চিন্তাত নিদ্ৰাবিহীন নিশা কটাইছে কিয় ?

**যেনে কুকুৰ তেনে টাঙোন।**

আপোনাৰ পৰিয়ালটোক এই আশঙ্কা পৰা ৰক্ষা কৰাৰ আটাইতকৈ ফলদায়ক উপায়টো হ'ল বেগন স্প্ৰে। হয়। প্ৰতিদিনেই।

মহবোৰ সাধাৰণতে বেলি ডুবাৰ পাচতেই কোঠাবোৰত সোমাবলৈ ধৰে।

সেয়েহে সিহঁতৰ পৰা হাত সৰাৰ উত্তম উপায় হৈছে আপোনাৰ শোৱনি কোঠা আৰু জীৱনিচ'ৰাত বেলি পৰাৰ পাচতেই স্প্ৰে কৰা আৰু খীড়কি দুৱাৰ ১০-১৫ মিনিটমান বন্ধ কৰি ৰখা। আটাইতকৈ ভাল ফল পাবৰ বাবে নিশ্চিত হ'ব যাতে দেৱাল, চুক, খীড়কিৰ ফ্ৰে'ম আৰু 'ভেণ্টিলেটৰ' বোৰও প্ৰতিদিনেই স্প্ৰে কৰা হয়।

**ই আন আন কীটকো আক্ৰমণ কৰে।**

বেগন হৈছে সদাব্যৱহাৰ্য্য স্প্ৰে যি পঁইতাচোৰা, উৰহ আৰু আন আন ঘৰুৱা কীটনাশক হিচাবে সমানে ফলদায়ক।

নিয়মিয়াকৈ বেগন স্প্ৰে কৰক আৰু আপুনি হাঁহিমুখে বিচনাত জিৰাবগৈ পাৰিব।

এতিয়া কওক, প্ৰতিশোধ সঁচাই মধুৰ নহয়নে ?

২৫০ মি. লিটাৰৰ সৰু পেকেটতো পোৱা যায়।

BAYER

বেগন স্প্ৰে




Trikaya B.S. 1.87ASM

"নাম ?"

"ললিন প্ৰসাদ।"

"জিলা ?"

"হাৰদই।"

"উত্তৰ প্ৰদেশ ?"

"জী।"

"আপ পাব্লিক গ্ৰিভেন্স কলাম কে লিয়ে অপনা কাগজ ছোৰ কে যাইয়ে, মংগলবাৰকো ছাপ যায়েগা।" যিমানদূৰ সম্ভৱ শুদ্ধ হিন্দীত কলো।

'ন' মাই বয়"— সিখন টেবুলৰ পৰা চিফ ৰিপ'ৰ্টৰৰ মাত,— "মোক ষ্টৰি লাগে। ডেকা ল'ৰা, ইমান এলেহুৱা হলে কেনেকৈ হ'ব ?"


ছালা হাৰামী ! নিজে ছোৱালীৰ এডমিছনৰ কাৰণে ছুটী লয়, মোক কাম শিকাবলৈ আহে ! অৱশ্যে মাত নমতাই ভাল; ছিনিয়ৰ মানুহ; আজি বাদে কাইলৈ বুৰ'লৈ প্ৰমোছন পাব কিহবাৰ কৰেছপণ্ডেণ্ট হৈ। মানুহটোৱে আচলতে কিজানি মোক হিংসা কৰে ; —নিউজ এডিটৰে মোক পাত্তা দিয়ে কাৰণে। ছান অৱ এ···।

চেনি ?

এঁচামুচ।

চাহৰ কাপটো অঞ্জনাৰ হাতৰপৰা লৈ ঘড়িটোলৈ চালো। চাৰে চাৰি। মোৰ সমুখত থিয় হৈ থকা বৃদ্ধক ষ্টৰিলৈ ৰূপান্তৰিত কৰিবলৈ হ'লে লাগিব কমেও এঘণ্টা। সেই সময়ৰ ভিতৰতে মহানগৰীত যিকোনো ঘটনা ঘটি যাব পাৰে। দাংগা-মাৰপিট, ৰায়ত,— হিন্দু-মুছলমান, হিন্দু-শিখ আৰু কত কি ? ডাঙৰ-ডাঙৰ মানুহো আছে কেইবাজনো। কোনো বাৰ্ধক্য-জনিত কাৰণৰ বাবেই হওক বা খুন-খাৰাবী অথবা আতংকবাদৰ ফলতে হওক,— মৃত্যু মানে মৃত্যু। আমাৰ কাম কেৱল দৌৰা, ফ'চি গলেই বৰবাদ। যোৱা সপ্তাহত তেনেকৈ এজন ডাঙৰ মানুহ টুকাল হাইব্লাডপ্ৰেছাৰত, তাকো ঠিক অফিছ ছুটীৰ লগে লগে। পাছ-দিনাখন একেসময়তে ফোন আহিল লালকিল্লাৰ ওচৰত উত্তেজনা, ইমামে মিটিং কৰিব পৰা নাই। আজি চান্স ল'ব নোৱাৰি। দুদিন কথা দি সীমাক লগ ধৰিব নোৱাৰিলো। আজি ঠিক চাৰে পাঁচ বজাত আমেৰিকান ছেণ্টাৰৰ সন্মুখৰ বাছষ্টপটোৰপৰা তাইক পিক-আপ কৰাৰ কথা। মই জানো তাই ঠিকেই ৰৈ থাকিব। যিহে ছেণ্টিমেণ্টেল ! তাতে নতুন প্ৰেম ;— তাইৰ বোধহয় প্ৰথম।

মুঝে বচা লিজীয়ে— আপ মেৰা বেটা সমান হেয়···।" বুঢ়াৰ মাত ভাগি পৰিছে। এনেকুৱা পৰিস্থিতি বহুত দেখিছো। প্ৰকাশ মেহৰাৰ ছিনেমাৰপৰা ৰিপ'ৰ্টিং ৰুমলৈকে বহুত ঠাইত। জন্মৰে পৰাই দেখা কথা। ধুৰ ছালা ! হাভাৰ্ডৰপৰা পাছ কৰা টেণ্ডুলকাৰৰ যিহে মডেল বিশ্লেষণ ! দৰিদ্ৰতাৰ সৰল ব্যাখ্যা ;— সঁজুলি ডিফাৰেন্সিয়েল ইকুৱেছন আৰু অলপ ৰিয়েল এনালাইছিছ;— লগতে পুৰণা



# বুঢ়া বুঢ়া আঙুলি

সিদ্ধাৰ্থ শংকৰ শৰ্মা

সোলোক-ঢোলোক চোলা, ৰং উৰ'লি যোৱা জিনছৰ পটলুং আৰু গুতৰিত দুদিনৰ নকটা শুং বা ডাঢ়ি।

ছিগাৰেটটো জ্বলাই আৰামকৈ বহি ল'লো। বুঢ়াই লাহে-লাহে কৈ গৈছে তাৰ কৰুণ কাহিনী। মোৰ মনত ঘূৰিছে কেৱল শব্দ এক্সপ্লইটেছন, আণ্ডাৰ-প্ৰিভিলেজ্‌ড্‌···। লিখি গলো। কি লিখিলো পাছত আপুনিও পঢ়িছে। কাগজৰ তিনি নম্বৰ পৃষ্ঠাত। প'ষ্টমেনৰ দুৰ্দশাৰ হৃদয় বিদাৰক কাহিনী। ভালেই লিখিছো। বহুতে তাৰিফ কৰে মোৰ লিখনিক। নিউজ ছেন্স আছে, ভাষা ভাল আৰু আছে মানবতাবোধ। আৰু কি লাগে ? টাইপ ৰাইটাৰৰ ওপৰত হাউলি লীনা ভাগিজে কলে, "ইউ আৰ ছ' পয়েটিক ! দেখিলে কোনেও ক'ব নোৱাৰে— লীনাৰ ডাঙৰটো ল'ৰাই কলেজৰ ফাইনেল ইয়েৰত পঢ়ে। লাজ-বুৰীয়া হাঁহিটো মাৰি (যিটো মোৰ সকৰে পৰাই ভাল ল'ৰা হোৱাৰ প্ৰধান সম্বল) যিমান দূৰ পাৰোঁ সেপ ঢুকি গিলি কলো,— "কি লাভ ? মই লিখিম বা আপুনি লিখিব ; লালন প্ৰসাদৰ কি হ'ব ? তাৰ বন্ধকত থকা মাটিৰ ? ল'ৰা-ছোৱালীৰ ? একো নহয়। খালী কিছুমান অৰ্থহীন ৰিপ'ৰ্ট। টাইপৰাইটাৰৰ বমি যতচব !"

মন কৰিলো কোঠাটো অলপ গহীন হৈ গ'ল।

সঞ্জীৱে তাৰ টাইপৰাইটাৰৰ বেসুৰা বাজনাটো বন্ধ কৰি তলমূৰকৈ কিবা বিচৰাত লাগিল। বজ্জাত ছালা। এডিটৰৰ ছোৱালী ৰজনীয়ে যে টি-টকৈ মোৰ কথা গিলিছে, সেইটো বদমাচৰ হজম হোৱা নাই।

ৰজনী ট্ৰেইনি হিচাপে সোমাইছে। নতুন ছোৱালী তাতে, জেনফণ্ডা-মাৰ্কা ফিগাৰ। ড'জ আৰু অলপ বেছি হ'ব লাগিছিল নেকি ? আচলতে এনেকৈ কথাকেইটা ক'ব লাগিছিল,— যেন আপোনাৰ সোঁৱে-বাঁৱে ৰাস্তাৰ চব মানুহ কেৱল লালন প্ৰসাদ। আপোনাৰ দিশ হেৰাই গৈছে, ভ্ৰম হৈছে। দূৰৈত দেখিছে মোক। স্থিৰ, আৰু অবিচল।

অলপ পাছলৈ মূৰটো হলাই টাইপ-ৰাইটাৰটোৰ ওপৰতে শুই পৰিলো (ভাগৰত ?)। কৰবাত দেখিছিলো নেকি-ৰবাৰ্ট ৰেডফৰ্ড বা তেনেজাতীয় নায়কক ছিনেমাত এনে ভংগীত শুই পৰা ? হ'ব পাৰে। ছ' হোৱাট ?

'বেটা তুনে মুঝে বছা লিয়া।

সেয়া লালন প্ৰসাদৰ মাত। সপোন নহয় ; সন্মুখত বুঢ়া থিয় হৈ আছে। সোলা মুখখন হাঁহিত মেল খাই আছে। শুকান ওঁঠৰ মাজেদি ৰঙচুৱা জিভাৰ একাংশ। কাৰ নিচিনা ? পলাশবাৰীৰ আবু ? মৰাৰ আগতে কায়ত বহুৱাই কৈছিল— "ডাঙাৰ অফ্ছিাৰ হ'বা লাগবো।"

"আপ বেঠিয়ে না।" —বুঢ়াক খালী চকী এখনত বহুৱাই দিলো। বুঢ়াৰ হাতত সেই ঐতিহাসিক কাগজখনৰ তিনি নম্বৰ পৃষ্ঠা— য'ত তাৰ মৰ্মস্পৰ্শী জীৱনকাহিনী ছপা আখৰত ওলাইছে ; —তাকো ইংৰাজীত। বুঢ়াই কাগজখন পিটিকি আছে। হয়তো ভাবিছে— ডাক তাঁৰ বিভাগৰ মুৰব্বী প্ৰাধিকাৰীয়ে তাৰ ফাইল উলিয়াই পঢ়িব ; দহ বছৰৰ আগৰ ভজনৰাৰ প'ষ্ট অফিছৰ ফাইল, পাঁচশ টকাৰ আত্মসাৎৰ কাহিনী, —চোৰ লালন প্ৰসাদ নহয়, ভগৱান ঝাহে। লক্ষ্নৌ হাইক'ৰ্টৰ ৰায় লগত গাঁথা আছে। ১৯৭৪ চনৰ পৰা পাবলগীয়া দৰমহা পেনছনৰ পইচা, এলাৱেন্স। সেই পইচাৰে মাটি মুকলি,— আৰু কত কি।

গধুলি লেডী গাৰ্ডেনৰ কোমল ঘাঁহনিত শুই-শুই সীমাক ঘটনাটো কলো। তাইৰ চকু চলচলীয়া। "দেশৰ ইমানবোৰ মানুহ কেতিয়া সুখী হ'ব ? তোমাৰ নিচিনাকৈ যদি চবেই দায়িত্বশীল হ'লহেতেন !" (ইম'শ্যনেল হ'লে তাইক বেচ ধুনীয়া দেখি)। "মই যদি তোমাৰ দৰে অসমৰ (অৰ্থাৎ বেক-গ্ৰাউণ্ডত সেউজীয়া ঘাঁহ, বন, নদী, লগতে বানপানী, ভুমিকম্প আদি দুৰ্যোগ, আৰু দুৰ্যোগত জুৰুলা হোৱা এসোপা অসধাৰণভাৱে সৎ মানুহ ইত্যাদি) কোনোবা সৰু ঠাই এখনত ডাঙৰ হলোঁহেঁতেন, তোমাৰ মা-দেউতাৰ নিচিনা ভাল মা-দেউতা যদি মোৰো···! তুমি ইয়াৰ ল'ৰাবোৰতকৈ কিমান বেলেগ।" মূৰটো মোৰ কান্ধত থৈ চকুলৈ চাই তাই কলে,— "আই এম ছ' লাকি !" তাই নাজানে জু ৰোডত আমাৰ প্ৰকাণ্ড ঘৰ কেনেকৈ হ'ল, ৰঙা মাৰুতীখন ক'ৰ পৰা আহিল ! সিহঁতৰ প্ৰাসাদোপম ঘৰটোৰ ডিজাইন দেখিলেই মাহঁতৰ মনে লক-লক কৰিব। এইৰ আকৌ মাক-দেউতাকৰ খ্যাতিত ঘৃণা ! বিদেশত থাকি মেনেজমেণ্ট নপঢ়ে,— কিজানি মই হেৰাই যাওঁ ভাৰতবৰ্ষৰ হাজাৰজন নিপীড়িতৰ সেৰাত !

আচলতে আমাৰ দেশত এনে স্তৱৰ বুৰ্বকৰ সীমা-সংখ্যা নাই। প্ৰথম যিটো লিখনিৰে বহুতৰ অন্তৰত ধুমুহা বা জোৱাৰ-ভাটাজাতীয় দুৰ্যোগৰ সৃষ্টি কৰিছিলো, তাৰ বেকগ্ৰাউণ্ডত আছিল এটা সাধাৰণ ঘটনা। মই তেতিয়া কলেজৰ ছাত্ৰ। এদিন দুপৰীয়া ঘূৰি-পকি চহৰৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ মন্দি হাউছৰ ত্ৰিবেণী কলা সংগম ওলালোগৈ। উদ্দেশ্য আছিল অৱশ্যে নিতান্তই সজ। দুই-এখন কলা প্ৰদৰ্শনী চাই কলেজত ইণ্টেলেকচুৱেল আখ্যা পোৱাটো। ছিলেবাছৰ কিতাপ পঢ়ি কেইটা মানুহ ডাঙৰ হৈছে ? ইম্প্ৰেছ-নিজিম, ছাৰেয়িলিজিম— এইবোৰহে আচল জিনিছ। ময়ো ভালকৈ এইচব পঢ়া নাই ; অলপ-চলপ ৰিভিউ, সমালোচনা, বচ ইমানেই। ভিতৰত ছিগাৰেট হুপি বহি আছে শিল্পীগৰাকী। বয়স পয়ত্ৰিছমান হ'ব কিজানি। মহিলা গৰাকীৰ নাম পাহৰিলো। নামৰ দৰকাৰ নাই। মই ইখন-সিখনকৈ ছবি চাই কোঠাৰ ঠিক সোঁমাজৰ পৰা বিশেষ ভংগী এটাত সাংঘাতিক কিবা এটা সোধা দি আৰম্ভ কৰিলো,— "আপুনি এগৰাকী নাৰীৰ অকলশৰীয়া জীৱনৰ বিভিন্ন দিশ দেখুৱাইছে ; কিন্তু এই গ্ৰাফিকছৰ খেল কিমানে বুজি পাব ?"

তাৰ পাছতেই ঘটিল ঘটনাটো। হিন্দী ছবি জগতৰ এগৰাকী বিখ্যাত নায়িকাৰ প্ৰৱেশ। দুই শিল্পীৰ এক ছাইটিং এনকাউণ্টাৰ, দাম দৰ, লেন-দেন,— তাৰ পাছত বাৰন্ন হাজাৰত প্ৰদৰ্শনী বিক্ৰি।

ঘটনাটো সম্পূৰ্ণ নিজা ধৰণে (যিটো মোৰ বিশ্বাস সকলোৱেই কৰিলেহেঁতেন বা আজিও কৰে) ইংৰাজী শব্দৰ লগত দস্তুৰমত যুদ্ধ কৰি লিখি উলিয়ালো। বিখ্যাত দৈনিক কাকত এখনৰ দেওবৰীয়া সংখ্যাত প্ৰকাশ পোৱাৰ লগে লগেই মই হৈ পৰিলো সৰুসুৰা ইণ্টেলেকচুৱেল। তাৰ পাছত ক্ৰমে বন্ধুবৰ্গৰ পৰা এলিয়েনেশ্যন।

কাহিনীটোৰ শেষভাগটো আছিল জীৱনৰ প্ৰথম লাজ লগা ফাঁকি। মই লিখিলো এনেদৰেঃ "মই প্ৰদৰ্শনী এৰি মুক্ত পৃথীৱীলৈ দৌৰি ওলাই আহিলো (সৰু প্ৰদৰ্শনীৰুমত শ্বাসৰুদ্ধ অৱস্থা ?)। মুক্ত মানুহৰ কাষ চাপি জীৱনৰ স্বাদ ল'বলৈ চেষ্টা কৰিলো আৰু ৰাজপথৰ হাজাৰজনৰ মাজত এক হৈ গলো।" আচলতে কিন্তু চিত্ৰতাৰকাৰ দৈহিক সৌন্দৰ্যই চকুত ছাঁট মাৰি ধৰাত মই বেচ কিছু সময় ভেবা লাগি থিয় হৈ আছিলো। উভতি অহাৰ পথত কিন্তু ঘটনাটো সুন্দৰকৈ জুকিয়াই লৈছিলো, কেনেকৈ বিশ্বাস-যোগ্য আৰু সম্ভৱপৰ কাহিনী এটা সৃষ্টি কৰিব পাৰি !

তাৰ পাছত মুকলিলৈ নহয়, মই প্ৰদৰ্শনীৰ ছবিৰ ফ্ৰেমত সোমাবলৈ চেষ্টা

OKDISCD

কৰিবলৈ আৰম্ভ কৰিলো। এটা ৰেফাৰেন্স ফ্ৰেম লাগেই, নহ'লে কাৰো কোনো অস্তিত্বই থাকিব নোৱাৰে।

এনেকৈ দিনবোৰ বাগৰি গ'ল। ক্ৰমে দিনবোৰ, সময়বোৰ ঘড়িৰ কাঁটাৰ দৰে অৰ্থহীন হৈ পৰিল। চলি গৈ আছে অবিৰাম। বাহিৰত কথা আৰু শব্দৰ প্ৰচণ্ড জোৱাৰ, বুদ্ধিদীপ্ত লিখনি, লেকচাৰ আৰু মৌনতাৰ সৰল সমীকৰণ; ভিতৰত শূন্যতা। চব খালী। জীয়াই আছোঁ। ঘটনাবোৰ একে, পৰিস্থিতি বেলেগ বা কেতিয়াবা পৰিস্থিতি একে, ঘটনাৰ নামমাত্ৰ ৰূপান্তৰ।

সিদিনাও।

নাম?

ৰামলগন ৰাৱাট।

জিলা?

ছাপ্ৰা, বিহাৰ।

স্বাধীনতাৰ কাৰণে যুঁজিছিল। জেলো খাটিছিল হেনো দুবছৰ। প্ৰমাণ আছে। স্বাধীন ভাৰত চৰকাৰে ঘোষণা কৰা স্বাধীনতাৰ যুঁজাৰুসকলৰ নামৰ তালিকাত সমগ্ৰ বিহাৰতে সন্মানিত নৱম স্থান। কিন্তু যোৱা দুই দশক ধৰি ৰামলগনে পাব লগীয়া পেনছনৰ এক পইচাও পোৱা নাই। কাহিনীত অৱশ্যে অলপ ছাছপেন্স আছে। যোৱা দহ বছৰৰ ভিতৰতে দুবাৰ ফাইল হেৰাল পাটনাৰ গৃহ দপ্তৰৰ পৰা। এইবাৰ মুখ্যমন্ত্ৰীৰ চিঠি লৈ আহিছে। অৱশ্যে এতিয়ালৈকে একো কৰিব পৰা নাই। প্ৰকাশ যশলোক ভৱনত তিনিদিন উঠা নমা কৰি অৱশ হৈ বুঢ়া লৰি আহিছে খবৰ কাগজৰ অফিছলৈ,--চিঠি, ৰিপ'ৰ্ট আৰু অন্যান্য প্ৰমাণ লৈ। কোনোবাই কৈছে, —মন্ত্ৰীসভা অলপতে ভাগিব। তাতে এইজন মুখ্যমন্ত্ৰীৰ সিমান তাকত নাই। আগৰজনৰ চিঠিৰ জোৰত কিবা এটা হ'লেও হ'লহেতেন। আন এজনে কৈছে, এইয়া পাটনা নহয়,—দিল্লী। অফিছাৰ এজনে অৱশ্যে খাৰাংখাচকৈ কৈ দিছে যে পাঁচ হাজাৰ টকা দিলে কামটো হৈ যাব। তাতে বুঢ়াৰ খং। "পেপাৰ মে ছাপ দো বেটা-ইস অফ্‌ছৰ কা নাম। দেশ কা দুশমন হেয়। পেপাৰ মে নাম আনে দো, বচ দেখতে যাও মে কয়া কৰতা হুঁ।"

পাগল নেকি বুঢ়া? দেশৰ শতকৰা পাঁচ ভাগ মানুহে এই কাগজ পঢ়ে। খুব বেছি ব্ৰে'কফাষ্ট টেবুলত ক'ব,—"হোৱাট ব্লাডি ডেম'ক্ৰেছি ইজ দিছ?"

বুঢ়া বদমাছো হ'ব পাৰে। জাল কাগজ দেখুৱাই পইচা ঘটাৰ ধান্দা? বিৰোধীপক্ষৰ এজেণ্টো হ'ব পাৰে— কি ঠিক? বিহাৰত যিহে লেতেৰা ৰাজনীতি চলে! সৰু ৰিপ'ৰ্ট এটা লিখি পঠিয়াই দিলো।

আধা ঘণ্টাৰ পাছত নিউজ এডিটৰ ফ্লোৰি চাহাবে মাতি পঠিয়ালে। বুজিলো, কামটো ভাল নহ'ল। পাইপৰ ধোঁৱাই ৰুমটো আৱৰি আছে। সচৰাচৰ দেখি অহা পৰিবেশ। চুৰুৰ টেলিভিছনটোলৈ চকু গ'ল,— মাৰ্ছালৰ হাতত ভাৰতীয় ক্ৰিকেটদলৰ শোচনীয় অৱস্থা। চকু টেলিভিছনৰ পৰ্দাত যদিও কাণ মোৰ সজাগ। ফ্লোৰিয়ে ফোনত কথা পাতি আছে, চকু মুদি। মানুহজনৰ হাইব্লাড প্ৰেছাৰ আছে; চিঞৰিলেই ৰঙা-ছিঙা পৰি অৱস্থা নাইকিয়া হয়। মই আশা কৰাতকৈ অলপ কোমল মাতেৰে কলে,—এয়া কি? ইমান বস্তু সোমাই আছে,— মোক সম্পূৰ্ণ ফিছাৰ এটা লাগে। ৰিং আপ দি কনছাৰ্নড পিপ্‌ল। কাইলৈ প্ৰিণ্টত ওলাব লাগিব। শ্যামক ক'বি ফটো এখনো লব লাগে।" মই অলপ আপত্তিৰ সুৰত বুজাবলৈ চেষ্টা কৰিলো যে মই ৰাতিপুৱা আঠবজাৰ পৰাই দৌৰি আছোঁ;— জলন্ধৰৰপৰা অহাৰ পৰা বিছনাত পৰাই নাই।

পছপন্ন বছৰীয়া মানুহজন খকমকাই থিয় হ'ল আৰু ডয়াৰৰ পৰা পুৰণা ফাইল এটা মোলৈ দলিয়াই দিলে। ১৯৬২ চনৰ ৰিপৰ্ট। ডিছেম্বৰৰ ৰাতি দিল্লী মহানগৰীৰ বিভিন্ন অংশত এচটা টিং বা ডাঠ কাগজেৰে নিৰ্মিত ঘৰ বা বাকচত বাস কৰা বন্নুৱাৰ জীৱন বৃত্তান্ত ফটোৱে সৈতে। "জান মই কেইটা ৰাতি শুব পৰা নাছিলো? পাছত কমনৱেলথৰ স্কলাৰছিপৰ ইণ্টাৰভিউ ব'ৰ্ডে যেতিয়া মোৰ প্ৰশংসা কৰিছিল, তেতিয়া এনে লাগিছিল যেন পৃথিৱীত মানুহে যুদ্ধ কৰি সকলো বিপদ ওফৰাই পেলাওক। জীৱনটো এখন যুদ্ধক্ষেত্ৰ। যিবোৰে যুঁজা নাই সিহঁতে আচলতে জীয়াই থকাৰ আনন্দৰ কথাই বুজা নাই। একোটা ৰিপ'ৰ্টতে পাছত ৰাষ্ট্ৰীয় পুৰস্কাৰ পাওঁতে যেতিয়া নেহৰুৱে মোক মেডেল পিন্ধাইদি কৈছিল,...তইতো চব জানই।"

জানো মানে চাকৰিৰ প্ৰথম দিনাই মোক এইবোৰ কৈ তই মোক দুঘণ্টা ব'ৰ কৰিছ! ই দেখোন মোৰ "বাপেক"!

চকীখন পিছলৈ ঠেলি ঘপকৈ থিয় হলো। চকুমুখত তেতিয়া 'আই গট ইট'— অভিব্যক্তি। টেলিভিছনটোলৈ পুনৰ চাই পঠিয়ালো। ক্ৰিজত ৱেষ্ট ইণ্ডিজৰ বেটছমেন। মানে ভাৰত অল আউট। ওলাই আহোঁতে কাণত পৰিল ফ্লোৰিৰ গলগলীয়া মাত, —"ভাল ফিছাৰ এটা লিখ। বৃটিছ হাইকমিছনৰ পৰা ডিনাৰৰ নিমন্ত্ৰণ আহিছে। মই নাযাওঁ। বুঢ়া মানুহৰ কিহৰ পাৰ্টি! এনজয় ইয়ৰছেল্‌ফ।"

ৰিপৰ্টিং ৰুমলৈ গৈ অলপ সময় চকু দুটা মুদি ভাবি আছোঁ। এনেকৈ থাকিলেই শান্তি। চৌদিশে অন্ধকাৰ। জোতাৰে খটখটাই সোমাই আহিল মিছেছ সাধনা সিং। নিশ্চয় লেট ডিউটি আছে। সোমায়েই তেওঁ কলে, —"তলত বুঢ়া এজন বৈ আছে তোমাৰ কাৰণে।"

বে'ল বজাই মতাই আনিলো। ৰামলগন। অলপ পইচা লাগে। দিনটো একো খোৱা নাই। টকা পাঁচটা দি কথাখিনি মনত জুকিয়াই ললো। মনত পৰিল অলপ আগতে শ্যামৰ কেমেৰাত আবদ্ধ হোৱা বুঢ়াৰ ঘোলা চকু দুটাৰ কথা। কি নাম দিয়া যায় ছবি খনৰ? 'নিৰাশাৰ প্ৰতিচ্ছবি'?

৪৬ পৃষ্ঠাত চাওক





## কবিতা

ৰফিকুল হুছেইনলৈ

**নীলমণি ফুকন**

সন্ধ্যাৰ তেজ-তুম্‌ৰলি গৰখীয়া ল'ৰাটো মযেই
হাবিতলীয়া বাটেৰে জিলি এটা মুঠিত লৈ
সদায় গোধূলি ঘৰলৈ ওভতোঁ

ছিটিকা পাতি দেও-ডঁৰিক ধৰোঁ
কেতেকী মই কেতেকী বুলি চিঞৰোঁ
চুমা খাওঁ ললিতাক

ক'লা জামু খাই জিভা ক'লা কৰোঁ
আইতাৰ মাত বুলি জহালিত
ফুটুকা ছিঙো

দিহিঙত নাও বুৰি নমৰা ল'ৰাটো মযেই
হাবিৰপৰা ওলাই অহা মই দেওল'ৰা
মূৰত বগৰী কাঁইটৰ মুকুট

পেঁপাটো মই কেতিয়াবাই ক'ৰবাত হেৰুৱালোঁ
নিজানত নিজকে এতিয়া ৰিঙিয়াই মাতোঁ
মাজনিশা তোমাৰ বুকুত গোপনে উচুপোঁ

দুটা কবিতা

**অনুভৱ তুলসী**

## উন্মুক্ত সেউজ হাড়ত গজিছে

তৰাটোৰ ওপৰত
পাহাৰবোৰে জাপি দিছে
শিল

এন্ধাৰে এৱাল ছিঙিছে

ছাঁ দীঘল হৈ গৈ
চিৰাচিৰ কৰিছে দেহ

ছালৰ পৰা মুক্ত হৈছে
মাংস

এখন এখনকৈ সুলকি পৰিছে
হৃদয়ৰ পৰা হাত

উন্মুক্ত সেউজ হাড়ত গজিছে

## ৰাতি

ৰাতি
মৰা তৰাৰে উপচি পৰে
নৈৰ ইটো পাৰ

এজাৰ পাতত
এন্ধাৰ গোন্ধায়

আকাশত গজে
আৰ্তনাদ

বাহুলি উৰে
বুকুত

সুমুৱা মণিলৈ
নামি আহে
মৌনতা



OKDISCD

## মই সেউজ শস্যভূমি

ৰবীন্দ্ৰ বৰা

মোৰ সৰ্বস্ব প্ৰেম তোমাৰ হাতত,
হৃদয়খন কৰি দিলোঁ বিশাল পথাৰত।

অসংখ্য মানুহৰ মাজত তোমাক বিচাৰি
অগ্নিসদৃশ সময়বোৰ দুয়োখন হাতেৰে
মুঠি মাৰি ললোঁ।

ক'ত মোৰ সময়!
ৰাতিৰ ধুমুহাত এৰি থৈ আহিলোঁনেকি
দুচকুৰ উন্মুক্ত দৃষ্টি, অমল প্ৰেমৰ শক্তি!
নৈৰ ঘাটত হেৰালনেকি গাভৰুহঁতৰ হাঁহি!

পোৱা শৰীৰটোত ৰং সানি
মই মানুহ হৈয়েই আছোঁ।

বন্ধুৰ বিশ্বাসঘাতকতা, আত্মীয়জনৰ মৃত্যুৰ সংবাদ
আৰু অনেক লোমহৰ্ষক দৃশ্যৰ মাজতো
উশাহ লৈছোঁ সৰু এটা ৰেল ষ্টেছনৰ
অকণি লেম্পৰ পোহৰৰ নিসংগতাখিনিৰ স'তে।

হঠাৎ পথাৰখনত থিয় হ'লোঁ,
চৰাইবোৰৰ পাখিত সেউজ ৰং
আৰু গছবোৰৰ ডালে ডালে
তোমাৰ মুখৰ ছবি দেখা পালোঁ।

সমস্ত মানুহৰ বুকুৰ নিৰৰতাখিনি
আজুৰি আনি থেকেচি ভাঙিলোঁ—
মই
সেউজ
শস্যভূমি।



## তোমাৰ জন্ম দিনত

ভূপেন দাস

মইনো তোমাক কি উপহাৰ দিম তোমাৰ জন্ম দিনত
কেইটামান সেউজীয়া সেউজীয়া দেৱদাৰু গছৰ পাত
নে এবুকু ভৰপূৰ মৌ-মিঠা মৰমৰ মাত
বুকুৰ ভিতৰত ৰিমঝিম বৰষুণৰ দৰে সুৰ তুলি আজি
গিটাৰৰ তাঁৰত মোৰ ছন্দোময় দুহাত








লেখকৰ কথাঃ

'অনুৰাধাৰ দেশ' লিখাৰ প্ৰতিটো মুহূৰ্তত গভীৰ উৎকণ্ঠাৰে লেখক হিচাপে মই অপেক্ষা কৰিছোঁ পাছৰ মুহূৰ্তবোৰলৈ।

অৰুণাভ মোৰ বাল্যবন্ধু। একেখন গাঁৱতে আমি পাৰ কৰিছোঁ সেউজ-বৰণীয়া শৈশৱ। একেখন নদীতে সাতুৰিছোঁ কৈশোৰত। যৌৱনত বহুত দিন দেখা-দেখি নাই। চৰকাৰৰ বৃত্তি লৈ অৰুণাভ পঢ়িবলৈ গ'ল বেনাৰছ হিন্দু বিশ্ববিদ্যালয়লৈ, মই ৰৈ গ'লো অসমত। মাজে-মাজে অ'ত ত'ত ক'ৰবাত গল্প-কবিতা লিখিছোঁ চখতে।

অৰুণাভক লৈ এদিন উপন্যাস লিখিম, সেইকথা কোনো দিনে ভবা নাছিলো। পৃথিৱীত কত লাখ-লাখ, কোটি-কোটি চৰিত্ৰ আছে, কিন্তু সকলো চৰিত্ৰকে লৈতো কাহিনী লিখা নহয়!

দীৰ্ঘদিনৰ বিৰতিৰ মূৰত হঠাতে এদিন গুৱাহাটী ৰেল ষ্টেছনত মোৰ অৰুণাভৰ লগত দেখা হৈছিল। সন্ধিয়া পৰত কোনোবা এখন ট্ৰেইনৰ বাবে মই প্লেটফৰ্মত অপেক্ষা কৰি আছিলো। তিনিচুকীয়াৰ বন্ধু এজনৰ বিয়ালৈ যোৱাৰ কথা।

ছন্দোময় ধ্বনিৰে দুই নম্বৰ প্লেট-ফৰ্মলৈ ট্ৰেইন এখন সোমাই আহিছিল মন্থৰ গতিত। মোৰ ট্ৰেইন আহিবলৈ তেতিয়াও আধা ঘণ্টা সময় আছে। ষ্টেছনৰ প্লেটফৰ্ম, লিখা মানুহৰ বাবে উৎকৃষ্ট স্থান, কত-শত মানুহৰ সমাগম! কাৰণ প্ৰতিজন মানুহেই যেন একো একোটা, উপন্যাসৰ পাতৰ পৰা উঠি অহা জীৱন্ত চৰিত্ৰ! এনেকুৱা মানুহৰ আপাতদৃষ্টিত অভিব্যক্তিবিহীন মুখবোৰ মই দূৰৈৰ পৰাই খুটিয়াই-খুটিয়াই চাওঁ, —কিজানি কাৰোবাৰ মুখত ধৰা পৰে গল্পৰ গোন্ধ!

স্থবিৰ হৈ ৰোৱা ট্ৰেইনৰ কম্পাৰ্ট-মেণ্টৰ পৰা হাতত ছুটকেছ লৈ নামি আহিছিল এজন তৰুণ। অবিন্যস্ত চুলি। প্লেটফৰ্মত নামি এবাৰ ইফালে-সিফালে চাইছিল। কিমান দিনৰ মূৰত অপ্ৰত্যাশিতভাৱে দেখা, তথাপি মোৰ ভুল হোৱা নাছিল।

আৰে অৰুণাভ, চিনি পাইছ নে নাই?

মুহূৰ্তৰ বাবে অবাক হৈ অৰুণাভে মোৰ মুখলৈ চাই ৰৈছিল, পিছ মুহূৰ্ততে ছুটকেছটো থৈ দুহাতেৰে সাৱটি ধৰিছিল মোক। কেইটামান মুহূৰ্তৰ সেই আলিংগনতে যেন আমি দুয়োজনে আকৌ এবাৰৰ বাবে কিমান দিনৰ মূৰত একেলগে অনুভৱ কৰিছিলো এৰি অহা শৈশৱ, কৈশোৰৰ সেই মধুময় দিনবোৰ। বাল্যবন্ধুৰ সান্নিধ্যই সদায় কঢ়িয়াই আনে কোনো দিনে আৰু ঘূৰাই নোপোৱা এৰি অহা দিনবোৰৰ স্মৃতি।

সেইদিনাই প্ৰথম গম পাইছিলো অৰুণাভে তেল কোম্পানিত চাকৰি কৰাৰ কথা। অৰুণাভে কৈছিল—বাহিৰৰ পৰা তেল কোম্পানিৰ জগতখন এখন ৰহস্যময় বেলেগ জগত যেন লাগে। প্ৰথম-প্ৰথম ভাব হৈছিল কি এখন অদ্ভুত সমাজত প্ৰবেশ কৰিলো। অসমৰ ভিতৰতে যেন অন্য এখন সমাজ। অনুভৱ হৈছিল এই মানুহবোৰে, যেন বিলাসবহুল বাসভৱনত বাস কৰি, নিশাৰ ক্লাবত পানীয়ৰ গিলাছ হাতত লৈ মাথো পাৰ কৰি দিছে সময়। সমাজত থাকিও যেন এওঁলোক অসামাজিক। কত ৰিউমাৰ, কত গছিপ শুনিছিলো;—ছোপৰা চাহাবৰ অদমনীয় নাৰী প্ৰেম, কাৰ-কাৰ মিছেছৰ লগত কত কি মুখৰোচক ঘটনা; —পানীয়ত ডুব গৈ থকা সুব্ৰমনিয়াম চাহাব, কাৰছিয়ঙৰ পাবলিক স্কুলত পঢ়া কাকতিৰ ছোৱালী অন্তিৰ লগত ছুটীত ঘৰলৈ আহোঁতে ড্ৰাইভাৰৰ সৈতে কি গোপন সম্পৰ্ক, বিয়াৰ আঠ বছৰ পাছত বৰুৱা-দম্পতিৰ হঠাতে কিয় ডাইভোৰ্ছ হ'ল; —তইতো লিখা-লিখি কৰ, আহি যা এবাৰ, সুন্দৰ উপন্যাস এখনৰ সমল পাবি। কিন্তু আচলতে কি জান, পৃথিৱীৰ সকলো দেশৰ সকলো সমাজতে কিছু-কিছু ভাল মানুহ থাকে, সেই ভাল মানুহবোৰৰ কথা মানুহে নজনাকৈয়ে থাকি যায়। তেল কোম্পানিতে লগ পাইছো অনেক



OKDISCD

মানুহ— সেনগুপ্তা চাহাব, বৰুৱা, চলিহা চাহাব,— যিসকলে নিজৰ প্ৰফেছনৰ মাজেৰেই আন্তৰিকতাৰে দেশ সেৱা কৰে, অসমৰ সৰু সৰু মানুহৰ কথা চিন্তা কৰে।

অৰুণাভৰ তালৈ যোৱা হোৱা নাই; কিন্তু তাৰ পাছৰ পৰাই অৰুণাভৰ সৈতে নিয়মিত আদান-প্ৰদান হৈ আছে চিঠি-পত্ৰৰ। কথা দিছিলো অৰুণাভক— তেল-কোম্পানিৰ কথাৰে এদিন এখন উপন্যাস লিখিম। কিন্তু সেই দিনা ভবা নাছিলো সেই উপন্যাসৰ নায়ক হ'ব অৰুণাভ নিজেই। অৰুণাভৰ চিঠিৰ পৰাই গম পাইছিলো মেহৰা চাহাব, ডেনিছ, মিছেছ ডালভি, নীৰেন দত্ত, ৰূপালী, অৰুণিমা বাইদেউ, অনুৰাধাৰ কথা। এই উপন্যাসৰ পৰিসমাপ্তি ক'ত ঘটিব, এই উপন্যাসে কোন দিশে গতি কৰিব, সেই কথা মোৰ এতিয়াও অবিদিত; মই মাথো লিপিবদ্ধ কৰি গৈছোঁ অৰুণাভৰ চিঠিৰ পৰা,— ঘটনাবোৰ যিদৰে ঘটিছে ঠিক তেনেদৰে। লিখিবৰ সময়ত মাজে-মাজে ভাব হয়, ময়েই যেন অৰুণাভৰ ৰূপত মাজ সমুদ্ৰত পেলিকান ৰিগৰ ডেকত থিয় হৈ চাই আছোঁ তৰংগায়িত সমুদ্ৰবক্ষলৈ; অথবা অনুৰাধা নামৰ সেই ছোৱালীজনীৰ সৈতে একেলগে ঘূৰি ফুৰিছোঁ উৰিষ্যাৰ বিভিন্ন মঠ-মন্দিৰত, অথবা নিঃসংগ পৰত হোটেল প্ৰাচীৰ বদ্ধ কোঠাত বহি ৰোমন্থন কৰিছোঁ অৰুণিমা বাইদেউৰ মায়া-মমতাময় মাধুৰ্যৰে ভৰা চুচকুৰ স্মৃতি।

পাৰাদ্বীপৰ সমুদ্ৰগৰ্ভত তেলৰ সন্ধানত আৰম্ভ কৰা নতুন প্ৰকল্প এটালৈ অৰুণাভ ট্ৰেন্সফাৰ হোৱাৰ কথা যিদিনাই চিঠিৰপৰা গম পাইছিলো, সেই দিনাই অনুভৱ কৰিছিলো —এইখিনিয়েই হ'ব মোৰ উপন্যাসৰ 'টেক-অফ' পইণ্ট। পাৰাদ্বীপৰপৰা অৰুণাভৰ চিঠি পাইছিলো—

"...... তোৰ মনত পৰে আমি যে গুৱাহাটীলৈ গৈ বাৰিষাৰ ব্ৰহ্মপুত্ৰ দেখি এবাৰ অবাক হৈ গৈছিলো, কি অদ্ভুত, সুবিশাল, ৰহস্যময় জলাধাৰ! গাঁৱত থাকোঁতে আমাৰ ভাব হৈছিল জ্ঞানৰ পৰিসীমা সৰু জানটোতে সীমাবদ্ধ, ব্ৰহ্মপুত্ৰ দেখি ভাব হৈছিল সেয়েই শেষ সীমা; আৰু এতিয়া সাগৰ দেখি ভাব হৈছে জ্ঞানৰ কোনো পৰিধি নাই, সাগৰৰ দৰে পাৰাপাৰহীন, কৌতূহলোদ্দীপক।"

সৰুৰে পৰাই অনুভৱ হৈছিল সকলোৰে মাজত থাকিও অৰুণাভ ব্যতিক্ৰম। অৰুণাভ বিদ্ৰোহী নহয়, কিন্তু সত্যৰ সন্ধানী; পৃথিৱীত ঘটি যোৱা প্ৰতিটো ঘটনা, সমাজৰ প্ৰতিটো নিয়ম-কানুন অৰুণাভে সেই স্কুলত পঢ়ি থকাৰ পৰাই যুক্তিৰ মাজেৰে ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰি আহিছে; তেতিয়াই অনুমান কৰিছিলো অৰুণাভ ঘৰুৱা নাথাকক কিয়, যেনেকৈয়ে নাথাকক কিয়, সদায় অনন্য হৈ ৰব।

বাল্যবন্ধু হিচাপে অৰুণাভৰ চিঠিৰ পৰা মাজ-সাগৰত তৈল-সন্ধানতৰত অৰুণাভৰ কথা জানিবলৈ পাই আনন্দিত হৈছিলো।

পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন লোক, বিজ্ঞানৰ বিস্ময়কৰ কাৰ্যকাৰখানা, প্ৰতিটো দিনেই নতুন, প্ৰতিটো মুহূৰ্ততে উত্তেজনা, বিদেশী জাহাজ, বিদেশী ৰিগ, বিদেশী হেলিকপ্টাৰ, বিদেশী লোকৰ মাজত আজি সগৰ্বে কাম কৰিছে মোৰ একালৰ বাল্যবন্ধু অৰুণাভে। জ্ঞানৰ প্ৰতি, বিশালতাৰ প্ৰতি প্ৰচণ্ড কৌতূহল, দৃঢ়তা আৰু একাগ্ৰতাই আজি অৰুণাভৰ জীৱনলৈ আত্মবিশ্বাস আনি দিছে বিদেশী বিশেষজ্ঞক ৰিগৰ জটিল সময়ত কৰ্তব্যৰ কথা সোঁৱৰাই দিবলৈ। ৰিগৰ পৰা অৰুণাভে লিখিছিল,—ৰিগত থাকি মোৰ কি অনুভৱ হৈছে জান? —কৰ্মৰ মাজেৰেহে মানুহে জীয়াই থকাৰ আনন্দ উপলব্ধি কৰিব পাৰে। এনেকুৱা এক মহৎ উপলব্ধিয়েহে মানুহৰ জীৱনলৈ জীয়াই থকাৰ সাৰ্থকতা কঢ়িয়াই আনে। বিদেশী লোক সকলৰ কৰ্তব্যনিষ্ঠা দেখি মই কেতিয়াবা আচৰিত হৈ যাওঁ। কৰ্তব্যত ফাকি বুলি কিবা এটা বস্তু থাকিব পাৰে বুলি এওঁলোকে নাজানে। তোৰ উপন্যাসত এই কথাষাৰ কৰবাত লিখিবি; আৰু এবাৰ তুলনা কৰি চাবি আমি কিয় জীয়াই থকাৰ বাবে উপযুক্ত নহওঁ। মানুহৰ নিজৰ অস্তিত্ব নিৰ্ভৰ কৰে নিজৰ ওপৰত। এই সাধাৰণ কথাষাৰ আমি কেতিয়া অনুভৱ কৰিম?"

অৰুণাভক লৈ লিখা 'অনুৰাধাৰ দেশ'ত অৰুণাভৰ মনৰ সকলো কথা সামৰাটো সম্ভৱ নহয়। সেই ব্যস্ততাৰ মাজতো অৰুণাভে চিঠিৰ মাজত কেতিয়াবা এনেকুৱা কথা লিখিছে, যিবোৰ কথাই অৰুণাভৰ সমাজ-সচেতন মন এটাৰ পৰিচয় দিয়ে। সেইবোৰ কথা মূল-উপন্যাসত হয়তো খাপ নাখাব, সেয়েহে মোৰ কথাৰ মাজতে তাৰ দুই-এটা কথা লিখিছোঁ। অৰুণাভে লিখিছিল—

"অনুৰাধাৰ লগত উৰিষ্যাৰ মঠ-মন্দিৰ চাবলৈ যেতিয়াই গৈছোঁ, তেতিয়াই মোৰ মনলৈ আহিছে কামাখ্যা, উমানন্দ, ৰংঘৰ-কাৰেংঘৰৰ কথা। প্ৰতিখন স্থানতে ইয়াত বিদেশী-স্বদেশী টুৰিষ্টৰ ভিৰ। আৰু অসমত?"

আৰু লিখিছিল অৰুণাভে,—"অনুৰাধা আচলতে এজনী শাস্ত্ৰীয় নাচৰ শিল্পী। সিদিনা ৰবীন্দ্ৰ মণ্ডপত অনুৰাধাৰ সৈতে ওড়িছি নাচ চাবলৈ গৈছিলো। মোৰতো বিশেষ আগ্ৰহ নাই; অনুৰাধাই কোৱাৰ বাবেই গৈছিলো। অনুৰাধাৰ পৰাই জানিব পাৰিছিলো ওড়িছি নাচৰ কথা। এসময়ৰ সৰু-সৰু ল'ৰাৰ 'খুটী-পুৱা' নৃত্যই কেলুচৰণ মহাপাত্ৰ, সংযুক্তা, ৰঘুনাথ পাণিগ্ৰাহী আদিৰ প্ৰচেষ্টাত আজি বিশ্বত এক সন্মানীয় স্থান লাভ কৰিছে। চৰকাৰে ওড়িছি ৰিছাৰ্চ ছেণ্টাৰ খুলিছে, উৰিষ্যা ডেন্স একাডেমি খুলিছে। সকলো গুৰুৱে শিল্প আৰু জাতিৰ স্বাৰ্থত ব্যক্তিগত মতবিৰোধ পাহৰি ৰচনা কৰিছে ওড়িছি ব্যাকৰণ। বিশ্বৰ বিভিন্ন প্ৰান্তৰত ওড়িছি নাচ শিকাৰ বাবে চৰকাৰী সহযোগত অনুষ্ঠান খোলা হৈছে। আমিতো সদায় নিজৰ শিল্প-সংস্কৃতি বুলি চিঞৰি থাকোঁ। অসমৰ সত্ৰীয়া নাচ, বিহুগীতক ওড়িছি নাচৰ নিচিনা বিশ্বজয়ী স্থানত প্ৰতিষ্ঠা কৰিবলৈ আমি কিবা কৰিছো জানো? ...মই কোনোৱা এখন চিঠিত মিছেছ হাজৰিকাৰ কথা লিখিছিলো চাগে। আমাৰ লগত গিৰিয়েকে কাম কৰিছিল। মিছেছ হাজৰিকাই উৰিষ্যাত থকা সময়ছোৱাত ওড়িছি নাচ শিকিলে। গিৰিয়েকে অলপতে চাকৰিৰ পৰা ৰিজাইন দিলে। শুনিছোঁ, মিছেছ হাজৰিকাই গুৱাহাটীত এতিয়া ওড়িছি নাচৰ শিক্ষানুষ্ঠান খুলিছে। অসমৰ শিক্ষিতা মহিলা চামে অসমীয়া নাচৰ উত্তৰণত এনেকুৱা ভূমিকা লোৱাৰ সম্ভাৱনাৰ কথা পাৰ যদি প্ৰকাৰন্তৰে তোৰ উপন্যাসত লিখিবি।

মিছেছ হাজৰিকাক মই লগ পাইছোঁ। দুটা ল'ৰাৰ মাক। অলপতে গুৱাহাটীৰ দূৰদৰ্শনত মিছেছ হাজৰিকাৰ সাক্ষাৎকাৰ এটা প্ৰচাৰ হৈছিল। মূল উপন্যাসত মিছেছ হাজৰিকা হয়তো চৰিত্ৰ নহয়, তথাপি মিছেছ হাজৰিকাৰ কথা মানুহৰ মাজত দাঙি ধৰাৰ প্ৰয়োজন আছে, সেয়েহে এই সুযোগতে উনুকিয়াই থ'লো।

মানুহৰ জীৱনৰ গতি নিৰৱচ্ছিন্ন। কেতিয়াবা বাস্তৱৰ জীৱন সামঞ্জস্য বিহীন;— যেন তাৰ কোনো যুক্তিয়েই নাই। কিন্তু উপন্যাসৰ কাহিনী পৰিচালিত হোৱা উচিত যুক্তিৰ মাজেৰে ন'হলে পঢ়ুৱৈয়ে হয়তো প্ৰশ্ন কৰিব এইখিনিত এই চৰিত্ৰটোৱে এইদৰে বিহেভ কৰা উচিত নাছিল, এই খিনিতে এই ঘটনাই এনেদৰেহে গতি কৰিব লাগিছিল!

অনুৰাধাৰ দেশ পঢ়িও হয়তো কোনো-কোনো পঢ়ুৱৈৰ মনত একেই প্ৰশ্ন জাগিব; কিন্তু মই আগতেই কৈছোঁ, এই উপন্যাস কোনো কল্পনা বা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয়, অৰুণাভৰ জীৱনত যিদৰে ঘটনাবোৰ ঘটিছে, তাকেই মূল উপাদান হিচাপে লৈ এতিয়ালৈকে এই কাহিনীয়ে গঢ় লৈ উঠিছে। ক'ৰবাত-ক'ৰবাত হয়তো কাহিনীৰ তাগিদাতে লেখকৰ কল্পনাই ৰহন সানিব লগীয়া হৈছে। কাইলৈ এই উপন্যাসে কি গঢ় লব, কেনেকৈ এই উপন্যাসৰ পৰিসমাপ্তি ঘটিব, সেয়া মোৰ কল্পনাৰ ওপৰত নিৰ্ভৰ নকৰে; নিৰ্ভৰ কৰিব অৰুণাভৰ জীৱনৰ পৰবৰ্তী মুহূৰ্তবোৰে বাস্তৱত প্ৰকৃততে কি ৰূপ ল'ব, তাৰ ওপৰত।

লেখক হিচাপে গভীৰ কৌতূহলেৰে মই অৰুণাভক নিৰীক্ষণ কৰি আহিছোঁ। অৰুণাভ শিক্ষিত, যুক্তিনিষ্ঠ ল'ৰা। ইচ্ছা কৰা হ'লে অৰুণাভে কোনো পাকচক্ৰত নপৰাকৈ অইন হাজাৰ-হাজাৰ লোকৰ দৰে এটা সুন্দৰ, সৰলৰেখাৰ দৰে জীৱন পালন কৰিব পাৰিলেহেঁতেন। কিন্তু তেতিয়া অৰুণাভ মোৰ উপন্যাসৰ চৰিত্ৰ নহ'লহেঁতেন।

এই যে অখ্যাত গাঁৱৰ কিশোৰ এজনে একাগ্ৰতা অনুসন্ধিৎসাৰ বলত আজি অইন বিদেশী বিজ্ঞানীৰ লগত একেলগে মূৰ দাঙি থিয় হ'ব পাৰিছে, কাছাৰী ঘাটৰ সেই ৰাতিপুৱা অপলক দুটা চকুৰে আকাশলৈ মুখ কৰি থকা কুমীৰ চুচকুলৈ চাই প্ৰতিজ্ঞা কৰিব পাৰিছে, আৰু জীৱনৰ কোনো এক সংকটপূৰ্ণ মুহূৰ্তত সেই প্ৰতিজ্ঞা ৰক্ষাৰ বাবে ৰূপালীকো ত্যাগ কৰিব পাৰিছে, —জীৱনৰ তেনেকুৱা ঘটনাবোৰেই মোক বিশ্বাস কৰিবলৈ বাধ্য কৰিছে যে অৰুণাভৰ মাজত এজন উপন্যাসৰ এটা চৰিত্ৰ লুকাই আছে।

ৰূপালীক মই এবাৰ মাথো লগ পাইছিলো গুৱাহাটীত। আচল নাম ৰূপালী নহয়। অৰুণাভৰ অনুৰোধতে প্ৰকৃত নাম গোপন ৰখা হৈছে। ৰূপালীৰ বিয়াৰ দিনাও মই উপস্থিত আছিলো বিবাহ-মণ্ডপত। কইনাৰ সাজেৰে সজ্জিতা ৰূপালী মুখলৈ চাই মই ভাবিছিলো— তেওঁ যে মোৰ উপন্যাসৰ 'এটা চৰিত্ৰ হৈ গৈছে— সেই কথা তেওঁ বা জানে নে নাজানে! ৰূপালীৰ জীৱনৰ শেহতীয়া খবৰ পঢ়ুৱৈয়ে এতিয়াও নাজানে। যোৱাখন চিঠিত অৰুণাভে লিখিছে অন্য এক নিশাৰ ইতিহাস। অৰুণাভৰ দৰে ল'ৰা এজনে জীৱনত পুনৰ ভুল কৰিবলৈ ওলাইছে নেকি? বিচাৰৰ ভাৰটো মোৰ নহয়। অৰুণাভৰ প্ৰতি কোনো সহানুভূতি দেখুওৱাৰ বা ওকালতি কৰাৰ দায়িত্বও মই লোৱা নাই। খুব সোনকালে মই ৰূপালীৰ সেই ঘটনাৰ কথা লিখিম, যি ঘটনাই হয়তো উপন্যাসৰ কাহিনীক অন্য এক বিপৰীত দিশলৈ ঠেলি লৈ যাব। মই মাথো ভাবি পোৱা নাই ইয়াৰ পাছত অৰুণাভৰ জীৱনে কোন দিশে মোৰ ল'ব। চোৱা




OKDISCD

যাওক, সময়ৰ বুকুত ঘটনাই কোন দিশে গতি কৰে।

আৰু সেই যে অৰুনিমা বাইদেউ— ৰাতিৰ নিৰ্জনত তিতি থকা বকুল সুবাসৰ দৰে শৰীৰ যাৰ অৰুণাভেই অনুৰোধ কৰিছিল অৰুনিমা বাইদেউকে উপন্যাসৰ মাজলৈ টানি আনিবলৈ। কিয় ? তাৰ কাৰণ লেখক হিচাপে মইতো এতিয়াও বিচাৰি পোৱা নাই। অৰুণাভে বহুদিন অকপটে স্বীকাৰ কৰিছে, নিঃসংগ মুহূৰ্তত কেনেকৈ অৰুনিমা বাইদেউৰ চুচকুৰ মাধুৰ্যই তাক তন্ময় কৰি ৰাখে। চিঠিত লিখিছিল অৰুণাভে, —"এই প্ৰবাসতো অৰুণিমা বাইদেউৰ মৌন চাৱনিয়ে মোৰ জীৱনলৈ প্ৰেৰণাৰ বাণী কঢ়িয়াই আনে। যেতিয়াই কিবা কাৰণত মন অশান্ত হৈ পৰে, তোক কবলৈ দ্বিধাবোধ নকৰোঁ তেনেকুৱা প্ৰতিটো মুহূৰ্ততে মোৰ মাথোঁ এটাই হাবিয়াস হৈছে, অৰুণিমা বাইদেউৰ বুকুত মুৰ থৈ মই যেন অনন্তকাল শুই ৰ'ম। জানো ইয়াৰ কোনো যুক্তি নাই, এয়া অনৈতিক ; অসামাজিক অযৌক্তিক। কোনো কোনো সম্বন্ধৰ টান ইমান গভীৰ, ইমান প্ৰবল হোৱাৰ কাৰণ,—সেই টান গঢ়ি উঠে মাথোঁ হৃদয়ৰ তাগিদাত, কোনো যুক্তি বা সমাজৰ নিয়মত নহয়। মানুহৰ জীৱনৰ কি আইনৰ নি, —অৰুণিমা বাইদেউৰ পৰা মই নিজকে সদায় আঁতৰাই ৰাখোঁ, কাৰণ অৰুণিমা বাইদেউকে মই নিজৰ আটাইতকৈ ওচৰত বিচাৰোঁ। উপন্যাসত অৰুণিমা বাইদেউৰ কি স্থান হ'ব, মই নাজানো। তই লিখা মানুহ, তই নিজেই ঠিক কৰি লবি।

কিছুদিন পাছত অৰুণিমা বাইদেউ আৰু প্ৰতুল দাও ভুবনেশ্বৰলৈ যোৱাৰ কথা। সেই দিনকেইটা অৰুণাভে অৰুণিমা বাইদেউৰ সৈতে কেনে ব্যৱহাৰ কৰে, তাৰবাবেও মই আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ। হয়তো তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই মই উপন্যাসৰ এটা খণ্ড লিখিব পাৰিম। অৰুণিমা বাইদেউৰ মনৰ কথাও হয়তো সেই সময়তে আমি আৰু বেছিকৈ জানিব পাৰিম।

অৰুণাভ আৰু অনুৰাধাৰ কাহিনী লৈয়েই মই উপন্যাসৰ এটা সুখ-সমাপ্তিৰ কথা চিন্তা কৰিছিলো। এতিয়াও কৰোঁ। কিন্তু ক'ব পৰা হঠাতে অতনু নামৰ এই চৰিত্ৰৰ আবিৰ্ভাৱ ! অতনুৰ কথা অৱশ্যে অৰুণাভে ইমান লিখা নাই। এই চৰিত্ৰ ৰচনা কৰোঁতেই মই কল্পনাৰ সহায় লব লগীয়া হৈছে। কিয় জানো মোৰ ভাব হৈছে এই অতনুৰ চৰিত্ৰৰ লগত মোৰ কৰবাত মিল আছে ; সেই কাৰণেই অতনুৰ চৰিত্ৰ ৰচনা কৰোঁতে কল্পনাৰ বোল সনাত মোৰ একো অসুবিধা হোৱা নাই। অতনু নামৰ এই চৰিত্ৰক অনুৰাধা নামৰ বুদ্ধিমতী ছোৱালীজনীয়ে শেষলৈ কিদৰে কেনেকৈ হেণ্ডল কৰে, সেয়া চাবলৈ মই অধীৰ আগ্ৰহেৰে বাট চাই আছোঁ। মই জানো মোৰ এই উপন্যাসৰ পৰিসমাপ্তি বহুখিনি নিৰ্ভৰ কৰিব অনুৰাধা; অতনু, অৰুণাভ —এই ত্ৰিকোণৰ ভৱিষ্যতৰ ওপৰত। সেয়া অৱশ্যে মোৰ অনুমানহে। সময়ত কি হয় কোনেনো জানে ?

আজিৰ ডাকত অৰুণাভৰ পৰা চিঠি পাইছো। উৰিষ্যাৰ 'খৈৰী' বাঘৰ বাবে প্ৰখ্যাত শিমলিপাল নামৰ গভীৰ অৰণ্যলৈ অৰুণাভহঁত ফুৰিবলৈ গৈছিল। লগত সেই গাইড অনুৰাধা থাকিবই। লিখিছে অৰুণাভে, —"পাহাৰৰ শিল এটাৰ ওপৰত বহি আছিলো। আকাশত তৰা-ভৰা জোনাক। কি জানো ভাবি আছিলো। জীৱনত কেতিয়াবা কেনেকুৱা উদাস উদাস, অশান্তি লাগে। হঠাতে ওচৰতে অনুৰাধাক দেখা পালো। মোৰ কি মন গ'ল জান ? মই যেন শৰীৰৰ সমস্ত শক্তিৰে···।

অৰুণাভৰ সেই চিঠিৰ কথাৰেই উপন্যাসৰ পৰবৰ্তী খণ্ডটো আৰম্ভ কৰোঁ।

(আগলৈ)

---

৪০ পৃষ্ঠাৰ পিছৰ পৰা

আৰম্ভ কৰিলো : 'এনেকৈয়ে এখন দেশে ওভটাই দিয়ে কোনোবা হতভগীয়াৰ জীৱনলৈ চূড়ান্ত অপমান, —তাৰ আজীৱন সেৱাৰ বিনিময়ত। ঘটনাৰ স্থান··· ।

"ফিছাৰ নেকি ?" সাধনা সিঙৰ মাত। উত্তৰ দিয়াৰ প্ৰয়োজন বোধ নকৰিলো।

এসপ্তাহৰ পাছত ৰামলগন আকৌ আহিল। আহিয়েই কান্দোন আৰম্ভ কৰিলে। টকা পঞ্চাছটা লাগে। দেশ গৈ পায়েই যেনেতেনে পঠিয়াই দিব। বিনিময়ত তাৰ পুৰণা ঘড়িটো বন্ধকত দি যাব। এতিয়া অচল যদিও জাৰ্মান ঘড়ি,— অলপ মেৰামতি কৰিলেই চলি যাব। বুঢ়া আকৌঁৰ গোজ। আজিয়েই দেশলৈ যাব। পুতেকক কোনোৱাই বিনাদোষত জেলত সুমুৱাইছে। বুঢ়াৰ মতে চৰৰে পিছত কোনোবা 'জাতি দুশমন' আছে। — মোক এইবোৰ একো নালাগে। বেটা আপ ৰখলো চব।

চৰকাৰৰ ঘোষণা পত্ৰ, মোকদৰ্মাৰ কাগজ বুঢ়াই মোৰ টেবুলত সঁচাসঁচিকৈ থৈ দিলে। বুঢ়া ক্ৰমান্বয়ে ভাগি পৰিছে।

"মে সচমুচ পইচা লৌতা দুংগা।" তাৰ পাছত বুঢ়াই কোঠাৰ চাৰিওফালে চাই কাতৰ স্বৰে অনুৰোধ কৰিলে,— দহ-দহ ৰূপীয়া দে দিজীয়ে আপ চৰনে, ভাইচাহাব, বেহেনজী।"

মই দেখিলো যে ঘটনা গুৰুতৰ। শেষ প্ৰচেষ্টাৰ সুৰত কলো,— "আপ ক্যা কৰ ৰহে হোয় ? দেশ হেয় কানুন হোয়। আপকা, চাৰা কেছ··· ।"

বুঢ়াই গৰজি উঠিল,— "মেৰা কই দেশ নহী হোয়। ভাৰ মে খায়ে মেৰা দেশ"।

মোৰ চকুৰ সন্মুখত বুঢ়াৰ সোঁহাতৰ বুঢ়া আঙুলিটো। হয়, ক্ষীণ হাতৰ শুকান ছালৰ আঙুলিটো। কাক দেখুৱাইছে বুঢ়াই বুঢ়া আঙুলি ? মোক আমাক ? নে দেশক ?



# এক বিৰল সাক্ষাৎকাৰ

অৰুণ কাকতি



যোৱা এপ্ৰিল মাহৰ উনত্ৰিছ তাৰিখৰ কথা।

জাগীৰোডৰ কাগজ কাৰখানাটোৰ চাকৰিৰ বাবে প্ৰাৰ্থী বাছনি কৰিবলৈ সাক্ষাৎকাৰ সমিতিৰ সৈতে সহযোগ কৰিবৰ বাবে অসম চৰকাৰৰ নিয়োগ বিভাগৰ প্ৰতিনিধি হিচাপে গুৱাহাটীৰ পৰা জাগীৰোডলৈ গৈছিলো। আগবেলা সাক্ষাৎকাৰ শেষ কৰি মধ্যাহ্ন ভোজনৰ বিৰতিৰ সময়খিনিত অতিথিশালাৰ ভোজন-কক্ষত আহাৰ গ্ৰহণত ব্যস্ত আছিলো। কাৰখানাৰ ডেপুটি জেনেৰেল মেনেজাৰ শ্ৰীগোৰেল, ডেপুটি পাৰ্ছনেল মেনেজাৰ শ্ৰীবুঢ়াগোঁহাই, কলিয়াবৰ লোক সভা সমষ্টিৰ গণ পৰিষদৰ সংসদ সদস্য শ্ৰীভদ্ৰেশ্বৰ তাঁতী আৰু মই। আমি আহাৰ গ্ৰহণ কৰি থকাৰ সময়তে হঠাতে চকুত পৰিল অস্বাভাৱিক ধৰণৰ সাজ-পাৰ পিন্ধি এজন তজবজীয়া মানুহে অতিথিশালাত প্ৰবেশ কৰি ইফাল-সিফাল কৰি আছিল। লগত এজন উজ্জ্বল বগা পাঞ্জাবী আৰু পায়জামা পিন্ধা সুদৰ্শন যুৱক আৰু অন্য এজন মানুহ। অস্বাভাৱিক সাজ-পাৰ পিন্ধা মানুহজনৰ গাত আঁঠুৰ তললৈকে পৰা সুমথিৰা ৰঙৰ এটা "গাউন"। বগা লংপেণ্ট, ভৰিত ওখ ছ'ল থকা বগা জোতা, মূৰত বগা নোম থকা কাশ্মীৰী টুপী, চকুত ৰঙীন চচমা। দেখিলে যিকোনো মানুহৰে দৃষ্টি স্থিৰ হ'ব। তেওঁলোকে ঘূৰা-পকা কৰি থকাৰ সময়তে আমি খোৱা শেষ কৰি মুকলি জিৰণি কোঠাটোত কিছু সময় জিৰাবলৈ ললো। আমাৰ কেউজনৰে কৌতূহল হৈ আছিল— গাউন পিন্ধা তজবজীয়া মানুহজন কোন ? শ্ৰীবুঢ়াগোঁহায়ে মানুহজনৰ পৰিচয়টো উলিয়াবলৈ চেষ্টা কৰিলে ; ভাবিলে কাক সুধিলে ভাল হ'ব। অতিথিশালালৈ সেই সময়ত তেনে কোনো ব্যক্তি আহিবলগীয়া আগতীয়া খবৰ নাছিল। তজবজীয়া মানুহজনৰ আলধৰা যেন লগা ল'ৰাজনক ইকাষলৈ মাতি নি শ্ৰীবুঢ়াগোঁহায়ে পৰিচয়টো উলিয়ালে। মানুহজন এজন বিখ্যাত ৰসিক শিল্পী। ইফাল-সিফাল কৰি থকাৰ সময়খিনিত তেওঁ হেনো তেওঁৰ সহযাত্ৰী কেইজনক এটা প্ৰশ্ন সুধি ব্যস্ত ৰাখিছিল : এল. আই. এফ. ই. =লাইফ। সেইদৰে এল. আই. এফ, টি, = লিফ্‌ট। লাইফৰ ই আৰু লিফ্‌টৰ টি আখৰ দুটা গুচাই দি অন্য কি এটা আখৰ যোগ দিলে তৃতীয় অৰ্থপূৰ্ণ শব্দ এটা পোৱা যাব ?

আমাৰ লগৰ বাকী কেইজনে ভাবিলে অতিথি হিচাপে আহিছে যেতিয়া সৌজন্য ৰক্ষাৰ হকেই মানুহজনক এষাৰ মাত লগোৱাটো উচিত হ'ব। এই ভাবি আমি কেইজনে অতিথিজনৰ সৈতে পৰিচিত হ'ব খুজিছোঁ বুলি জানিবলৈ দিয়াত তেওঁ হাঁহি ভৰা মুখেৰে তজবজীয়া খোজেৰে আমাৰ ফালে আগবাঢ়ি আহিল। আমি নিজৰ-নিজৰ পৰিচয় দিলো। তেওঁ প্ৰত্যেকৰ লগতে কৰমৰ্দন কৰিলে। আমাৰ কথা-বতৰা ইংৰাজী আৰু হিন্দী ভাষাতে হৈছিল। ডেপুটি জেনেৰেল মেনেজাৰ শ্ৰীগোৰেলে ক'লে, "আগতীয়াকৈ এটা খবৰ দিয়া হ'লে আমি অলপ ভালকৈ যা-যোগাৰ এটা কৰিব পাৰিলোহেঁতেন"।

"নাই নাই, কোনো প্ৰয়োজন নাই। —আমি কাজিৰঙা চাই ঘূৰি আহিছোঁ। ইয়াত খন্তেক জিৰাই চৰবত আৰু পাতল আহাৰ অলপ খাই শ্বিলং চাবলৈ যামগৈ। আমাৰ কাৰণে চিন্তা কৰিব নালাগে।"

"কাজিৰঙা চাবলৈ আহিছিল যদি অক্টোবৰ-নৱেম্বৰ মাহত অহা হ'লে আৰু বেছি ভাল পালেহেঁতেন। বিভিন্ন ৰঙৰ চৰাই দেখিলেহেঁতেন।" —সংসদী সদস্য শ্ৰীতাঁতীয়ে ক'লে।

শিল্পী অতিথিজনে ক'লে,— "অক্টোবৰ-নৱেম্বৰ মাহত পুনৰ আমাৰ গুৱাহাটীলৈ অহাৰ এটা ইচ্ছা আছেই। তেতিয়া আহিলে ভূপেন দাক লৈ আহিম। ভাল লাগিব"। মই ক'লো, "এতিয়া আহিও ভালেই কৰিলে, বহাগ মাহৰ অসমখন চাব পাৰিব।"

"নিশ্চয়, নিশ্চয়।" — তেওঁ ক'লে।

অলপ সুৰ সলাই মই কলো, "আপোনাক কিন্তু চিনি পোৱাতে যথেষ্ট অসুবিধা হৈছিল।"

"হয়, হয় কেতিয়াবা মানুহৰ পৰা এৰাই চলিবৰ বাবেই এনেদৰে আহিব লগাত পৰোঁ। লগে-লগে চিনি পালে ৰাইজৰ মৰমৰ মাজত আবদ্ধ হৈ পৰিব লগাত পৰোঁ আৰু তেতিয়া মোৰ জৰুৰী অন্য কামখিনি সময় মতে শেষ কৰাটো টান হৈ পৰে।" —তপৰাই উত্তৰ দিলে অতিথিজনে। আমি কেউজনে হাঁহিলো। এজনে ক'লে, "আজি আমাৰ ভাগ্যই ভাল যে হঠাৎ আপোনাৰ সৈতে পৰিচিত হোৱাৰ এনেকুৱা এটা আকস্মিক সুযোগ পালোঁ।"

হাত যোৰ কৰি নম্ৰতা আৰু সৰলতা সনা হাঁহিৰে তেওঁ ক'লে, "তেনেকৈ ন'কব। ভাগ্য মোৰহে ভাল। আপোনালোকৰ লগত এইদৰে চিনাকি হবলৈ পাই মইহে বেছি সন্তোষ পাইছোঁ।"

"তথাপি আপোনাৰ দৰে এজন ব্যক্তিক এনেকুৱা এটা নাটকীয় পৰিবেশত লগ পাই আমি বেছি ভাগ্যবান বুলি ভাবিছোঁ।" —আমাৰ মাজৰে এজনে ক'লে। অতিথিজনে অতি নম্ৰতাৰে নতশিৰ হৈ ক'লে, "আমি সকলো একেই মানুহ। ইজনে সিজনক লগ পাই আমি সমানেই সুখী"।

৪৯ পৃষ্ঠাত চাওক



OKDISCO

# বিজয় মাৰ্চেণ্ট

ভাৰতৰ প্ৰাক্তন টেষ্ট ক্ৰিকেট খেলুৱৈ বিজয় মাৰ্চেণ্টে ৭৬ বছৰ বয়সত যোৱা ২৭ অক্টোবৰত পৰলোক গমন কৰিছে। তেওঁ ভাৰতৰ হৈ প্ৰথম টেষ্ট খেলিছিল ১৯৩৩ চনত ইংলণ্ডৰ বিৰুদ্ধে। জাৰ্ডিনৰ অধিনায়কত্বত সেইবাৰ ইংলণ্ড দলে ভাৰত ভ্ৰমণ কৰিছিল। ১৯৩৬ আৰু ১৯৪৬ চনত তেওঁ ভাৰতীয় ক্ৰিকেট দলৰ লগত ইংলণ্ড ভ্ৰমণ কৰিছিল। ১৯৩৬ চনত তেওঁ মুঠতে ১৭৪৫ ৰান সংগ্ৰহ কৰিছিল (গড় ৫১)। ১৯৪৬ চনত ইংলণ্ড ভ্ৰমণত তেওঁৰ সংগৃহীত ৰান আছিল ২৩৮৫ (গড় ৭৪)। ৰঞ্জিট্ৰফিত ৪৭ টা ইনিংছত তেওঁৰ সংগৃহীত ৰান আছিল ৩৬৩৯ (গড় ৯৮)।

মাত্ৰ ৮ বছৰ বয়সত তেওঁ ক্ৰিকেট খেলিবলৈ আৰম্ভ কৰিছিল আৰু ১৫ বছৰ বয়সত স্কুলৰ হৈ এখন খেলত উভয় ইনিংছতে ছেঞ্চুৰি কৰিছিল (১২৪ আৰু ১১০)। তেওঁৰ 'লেটকাট' আৰু 'লেগ গ্লান্স'ত আছিল শিল্পীৰ নিপুণ হাতৰ পৰশ।

সন্মানীয় 'থেকাৰ্ছে টেক্সটাইল' ব্যৱসায়ী প্ৰতিষ্ঠানৰ সন্তান বিজয় মাৰ্চেণ্টৰ পাৰিবাৰিক উপাধি আছিল থেকাৰ্ছে। বম্বেৰ চাৰ্চগেটৰ ভাবদা স্কুলৰ ক্ৰীড়া শিক্ষকগৰাকীয়ে ক্ৰিকেট খেলুৱৈ এজনৰ ইমান দীঘলীয়া উপাধি পছন্দ কৰা নাছিল। যেতিয়া তেওঁ জানিলে যে, বিজয় ব্যৱসায়ী পৰিয়ালৰ সন্তান, তেতিয়া তেওঁ বিজয়ক থেকাৰ্ছেৰ সলনি মাৰ্চেণ্ট উপাধি ব্যৱহাৰ কৰিবলৈ উপদেশ দিছিল। বিজয় থেকাৰ্ছে পৃথিৱী বিখ্যাত হ'ল বিজয় মাৰ্চেণ্ট নামেৰে।

মাৰ্চেণ্টৰ সময়ত আজিৰ দৰে সঘনে টেষ্টমেচ হোৱা নাছিল। তেওঁ মুঠতে ১০ খন টেষ্টমেচ খেলিছিল; আৰু তিনিটা ছেঞ্চুৰিসহ তেওঁৰ সংগৃহীত ৰান আছিল ৮৫৯ (গড় ৪৭.৭২)। প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত তেওঁৰ সংগৃহীত ৰান ১১৮৭৭ (গড় ৭২.৭৫)। এজন বেটছমেনে কেনেকৈ সাফল্য লাভ কৰিব পাৰে? ইয়াৰ উত্তৰত তেওঁ কৈছিল নিখুঁত টেকনিক, আয়ত্ত কৰি বলৰ ওপৰত এশ ভাগ একগ্ৰতা ৰাখিব পাৰিলে, আৰু অপ্ৰয়োজনীয় হুক নাইবা কাটৰ পৰা নিজকে সংযত ৰাখিব পাৰিলে বেটছমেনে সাফল্য লাভ কৰে।"

ভাৰতীয় ক্ৰিকেট কণ্ট্ৰল ব'ৰ্ডৰ নিৰ্বাচক মণ্ডলীৰ প্ৰাক্তন চেয়াৰমেন বিজয় মাৰ্চেণ্টৰ 'কাষ্টিং' ভোটতে ১৯৭১ চনত ৱেষ্ট-ইণ্ডিজ ভ্ৰমণত অজিত ৱাদেকড় ভাৰতৰ অধিনায়ক হৈছিল আৰু এগৰাকী উঠি অহা সম্ভাৱনাময় খেলুৱৈক তেওঁ ভাৰতীয় দলত স্থান দিছিল,— যাৰ নাম সুনীল মনোহৰ



গাভাছকাৰ। টেষ্টজীৱনত মাৰ্চেণ্টৰ সৰ্বোচ্চ ৰান হৈছে ১৫৪; ১৯৫১-৫২ চনত ইংলণ্ডৰ বিৰুদ্ধে। প্ৰথম শ্ৰেণীৰ খেলত তেওঁৰ ছেঞ্চুৰিৰ সংখ্যা ৪৪।

মাৰ্চেণ্টৰ সহযোগী খেলুৱৈ মুস্তাক আলীয়ে কৈছে "তেওঁক আমি ভাৰতৰ লেন হাটন আখ্যা দিছিলো— তেওঁৰ বেটিঙৰ শিল্পীসুলভ দক্ষতাৰ বাবে। বহু মেচত আমি দুয়ো ইনিংছ মুকলি কৰিছিলো। তেওঁৰ ব্যক্তিত্বত এটা আভিজাত্যৰ ছাপ আছিল আৰু সি বিশেষ শ্ৰদ্ধাৰ উদ্ৰেক কৰিছিল। তেওঁ যেতিয়া ষ্ট্ৰ'ক কৰিছিল, তেতিয়া বল ঘাঁহৰ ওপৰেদি যেন বিদ্যুৎ গতিৰে গৈছিল।"

বিশেষভাৱে উল্লেখযোগ্য যে, ১৯৩৬ চনত অল্ডট্ৰেফৰ্ডত অনুষ্ঠিত দ্বিতীয় টেষ্টমেচত মাৰ্চেণ্ট-মুস্তাকে প্ৰথম যোৰ খেলুৱৈ হিচাপে ৰেকৰ্ডসংখ্যক ২০৩ ৰান কৰিছিল। মাৰ্চেণ্টে ১১৪ ৰান আৰু মুস্তাক আলীয়ে কৰিছিল ১১২ ৰান। এলেন, গোভাৰ, ৰবিনছ, ভেৰিটি আৰু হেমণ্ডক হেলাৰঙে খেলিছিল মাৰ্চেণ্ট আৰু মুস্তাকে। এই ৰেকৰ্ড ৪৩ বছৰ পাছত, ১৯৭৯ চনত গাভাছকাৰ আৰু চেতন চৌহানে ভংগ কৰে।

ক্ৰিকেটৰপৰা অৱসৰ লৈ বিজয় মাৰ্চেণ্টে সমাজ সেৱাত নিজকে নিয়োজিত কৰিছিল আৰু এই কাৰ্যক ৰসিকতা কৰি তেওঁৰ "দ্বিতীয় ইনিংছ" বুলি অভিহিত কৰিছিল। অন্ধত্ব নিবাৰণী সংস্থাৰ তেওঁ সভাপতি আছিল।

## এদিনীয়া ক্ৰিকেটৰ অৰ্থ দায়িত্বজ্ঞানহীনতা নহয়

এই উপমহাদেশৰ প্ৰায়বোৰ বাতৰি কাকতে ভৱিষ্যতবাণী কৰিলে যে, ৰিলায়েন্স বিশ্বকাপৰ ফাইনেল অনুষ্ঠিত হ'ব সংগঠক দেশ দুখনৰ মাজত। পাকিস্তানে নিজৰ গ্ৰুপত ৬খন খেলৰ ভিতৰত ৫খনতে জয়লাভ কৰিছিল। ৱেষ্ট-ইণ্ডিজৰ হাতত তেওঁলোকে দ্বিতীয় সাক্ষাৎকাৰত পৰাজিত হোৱাটোও বৰ গুৰুত্বপূৰ্ণ নাছিল, কিয়নো তেওঁলোকে ইতিমধ্যে ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। শ্ৰীলংকা আৰু ইংলণ্ডৰ বিৰুদ্ধে পাকিস্তানে সহজে জয়লাভ কৰিছিল; কিন্তু ৱেষ্ট-ইণ্ডিজৰ বিপক্ষে প্ৰথম খেলখনত খেলৰ শেষ অ'ভাৰত আব্দুল কাদিৰৰ অভাৱনীয় বেটিং আৰু ৱেষ্ট-ইণ্ডিৰ বেগীব'লাৰ ক'ৰ্টনি ৱালছৰ মহানুভৱতাৰ ফলত পাকিস্তানে জয়লাভ কৰিছিল। ৱালছে বল ডেলিভাৰি দিয়াৰ আগতে নন-ষ্ট্ৰাইকাৰ ছেলিম জাফৰে ক্ৰিজ এৰি গৈছিল। এই ক্ষেত্ৰত ৱালছে ইচ্ছা কৰাহেঁতেন জাফৰক ৰান আউট কৰিব পাৰিলেহেঁতেন। কিন্তু ৱালছে খেলুৱৈ সুলভ আচৰণেৰে জাফৰক মাথো সতৰ্ক কৰিহে দিলে।

নিজৰ আৰু দলৰ ওপৰত অসীম আস্থা আছিল ইমৰানৰ। ভাৰত আৰু ইংলণ্ড দলৰ সাফল্যৰ ফলত বিপক্ষ দলৰ শক্তিক অলপ লঘু কৰি চোৱাৰ প্ৰৱণতায়ো তেওঁৰ মাজত দেখা দিছিল।



এদিনীয়া ক্ৰিকেটৰ অন্যতম অভিজ্ঞ খেলুৱৈ গৰাকীৰ নাম অষ্ট্ৰেলিয়া দলৰ অধিনায়ক এলান বৰ্ডাৰ। সীমিত শক্তিৰ বেটিং আৰু বলিঙৰ দল এটালৈ তেওঁ ৰিলায়েন্স কাপৰ প্ৰতিযোগিতালৈ আহিছিল। সংগ্ৰামী দলৰূপে অষ্ট্ৰেলিয়াই নিজকে প্ৰতিষ্ঠিত কৰিছে। স্পিন বিভাগ দুৰ্বল, ক্ৰুছ ৰিডৰ বাহিৰে প্ৰতিষ্ঠিত ব'লাৰ আক্ৰমণ বিভাগত এজনো নাই, তেনে এটা বলিং শক্তিৰ দল লৈ গাদ্দাফি ষ্টেডিয়ামত বৰ্ডাৰে ইমৰানৰ দলক পৰাজিত কৰিলে। প্ৰাৰম্ভিক দুই বেটছমেন ডেভিড বুন আৰু জেফ মাৰ্শ্বে প্ৰতিখন খেলাতেই বৰ ভাল খেলিছিল। ছেমিফাইনেলত বুনে ৬৫, মাৰ্শ্বে ৩১, ডিন জ'নছে ৩৮, মাইক ভেলেটাই ৫০ আৰু ষ্টিভ ওৱই ৩২ ৰান কৰাত অষ্ট্ৰেলিয়াই নিৰ্দিষ্ট ৫০ অভাৰত ৮ উইকেটত ২৬৭ ৰান কৰিছিল। পাকিস্তানে বেট ধৰি বিপৰ্যয়ৰ সন্মুখীন হয় আৰু ৩৮ ৰানতে তিনিটা উইকেট হেৰুৱায়। ইমৰান আৰু মিয়াদাদে লগ লাগি ১১২ ৰান যোগ কৰাত এনে এটা সম্ভাৱনাই দেখা দিছিল যে, পাকিস্তানে হয়তো জয় লাভ কৰিব। কিন্তু ইমৰান আউট হোৱাৰ লগে লগে পাকিস্তানৰ বেটিং বিপৰ্যয় আৰম্ভ হয় আৰু ৪৯ অভাৰত ২৪৯ ৰানতে তেওঁলোকৰ ইনিংছ শেষ হ'ল। পাকিস্তান ১৮ ৰানত পৰাজিত হ'ল।

জীৱনৰ শেষ আন্তঃৰাষ্ট্ৰীয় মেচত ইমৰানে ৮৩ বলত ৫৮ ৰান কৰে আৰু ৩৬ ৰানৰ বিনিময়ত লাভ কৰে ৩ টা উইকেট। ভাৰত আৰু ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট-ছিৰিজ বিজয়ী অধিনায়ক ইমৰানৰ বাবে বিশ্বকাপ চেম্পিয়ন হোৱাটো মৰীচিকা হৈয়ে থাকিল।

ভাৰতে নিউজিলেণ্ডৰ বিপক্ষে দ্বিতীয় সাক্ষাৎকাৰত ভাল খেলিছিল। চেতন শৰ্মাই হেট্‌ট্ৰিক কৰি এই প্ৰতিযোগিতাত অভিলেখ স্থাপন কৰিছিল। গাভাছকাৰে এদিনীয়া ক্ৰিকেটত তেওঁৰ প্ৰথম ছেঞ্চুৰিটো কৰিছিল। হেডলিৰ অনুপস্থিতিত দুৰ্বল নিউজিলেণ্ড নাইবা জিম্বাবৱেৰ বিৰুদ্ধে (মনোজ প্ৰভাকৰৰ ১৯ ৰানৰ বিনিময়ত ৪ উইকেট লাভ) সাফল্যৰ বাবে বেছি ভাগ বাতৰি কাকতে বৰ বেছি হৈ চৈ কৰিছিল। ভাৰতৰ খেলুৱৈসকলৰ অতিৰিক্ত আত্ম বিশ্বাস আৰু বিপক্ষৰ শক্তিক বিচাৰ কৰাৰ অক্ষমতা ভাৰতৰ বিপৰ্যয়ৰ অন্যতম কাৰণ। উইকেটলৈ আহিয়েই বাউণ্ডেৰি আৰু অভাৰ বাউণ্ডেৰি হিট কৰাৰ প্ৰৱণতা, এক নাইবা দুইৰান লোৱাৰ অনিচ্ছা ("ৰানিং বিটুইন দি উইকেট" অতি দুখ লগা)। দলৰ সঠিক পৰিকল্পনাৰ অভাৱ আৰু তাতোকৈ ডাঙৰ কথা খেলুৱৈসকলৰ দায়িত্ববোধৰ অভাৱৰ ফলত "কপিল বাহিনী" বিপৰ্যয়ৰ সন্মুখীন হ'ল। আনহাতে ইংলণ্ড দলটোৰ 'প্ৰফেশ্যনেল এপ্ৰ'চ' মন কৰিবলগীয়া। অভিজ্ঞ গ্ৰাহাম গুচে ১০ টা বাউণ্ডেৰি মাৰি কেনে সুন্দৰ বিচাৰ বুদ্ধিৰে 'ছুইপ' কৰি সঘনে ৰান সংগ্ৰহ কৰিছিল! অধিনায়ক কপিলৰ অধিনায়কত্বত তীব্ৰ অসন্তোষ প্ৰকাশ কৰি এগৰাকী প্ৰাক্তন টেষ্ট খেলুৱৈয়ে কৈছে "এই টুৰ্ণামেণ্টত অনৰ পিনে ফিল্ডাৰ ৰখাৰ ক্ষেত্ৰত কোনো বাধ্যবাধকতা নাই! মই আচৰিত হৈছো হয়, মনিন্দৰে ক্ৰমান্বয়ে লেগ মিডল ষ্টাম্পত বল কৰি গ'ল আৰু গ্ৰাহাম গুচে ছুইপ কৰি বাৰে-বাৰে স্কোৱাৰ লেগ আৰু লেগ শ্লিপৰ মাজেৰে ৰান কৰিলে, কাৰণ সেই ফালে কোনো ফিল্ডাৰ নাছিল।

মনিন্দৰে ক্ৰমান্বয়ে ফ্লাইট কৰি বল দিলে; সেইটো মুঠেই উচিত হোৱা নাছিল। আনহাতে এম্বুৰি নাইবা ফ্লেমিঙে মুঠেই ফ্লাইট কৰোৱা নাছিল।" এদিনীয়া ক্ৰিকেটৰ অৰ্থ দায়িত্বজ্ঞানহীনতা নহয়। ভাৰতীয় বেটছমেনসকলে যেনেকৈ নিজৰ উইকেট থ্ৰ' কৰিলে, তাৰদ্বাৰা এইটোৱেই প্ৰমাণিত হ'ল যে, খেলৰ প্ৰথমৰ পৰাই খেলুৱৈসকল ভীষণভাৱে "স্নায়ুৰ চাপত" আছিল। ভাৰতীয় বেটিঙৰ গভীৰতা যে সুনীল গাভাছকাৰৰ সাফল্য আৰু ব্যৰ্থতাৰ ওপৰতে বাৰুকৈয়ে নিৰ্ভৰশীল, এই কথাটো আৰু এবাৰ প্ৰমাণিত হ'ল। —পুলক লাহিড়ী

৪৭ পৃষ্ঠাৰ পিছৰ পৰা

শ্ৰীতাঁতীয়ে সুধিলে, "অসম কেনেকুৱা লাগিল আপোনাৰ?"

"খুব ভাল লাগিল। অসমলৈ মই আগতেও আহিছো। যেনে সেউজ-সুন্দৰ প্ৰাকৃতিক দৃশ্য, তেনে সেউজ-সুন্দৰ সৰল অসমীয়া মানুহ"। অতিথিজনে ক'লে।

"আমি সংসদী সদস্য মানুহ, দেশৰ ইফালে-সিফালে অহা-যোৱা কৰি থাকিব লাগে। গতিকে পুনৰ লগ পাম কৰবাত। মই কিন্তু নতুন দলৰহে এম. পি., —অৰ্থাৎ অসম গণ পৰিষদৰ", — শ্ৰী তাঁতীয়ে ৰসিকতা কৰি ক'লে।

ৰসিক তজবজীয়া অতিথিজনে খোলা হাঁহিৰে কথাখিনি উপভোগ কৰিলে আৰু শুভেচ্ছা জনালে। অতি নম্ৰতাৰে হাঁহি-হাঁহি আমাক কেউজনকে নতশিৰে নমস্কাৰ জনাই অতিথিজনে তেওঁৰ সহযাত্ৰী কেইজনৰ সৈতে জিৰণি কক্ষৰ ফালে আঁতৰি গ'ল।

"চাকৰি প্ৰাৰ্থীৰ সাক্ষাৎকাৰ লবলৈ আহি এনে এজন জনপ্ৰিয় আৰু প্ৰখ্যাত শিল্পীৰ সাক্ষাৎকাৰ লবলৈ পোৱা এই কেইটা মুহূৰ্ত নিশ্চয় আমাৰ বাবে মধুৰ স্মৃতি হৈ থাকিব।" —মই নিজকে নিজে কোৱাৰ দৰে কৈ দ্বিতীয় বেলাৰ চাকৰি প্ৰাৰ্থীৰ সাক্ষাৎকাৰ লবলৈ বুলি কাগজ নিগমৰ কাৰ্যালয়ৰ ফালে গাড়ীৰে আগবাঢ়িলো।

অতিথিজন আছিল বহুমুখী প্ৰতিভা-সম্পন্ন গায়ক, অভিনেতা, পৰিচালক, বোম্বে তথা ভাৰতৰ কথাছবি জগতৰ সুপৰিচিত ব্যক্তি কিশোৰ কুমাৰ। অক্টোবৰ-নৱেম্বৰ মাহত অসমলৈ আহিবলৈ ইচ্ছা থকা শিল্পীজনক ঠিক অক্টোবৰ মাহতেই মৃত্যুৱে সাৱটি ললে। তেওঁৰ আত্মাই চিৰশান্তি লাভ কৰক।

# পাতল কথা

কিছুমান কথা সেই কোন কাহানিৰে পৰা, কথা বুজা হোৱাৰে পৰা শুনিয়েই আছো ; এতিয়া সেইবোৰ কথা কোনোবাই উচ্চাৰণ কৰিলে তেওঁ বৰ পাতল কাম কৰিলে যেন লাগে। কিন্তু আমাৰ দেশত সেই কথাবোৰৰ মতে কাম হোৱা নাই, কথাবোৰৰ মূল্য তিলমানো কমা নাই, কেৱল কওঁতে-কওঁতে কথাবোৰ লঘু হৈছে। উদাহৰণ : "সময়ৰ মূল্য" সম্পৰ্কীয় কথাবোৰ।

এগৰাকী অতি উচ্চপদস্থ বিষয়াৰ লগত দুটা গুৰুত্বপূৰ্ণ ৰাজহুৱা কামৰ কথা আলোচনা কৰিবলগীয়া আছিল। তেখেতক অতি উচ্চপদস্থ বোলাৰ কাৰণ হ'ল, সেইটো বিভাগত তেখেতৰ মুখ, কলম, কাৰ্ম আৰু চিন্তাৰেই ৰাজ্যখন চলে বুলিব পাৰি ; তেখেতৰ ওপৰত আছে যদি মন্ত্ৰীৰ পৰ্যায়টোহে আছে। আলোচনাটোৰ কাৰণে আগতীয়াকৈ তেখেতৰ লগত যোগাযোগ কৰিলো। লগ পোৱাৰ ঠাই আৰু সময় ঠিক কৰা হ'ল। ঠাই তেখেতৰ অফিচ-কোঠা, সময় দিনৰ এঘাৰ বজা। অনিবাৰ্য কাৰণ নহ'লে এক মিনিট পলম কৰাৰো প্ৰশ্ন নুঠে। আগতে গ'লেও তেখেতৰ অইন কামৰ অসুবিধা হ'ব পাৰে ; গতিকে যিকণ অতিৰিক্ত সময় হাতত লৈ গৈছিলো, সেইকণ তেখেতৰ অফিচৰ বাহিৰতে ইফাল-সিফাল কৰি কটাই, ঠিক এঘাৰ বজাত, পিয়নক সুধি সোমাই গলো। তেখেতৰ মেজৰ চাৰিওফালে ছখন চকী, প্ৰতিখনতে মানুহ। ঘণ্টী বাজিল, পিয়ন আহিল, এখন চকী আহিল, বহিলো। কিন্তু মই এতিয়া কৰোঁ কি ? মোৰ কথা দুটাতো এনেকৈ আলোচনা কৰিব নোৱাৰি ! ভাবিলো,— এখেতসকল অলপ পাছতে নিশ্চয় যাব, তেতিয়া আমাৰ আলোচনা আৰম্ভ হ'ব। কিন্তু ঘটনাটো সেইমতে নঘটিল। দুজন গ'ল যদি আৰু এজন আহিল ; তাৰ পাছত এজন গ'ল যদি আৰু দুজন আহিল। উল্লেখযোগ্য কথা,— এওঁলোক সকলো উচ্চপদস্থ বিষয়া। কথা-বতৰাবোৰ শুনি বুজিলো —তেখেতসকলৰ আলোচ্য বিষয়বস্তুবোৰো গুৰুত্বপূৰ্ণ। এই সকলোৰে মাজতে গৃহস্থ বিষয়াগৰাকীয়ে কিন্তু ফাইলত লিখা-মেলা কৰিয়েই আছে। প্ৰায় এঘণ্টাৰ পাছত মই উঠিলো। আমোদজনক কথা, ইয়াৰ মাজতে মোক, সকলোৰে লগতে, এপিয়লা বেয়া চাহো দিয়া হ'ল। মই চাহ খাঁও নে নাখাঁও, এইটো চাহ খোৱাৰ সময় হয়নে নহয়, কোনেও মোক নুসুধিলে।

দ্বিতীয় আৰু তৃতীয় যোগাযোগতো মোৰ প্ৰায় একে অভিজ্ঞতা হ'ল। শেষত এদিন বিষয়া গৰাকীক টেলিফোন যোগে কলো, "মোৰ কথাখিনিৰ বাবে দহমিনিট সময় লাগিব ; কিন্তু সেই দহমিনিটত কোঠালিটোত কেৱল আপুনি আৰু মইহে থাকিব লাগিব। তেনেকুৱা সময় অকণমান উলিয়াব পাৰিবনে ?" তেখেতে পুৱা চাৰে ন বজাত সময় দিলে। ঠিক চাৰে ন বজাত তেখেতৰ অফিচত উপস্থিত হ'লোগৈ। তেখেত আছে, আৰু কোনো নাই। ভাল লাগিল। আলোচনা আৰম্ভ কৰিলো। দুই মিনিটমানৰ পাছত দুৱাৰখন কাণিচুৱৰীকৈ এজন মানুহে মূৰটো সুমুৱালে। "আহক, আহক" । —গৃহস্থ বিষয়াজনে তেখেতক সম্ভাষণ জনালে। "থিয়ৈ থিয়ৈ আপোনাক কথা এটা সুধি যাওঁ। আপুনি ইমান সোনকালে অফিচলৈ আহিছে বুলি ভবাই নাছিলো"— বুলি মানুহজন (তেৰেঁা উচ্চপদস্থ বিষয়া) চাপি আহিল আহিল আৰু বহিল। তেখেত মোৰো চিনাকি, গতিকে কথা আৰম্ভ হ'ল। এসময়ত দহ বাজিল, আৰু লাহে-লাহে কোঠালিটোৰ সকলো চকী মানুহেৰে ভৰি পৰিল। সকলোৱে গৃহস্থ বিষয়াজনক 'আগে-ভাগে" লগ ধৰি যাওঁ বুলি আহিছে।

সাধাৰণ মানুহৰ সময় ৰখাত বহুত অসুবিধা। সময়ৰ জ্ঞানৰ অভাৱ, সাংসাৰিক লেঠা, যান-বাহনৰ বিজুতি আদি নানা কাৰণত এইবোৰ অসুবিধা হয়। কিন্তু এটা পৰ্যায়ৰ ওপৰৰ ৰাজহুৱা লোকসকলৰ ক্ষেত্ৰত কথাটোৰ বিচাৰ বেলেগ হ'ব লাগে। সাধাৰণ মানুহৰ সময়ৰ জ্ঞান থাকিলেও যিবোৰ অসুবিধাৰ বাবে সেই জ্ঞান কামত লগাব নোৱাৰে, এখেতসকলৰ ক্ষেত্ৰত তেনে অসুবিধাৰ পৰিমাণ বহুত কম। পদমৰ্যাদাৰ লগতে যিখিনি সুবিধা পায়, সেইখিনিৰ সহায়তে তেখেতসকলে সময়ৰ মূল্য পৰিস্ফুট হোৱা এটা পৰিবেশ সৃষ্টি কৰিব পাৰিব লাগে। উক্ত বিষয়া গৰাকীৰ অফিচ-কোঠাত সোমোৱা চাৰিও দিনেই লক্ষ্য কৰিছিলো —তেখেত অসহায়। অৱস্থাটো তেখেতেও ভাল পোৱা নাই। যিহেতু অভ্যাগতসকলৰ সকলোৱেই টেলিফোন, পিয়ন, গাড়ী আদিৰ সুবিধা থকা উচ্চপদস্থ বিষয়া, গতিকে তেখেতে কৰে কি ? খবৰ-বাতৰি নিদিয়াকৈ কোঠালিত সোমোৱাৰ পাছত তেখেতে খেদে কাক ? আৰু খবৰ-বাতৰি পায়ো যদি তেখেতে মোক সময় দিছিল, তেন্তে তেখেতে ভুল কৰিছিল।

এই অতি উচ্চপদস্থ বিষয়াসকলে এনে পৰিবেশত কাম কৰা দেখি থাকিলে চিন্তা হয়,— ৰাজ্যখনৰ একো-একোটা বিষয়ৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত তেখেতসকলে সুচিন্তিতভাৱে, ঠাণ্ডা মগজেৰে লব পাৰিছেনে ? এইযে ছজন মানুহৰ লগত সমানে কথা পাতি-পাতি তেখেতে ফাইলটোত চহীটো কৰিলে, তাৰ ফলতেই এদিন চৰকাৰখন স্মাৰক পত্ৰ, প্ৰতিনিধি দল, কৰ্মবিৰতি, ধৰ্মঘটৰ সন্মুখীন হ'ব নালাগিবতো ? তাৰ ফলতেই কিছুমান মানুহৰ অপকাৰ নহ'বতো ! আনহাতে, বিষয়াজনে "ছিৰিয়াছ" কামবোৰ "বজাৰ ভগাৰ পাছত" আৰম্ভ কৰি ৰাতি আঠ ন বজালৈকে কৰিব, সেইটোওতো মানবীয় দিশৰ পৰা সমৰ্থনযোগ্য নহয়।

এনে অৱস্থাত সিদ্ধান্ত এটাই ; সেইটোও কওঁতে কওঁতে লঘু হৈ গৈছে ; —"ছিষ্টেমটোৰেই দোষ"। কিন্তু দোষ বুলি এৰি দিলেইতো নহয় ! কাৰণ এই ছিষ্টেমটোৰ সময়-সংক্ৰান্ত দক্ষতাৰ ওপৰত সাধাৰণ মানুহৰ জীৱনৰ বহু কথা নিৰ্ভৰ কৰে। গতিকে কৰবাত কোনোবাই শুধৰণীৰ কাম আৰম্ভ কৰিবই লাগিব। এই আৰম্ভ ওপৰ মহলতে হোৱাটো সম্ভৱ আৰু বাঞ্ছনীয়। অন্ততঃ চৰকাৰী যন্ত্ৰটোত অভ্যাস আৰু স্বভাৱ ওপৰৰ পৰা তললৈ বিয়পে বুলি বিশ্বাস কৰা উচিত। এজন উচ্চপদস্থ বিষয়াই তেখেতৰ দক্ষতা, পদমৰ্যাদা, এনগেজমেণ্ট পেড, পি.এ., পিয়ন আৰু টেলিফোনৰ ব্যৱহাৰ সমুচিতভাৱে আৰু দৃঢ়তাৰে কৰি চাওক, ফলাফল কি হয়। কিন্তু তেখেতসকলৰ সকলোৱেই যদি "এ — আমাৰ মানুহৰ কথা নকব দিয়ক" বুলি চলি থাকে, তেনেহ'লে আমাৰ মানুহৰ অপকাৰ হৈয়েই থাকিব।

১২।১১।৮৭

